GSK S3 02

ভাৰতীয় দর্শন

তৃতীয় ষাণ্মাসিক

সংস্কৃত

পাঠ্যবিষয় ০৪

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৱক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৯, ১০ আৰু ১১	ড° ভাৱতী গোস্বামী সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়
১২, ১৩, ১৪ আৰু ১৫	অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য্য সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা মুক্তা বিশ্বাস, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৱ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্য্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্য্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ **চার্বাক দর্শনৰ পৰিচয়** **১১৭ - ১২৭**

চার্বাক শব্দৰ অর্থ; জ্ঞানতত্ত্ব ঃ প্রত্যক্ষই একমাত্র প্রমাণ, অনুমান প্রমাণ অস্বীকাৰ, শব্দ প্রমাণ অসিদ্ধ; অধ্যাত্মতত্ত্ব; চার্বাক দর্শনত নৈতিকতা

অধ্যায় ১০ ঃ **জৈন দর্শনৰ পৰিচয়** **১২৮ - ১৪২**

জৈন দর্শনৰ প্রাচীনতা; জৈন দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস ঃ জৈন জ্ঞানতত্ত্ব, স্যাদ্‌বাদ, সপ্তভঙ্গীন্যায়, জৈন অধ্যাত্মবাদ, জৈন নীতিতত্ত্ব

অধ্যায় ১১ ঃ **বৌদ্ধ দর্শনৰ পৰিচয়** **১৪৩ - ১৫৮**

বৌদ্ধ দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস ঃ চাৰিটা আর্য্যসত্য, বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ আধ্যাত্মিক ভিত্তি, বৌদ্ধদর্শনৰ বিভিন্ন সম্প্রদায়সমূহ, ধর্মৰ ভিত্তিত দুটা বৌদ্ধ সম্প্রদায়

অধ্যায় ১২ ঃ **প্রমাণ (সাধাৰণ আলোচনা)** **১৫৯ - ১৭১**

প্রমাণ শব্দৰ অর্থ; প্রমাণৰ প্রকাৰভেদ; প্রমাণৰ প্রয়োজনীয়তা

অধ্যায় ১৩ ঃ **অনুমান প্রমাণ (সাধাৰণ আলোচনা)** **১৭২ - ১৮৬**

অনুমানৰ অর্থ; অনুমানৰ প্রকাৰভেদ; প্রমাণ হিচাপে অনুমানৰ স্থিতি

অধ্যায় ১৪ ঃ **তর্কসংগ্রহ (সাধাৰণ আলোচনা)** **১৮৭ - ১৯৮**

তর্কসংগ্রহ গ্রন্থৰ ৰচয়িতা; তর্কসংগ্রহ শব্দৰ অর্থ; তর্কসংগ্রহৰ বিষয়বস্তু; তর্কসংগ্রহৰ বৈশিষ্ট্য

অধ্যায় ১৫ ঃ **তর্কসংগ্রহ (অনুমান খণ্ড)** **১৯৯ - ২০৮**

তর্কসংগ্রহত থকা অনুমান খণ্ডৰ সংস্কৃত পাঠ্যাংশ; তর্কসংগ্রহত থকা অনুমান খণ্ডৰ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ; অনুমান প্রমাণৰ লগত জড়িত গুৰুত্বপূর্ণ শব্দৰ অর্থ; তর্কসংগ্রহৰ অনুমান খণ্ডৰ এটি মূল্যায়ন

প্রসঙ্গপুথি **২০৯**

খণ্ড পৰিচয় ঃ ভাৰতীয় দৰ্শন

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰধান তথা ঐচ্ছিক সংস্কৃতৰ তৃতীয় ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয়ৰ 'ভাৰতীয় দৰ্শন'ৰ দ্বিতীয় খণ্ডৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই খণ্ডটিত সাতটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। সেইসমূহ হ'ল—

অধ্যায় ৯ ঃ চাৰ্বাক দৰ্শনৰ পৰিচয়

অধ্যায় ১০ ঃ জৈন দৰ্শনৰ পৰিচয়

অধ্যায় ১১ ঃ বৌদ্ধ দৰ্শনৰ পৰিচয়

অধ্যায় ১২ ঃ প্ৰমাণ (সাধাৰণ আলোচনা)

অধ্যায় ১৩ ঃ অনুমান প্ৰমাণ (সাধাৰণ আলোচনা)

অধ্যায় ১৪ ঃ তৰ্কসংগ্ৰহ (সাধাৰণ আলোচনা)

অধ্যায় ১৫ ঃ তৰ্কসংগ্ৰহ (অনুমান খণ্ড)

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্ৰগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্ৰগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান **'আৰ্হি প্ৰশ্ন'** তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান **'প্ৰসঙ্গ পুথি'**ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ৯ ঃ চার্বাক দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ চার্বাক শব্দৰ অর্থ

৯.৪ জ্ঞানতত্ত্ব

- ৯.৪.১ প্রত্যক্ষই একমাত্র প্রমাণ
- ৯.৪.২ অনুমান প্রমাণ অস্বীকাৰ
- ৯.৪.৩ শব্দ প্রমাণ অসিদ্ধ

৯.৫ অধ্যাত্মতত্ত্ব

৯.৬ চার্বাক দর্শনত নৈতিকতা

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যয়টি অধ্যয়ন কৰি আপুনি—

- চার্বাক শব্দৰ অর্থ জানিব পাৰিব
- চার্বাক দর্শনৰ জ্ঞান তত্ত্বৰ বিষয়ে অৱগত হ'ব
- চার্বাক দর্শনৰ অধ্যাত্মতত্ত্বৰ লগত পৰিচয় হ'ব পাৰিব
- চার্বাক নীতিতত্ত্বৰ গুৰুত্ব সম্পর্কে জানিব পাৰিব।

৯.২ পৰিচয়

আপুনি ইতিমধ্যে ভাৰতীয় দর্শনৰ ছটা আস্তিক সম্প্রদায়ৰ লগত পৰিচিত হৈছে। ভাৰতীয় দর্শনৰ দুটা মূল শাখা হ'ল— আস্তিক আৰু নাস্তিক। চার্বাক, বৌদ্ধ আৰু জৈন দর্শন নাস্তিক দর্শনৰ অন্তর্গত।চার্বাক শব্দটো জড়বাদী দর্শনৰ লগতওতঃপ্রোতভাৱে জড়িত। সাধাৰণতে জড়বাদ বুলিলে সেই দার্শনিক মতবাদকে বুজা যায়, যি মতবাদ অনুযায়ী অচেতন জড়ৰেই একমাত্র সত্তা আছে আৰু জগতৰ সকলোবোৰ জড়ৰ পৰাই উৎপত্তি হৈছে। ভাৰতীয় দর্শনৰ প্রায়বোৰ ক্ষেত্রতে ভিন্ ভিন্ ৰূপত জড়বাদৰ কিছু উল্লেখ পোৱা যায়। এই দর্শন অতি প্রাচীন। কাৰণ ভাৰতবর্ষৰ প্রাচীনতম সাহিত্য বেদ তথা প্রাচীন বৌদ্ধ সাহিত্য, ৰামায়ণ, মহাভাৰত আদি মহাকাব্যত এই



জড়বাদক বস্তুবাদ বা লোকায়ত বুলিও জনা যায়।

মতবাদৰ উল্লেখ পোৱা যায়। কিন্তু লক্ষ্যণীয় কথাটো হ'ল— জড়বাদী দর্শনৰ তথ্য সম্বলিত কোনো ধাৰাবাহিক গৱেষণাৰ উল্লেখ নাই।সুসংবদ্ধ ৰূপত আজিলৈকে এই দর্শনৰ কোনো শাখা গঢ় লৈ উঠা নাই। অন্যান্য ভাৰতীয় দার্শনিক সম্প্রদায়ৰ পৰাই ভাৰতীয় জড়বাদ সম্পর্কে জানিব পাৰি।

অৱশ্যে ভাৰতীয় দর্শন সম্বন্ধীয় যিবোৰ গ্রন্থত জড়বাদৰ বিৰোধিতা বা সমালোচনা কৰি বেদক প্রামাণ্য হিচাপে স্বীকাৰ কৰিছে, সেই সকলোবোৰ গ্রন্থত পূর্বপক্ষ ৰূপেহে চার্বাক মতবাদৰ বর্ণনা কৰা হৈছে।

বিভিন্ন গ্রন্থত সিঁচৰতি হৈ থকা চার্বাক দর্শনৰ তত্ত্বসমূহ সুসংবদ্ধভাৱে একত্রিত কৰিলে সেইবোৰক তিনিটা ভাগত ভাগ কৰিব পাৰি— জ্ঞানতত্ত্ব, অধ্যাত্মতত্ত্ব, আৰু নীতিতত্ত্ব।

চার্বাকসকল প্রত্যক্ষবাদী। অর্থাৎ প্রত্যক্ষক একমাত্র জ্ঞানৰ উৎস হিচাপে স্বীকাৰ কৰে। এই প্রত্যক্ষবাদী দৃষ্টিভঙ্গীৰ পৰাই তেওঁলোকৰ আধ্যাত্মিকতা, নৈতিকতা আদি দার্শনিক সিদ্ধান্তসমূহ যে পাব পাৰি, সেই বিষয়ে এই অধ্যায়টিত আলোচনা কৰা হ'ব।

৯.৩ 'চার্বাক' শব্দৰ অর্থ



চার্বাকসকলৰ জীৱনাদর্শ যাবজ্জীৱেৎ সুখং জীৱেৎ ঋণং কৃত্বা ঘৃতং পীৱেৎ।। অর্থাৎ যেতিয়ালৈকে জীয়াই থাকা, সুখেৰে জীয়াই থাকা, ধাৰ কৰি ঘিঁ খোৱা।

'চার্বাক' শব্দটোৰ মূল অর্থক কেন্দ্র কৰি কিছু মতভেদ পৰিলক্ষিত হয়। কিছুমানৰ মতে চার্বাক নামৰ এজন ঋষি চার্বাক দর্শনৰ প্রৱর্তক আছিল আৰু তেওঁৰ নাম অনুসৰি এই দর্শনৰ নাম 'চার্বাক দর্শন' হয়। আন কিছুমানৰ মতে চার্বাকসকলৰ জীৱনাদর্শ অথবা তেওঁলোকে কোৱা কথাবোৰ শ্রুতিমধুৰ (চার্বাক = চাৰু + বাক্; চাৰু মানে মধুৰ আৰু বাক্ মানে কথা) কাৰণে এই মতৰ নাম চার্বাক দর্শন হৈছে। আন কিছুমানৰ মতে বৃহস্পতি হ'ল চার্বাক দর্শনৰ প্রৱর্তক। কিছুমানে অৱশ্যে এইটোও ক'ব বিচাৰে যে বৃহস্পতি হ'ল চার্বাকৰ অন্য নাম। আকৌ 'চাৰু' শব্দৰ আভিধানিক অর্থ হ'ল 'বৃহস্পতি'। সেয়েহে বৃহস্পতিৰ উপদেশকে চার্বাক মত বোলা হয়। আন কিছুমানৰ মতে 'চর্ব্' ধাতুৰ পৰা চার্বাক শব্দৰ উৎপত্তি হৈছে। 'চর্ব্' ধাতুৰ অর্থ হৈছে 'চর্বণ কৰা' বা 'খোৱা'। আহাৰ, পানীয়, জাগতিক সুখভোগ আদিকেই জীৱনৰ একমাত্র লক্ষ্য বুলি ভবাৰ কাৰণেই এই মত চার্বাক দর্শন নামেৰে পৰিচিত। জড়বাদ অথবা বস্তুবাদৰ অর্থত ব্যৱহৃত আন এটা শব্দ হ'ল 'লোকায়ত মত'। 'লোকায়ত' শব্দৰ ব্যুৎপত্তিগত অর্থ হ'ল— 'লোকেষু আয়ত', অর্থাৎ যিটো কথা মানুহৰ মাজত প্রচলিত। জড়বাদী এজনক এই অর্থতে লোকায়তিক বা চার্বাক বুলি কোৱা হয়। আন কিছুমানৰ মতে 'লোক' শব্দটোৱে অকল মর্ত্যলোকৰ অর্থহে বুজাইছে। চার্বাকপন্থীসকলে মর্ত্যলোকৰ বাহিৰে স্বর্গ, পাতাল আদিক বিশ্বাস নকৰে বাবে এই দর্শনক লোকায়ত দর্শন নামেৰে অভিহিত কৰা হৈছে।

চার্বাক শব্দৰ মূল অর্থ যিয়েই নহওক কিয়, বর্তমান সময়ত 'চার্বাক' বুলিলে জড়বাদী নাস্তিক দর্শনকে বুজা যায়। সাধাৰণ মানুহৰ বাবে উচ্চ আধ্যাত্মিক ধ্যান-ধাৰণাৰ কোনো অর্থ নাই। জাগতিক সুখভোগেই তেওঁলোকৰ কাম্য। গতিকে অধ্যাত্মবাদৰ বিৰুদ্ধে চার্বাক দর্শন হৈছে এক বলিষ্ঠ পদক্ষেপ।



জানি থোৱা ভাল

চার্বাক সম্প্রদায়ৰ মতবোৰ বিশ্লেষণ কৰি দেখা যায় যে এই সম্প্রদায়ক তিনিটা ভাগত বিভক্ত কৰিব পাৰি— আদি চার্বাক, ধূর্ত চার্বাক আৰু সুশিক্ষিত চার্বাক। আদি চার্বাক সম্প্রদায়ৰ নিজস্ব কোনো মত নাছিল। প্রতিপক্ষৰ মত খণ্ডন কৰাৰ বাবে কেৱলমাত্র তর্কত লিপ্ত হৈছিল। এই সম্প্রদায়ক সেয়েহে বিতণ্ডাবাদী বুলিও অভিহিত কৰা হয়। চার্বাক দর্শন বুলিলে সাধাৰণতে যিটো দার্শনিক সম্প্রদায়ক বুজা যায়, সেইয়া হ'ল ধূর্ত চার্বাক সম্প্রদায়। এই সম্প্রদায়ৰে সকলোবোৰ তত্ত্ব এই অধ্যায়ত খৰছি মাৰি আলোচনা কৰা হ'ব। সুশিক্ষিত চার্বাক সম্প্রদায় সংশয়বাদী। প্রত্যক্ষৰ বাহিৰে অনুমানকো প্রমাণ হিচাপে স্বীকাৰ কৰে। কিন্তু ঈশ্বৰ, স্বর্গ, নৰক আদিৰ অস্তিত্ব মানি ল'বৰ বাবে অনুমানক প্রামাণ্য হিচাপে গ্রহণ নকৰে।

৯.৪ জ্ঞানতত্ত্ব

ভাৰতীয় অন্যান্য দর্শনৰ নিচিনাকৈ চার্বাক দর্শনেও জ্ঞান সম্পর্কীয় আলোচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। যিকোনো দর্শনৰ মূল ভেটি হৈছে জ্ঞানতত্ত্ব, কাৰণ জ্ঞান লাভ কৰিবলৈ হ'লে সর্বপ্রথমে জ্ঞান কি বা ইয়াৰ স্বৰূপ কি, কি কি উপায়েৰে জ্ঞান আহৰণ কৰিব পাৰি, ইয়াৰ বিষয়বস্তু কি, ইয়াৰ পৰিসৰ কিমান, ইত্যাদি প্রশ্নবোৰৰ সমাধান কৰি ল'ব লাগে। কাৰণ কেৱল বিশ্বাস আৰু অনুভূতিৰ ওপৰত নির্ভৰ কৰি জ্ঞান বা সত্য অন্বেষণ কৰিব নোৱাৰি। জ্ঞানতত্ত্বৰ মুখ্য আলোচ্য বিষয় হৈছে যথার্থজ্ঞানৰ স্বৰূপ নির্ণয় কৰা। আকৌ যথার্থজ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই মৌলিক সত্তা (Ultimate Reality), জীৱ, জগত আদিৰ ব্যাখ্যা কৰিব পাৰি। জ্ঞানতত্ত্বই হৈছে আধ্যাত্মিক আলোচনা আৰু সিদ্ধান্তৰ মূল ভিত্তি। গতিকে প্রাচ্যই হওক বা পাশ্চাত্য দর্শনেই হওক, উভয়তে জ্ঞানতত্ত্বকেই দর্শনৰ মূল ভেটি বুলি স্বীকাৰ ক'ৰা হৈছে। চার্বাক দর্শনত জ্ঞানতত্ত্বৰ মূল কথা হৈছে— (ক) প্রত্যক্ষই জ্ঞানৰ একমাত্র প্রমাণ, (খ) অনুমানক প্রমাণ হিচাপে গ্রহণ কৰিব পৰা নাযায়, (গ) শব্দ প্রমাণ অসিদ্ধ আৰু, (ঘ) বেদবাক্যৰ প্রামাণ্য অস্বীকাৰ।

৯.৪.১ প্রত্যক্ষই জ্ঞানৰ একমাত্র প্রমাণ

চার্বাক দর্শনৰ মতে প্রত্যক্ষই হৈছে একমাত্র প্রমাণ বা জ্ঞানৰ একমাত্র নির্ভৰযোগ্য উপাদান। তেওঁলোকৰ মতে অপ্রত্যক্ষ যিকোনো বস্তুৰেই বিশ্বাসযোগ্য নহয়। সত্য কেৱল সেইটোৱে, যিটোক প্রত্যক্ষ কৰিব পাৰি। দৰাচলতে পঞ্চেন্দ্রিয়ৰ দ্বাৰা যি বস্তু বা ঘটনাৰ উপলব্ধি হয়, তাক প্রত্যক্ষজ্ঞান বা সাক্ষাৎ জ্ঞান বোলা হয়। আনহাতে ইন্দ্রিয়ই ঢুকি নোপোৱা ঠাইৰ জ্ঞান কোনোপধ্যেই বিশ্বাসযোগ্য হ'ব নোৱাৰে বুলি চার্বাকসকলে মত পোষণ কৰে।

চার্বাক দার্শনিকসকলে মত পোষণ কৰিছে যে যিসকল দার্শনিকে প্রত্যক্ষৰ বাহিৰে অনুমান, শব্দ, উপমান আদিক প্রমাণ ৰূপে গ্রহণ কৰিছে, তেওঁলোকেও প্রত্যক্ষক সর্বশ্রেষ্ঠ প্রমাণ ৰূপে স্বীকাৰ কৰিছে আৰু সকলো প্রমাণৰ মূল প্রমাণ ৰূপে আখ্যা দিছে। প্রত্যক্ষৰ অবিহনে অনুমান, উপমান, শব্দৰ জ্ঞান সম্ভৱপৰ নহয়।

চার্বাক দর্শনৰ মতে প্রত্যক্ষ সবিকল্পক বা নির্বিকল্পক এই দুই ধৰণৰ হ'ব পাৰে। যি প্রত্যক্ষত প্রত্যক্ষৰ বিষয়বস্তু বিশেষ্য বা বিশেষণ ৰূপে ব্যৱহৃত নহয় সেই প্রত্যক্ষক নির্বিকল্পক প্রত্যক্ষ বোলে। আকৌ যি প্রত্যক্ষত প্রত্যক্ষৰ বিষয়বস্তু বিশেষ্য বা বিশেষণ ৰূপে ব্যৱহৃত হয় তাকে সবিকল্পক প্রত্যক্ষ বোলে। চার্বাকসকলৰ মতে ভ্রম প্রত্যক্ষ কোনো ধৰণৰ প্রত্যক্ষই নহয়।

চার্বাক দার্শনিকসকলৰ 'প্রত্যক্ষই একমাত্র প্রমাণ' এই যুক্তি যদি গ্রহণ কৰা যায়, তেতিয়াহ'লে দৈনন্দিন জীৱনৰ নানান অভিজ্ঞতা তথা জ্ঞানক অস্বীকাৰ কৰিব লাগিব। কাৰণ প্রত্যক্ষৰ জৰিয়তে বর্তমান, অতীত আৰু ভৱিষ্যতৰ সকলো দৃষ্টান্তৰ বিষয়ে জনাটো সম্ভৱপৰ নহয়। এই অসুবিধা উপলব্ধি কৰিয়েই সুশিক্ষিত চার্বাকসকলে স্বভাৱ অনুমানক প্রমাণৰূপে স্বীকাৰ কৰিছে।

৯.৪.২ অনুমান জ্ঞানৰ উৎস নহয়

ভাৰতীয় অন্যান্য দার্শনিক সম্প্রদায়বোৰে প্রত্যক্ষৰ বাহিৰেও অনুমান, উপমান, শব্দ আদিকো জ্ঞানৰ উপাদান হিচাপে গ্রহণ কৰিছে। তেওঁলোকৰ মতে প্রত্যক্ষৰ দ্বাৰা বহুতো বস্তু বা ঘটনাৰ জ্ঞান লাভ কৰা সম্ভৱ নহয়। গতিকে তেনেকুৱা ক্ষেত্রত যুক্তি বা অনুমানৰ সহায়ত সত্য অন্বেষণ কৰা হয়।কিন্তু বস্তুবাদী চার্বাকসকলে প্রত্যক্ষকে একমাত্র সত্য অন্বেষণৰ আহিলা হিচাপে গ্রহণ কৰি অনুমানৰ অসার্থকতা প্রমাণ কৰিবলৈ বিচাৰে।

চার্বাকসকলৰ মতে অনুমান এটা মানসিক ক্রিয়া, যাৰ দ্বাৰা আমি জ্ঞেয়ৰ পৰা অজ্ঞেয়লৈ, প্রত্যক্ষৰ পৰা অপ্রত্যক্ষলৈ, বর্তমানৰ পৰা ভৱিষ্যতলৈ অনুধাৱন কৰিব পাৰোঁ। এনে ধৰণে লাভ কৰা জ্ঞান কেতিয়াও যথার্থ হ'ব নোৱাৰে। দর্শনৰ নীতি মতে একমাত্র সাক্ষাৎ আৰু সন্দেহাতীত জ্ঞানেই হ'ল প্রমাণ। কিন্তু অনুমান এনে সন্দেহাতীত আৰু অবিসম্বাদী জ্ঞানৰ উৎস বা প্রমাণ হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে, দূৰৈৰ পাহাৰখনত দেখা ধোঁৱাৰ পৰা অনুমান কৰা হ'ল যে তাত জুই আছে। এই অনুমানৰ ভিত্তি 'ধোঁৱা' আৰু 'জুই' এটা ব্যাপ্তি সম্পর্কৰ ওপৰত প্রতিষ্ঠিত। কিন্তু এই ব্যাপ্তি অপ্রত্যক্ষ আৰু আনুমানিকহে। নৈয়ায়িকসকলৰ মতে ধোঁৱা আৰু জুইৰ **নিয়ত** সম্বন্ধৰ পূর্বজ্ঞানৰ দ্বাৰাহে উক্ত অনুমান সিদ্ধ হয়। পূর্বজ্ঞান আৰু ব্যাপ্তি প্রকৃতিৰ একৰূপকতা আৰু কার্য্যকাৰণ বিধিৰ ওপৰত ভিত্তি কৰি প্রতিষ্ঠিত হোৱা। আকৌ উক্ত নিয়ম দুটা প্রতিষ্ঠা হয় অনুমানৰ দ্বাৰাহে। গতিকে চার্বাক দর্শনে ব্যাপ্তিক সন্দেহাতীত আৰু অবিসম্বাদী বুলি স্বীকাৰ নকৰে। চার্বাকসকলে আকৌ মত পোষণ কৰে যে ব্যাপ্তিৰ



নিয়ত ঃ অনিবার্য্য।

জ্ঞান প্রত্যক্ষৰ দ্বাৰা লাভ কৰাটো সম্ভৱপৰ নহয়। কাৰণ, অতীত, বর্তমান আৰু ভৱিষ্যতৰ সকলো ধোঁৱা আৰু জুইৰ মাজত অবিচ্ছেদ্য সম্পর্ক আছিল, আছে আৰু থাকিব। তাক প্রত্যক্ষ কৰিব নোৱাৰি। এবাৰত এটা বস্তুহে প্রত্যক্ষ কৰিব পাৰি। অতীতৰ এটা প্রত্যক্ষজ্ঞান যে ভৱিষ্যততো সত্য হ'ব সেইটো প্রমাণিত নহয়। এই ক্ষেত্রত অনুমান প্রয়োগ কৰিলে অনৱস্থা দোষে পাব। আনহাতে সকলো বস্তুৰে এটা স্বাভাৱিক গুণ বা সামান্য লক্ষণ থকা বুলি ধৰি ল'লেও আৰু এই সামান্য লক্ষণ (জুই আৰু ধোঁৱাৰ) প্রত্যক্ষযোগ্য হ'লেও সকলোবোৰ ধোঁৱা আৰু জুইৰ বিষয়ে জনাটো সম্ভৱ নহয়। এঠাইৰ জুই আৰু ধোঁৱাৰ সামান্য লক্ষণ যে সকলো ঠাইৰ, সকলো সময়ৰ ধোঁৱাত ব্যাপ্ত থাকিব সেইটো ন-দি ক'ব নোৱাৰি।

আমাৰ দৈনন্দিন জীৱনপ্রণালীত আমি সদায় বিশ্বাসৰ ওপৰত নির্ভৰ কৰি কোনো যুক্তি নকৰাকৈ অনুমানলব্ধ জ্ঞানৰ ওপৰত ভিত্তি কৰি চলি থাকো। কিন্তু এনে কথাই প্রমাণ নকৰে যে সেই জ্ঞান সম্পূর্ণ সত্য, অনুমান আৰু বিশ্বাসবোৰ সন্দেহাতীত। যদিও কোনো কোনো ক্ষেত্রত অনুমানে ব্যৱহাৰিক ফল দিয়ে আৰু ই সত্যত পৰিণত হয়, তথাপি সকলো ক্ষেত্রতে যে ই ফলদায়ক আৰু সত্য হ'ব তাৰ কোনো প্রমাণ নাই।

৯.৪.৩ শব্দ প্রমাণ অসিদ্ধ

শব্দ হৈছে আপ্তবাক্য অথবা কোনো নির্ভৰযোগ্য ব্যক্তিৰ বিবৃতি বা বচন। এই বিবৃতি কথিত অথবা লিখিত উভয়প্রকাৰেই হ'ব পাৰে। চার্বাক দর্শনে আপ্তব্যক্তি অথবা কোনো যোগ্য ব্যক্তিৰ উক্তি বা অভিমত আদিক জ্ঞানৰ নির্ভৰযোগ্য উপাদান বা প্রমাণ হিচাপে স্বীকাৰ নকৰে। তেওঁলোকৰ মতে কোনো ব্যক্তিক আপ্ত বুলি আখ্যা দিবলৈ হ'লে ব্যক্তিজনে প্রকাশ কৰা আচাৰ-ব্যৱহাৰ, কথা-বার্তা আদিৰ জৰিয়তে তেওঁৰ আপ্তত্ব অনুমান কৰিব লাগিব। ব্যক্তিৰ আপ্তত্ব অনুমানৰহে বিষয়, প্রত্যক্ষৰ বিষয় নহয়। চার্বাকসকলে যিহেতু অনুমানক প্রমাণ হিচাপে স্বীকাৰ কৰা নাই, গতিকে অনুমানৰ ওপৰত প্রতিষ্ঠিত শব্দকো প্রমাণ বুলি স্বীকাৰ কৰাৰ যুক্তি নাই। আকৌ চার্বাকসকলে মত পোষণ কৰিছে যে যেতিয়া আপ্তব্যক্তিৰ উক্তি বা বাক্য শুনা হয় তেতিয়া তাক প্রত্যক্ষ বুলি ধৰা হয়। এনেকুৱা প্রত্যক্ষ উক্তিৰ পৰা জ্ঞান সত্য ৰূপে গ্রহণযোগ্য। কিন্তু কিছুমান উক্তিৰ দ্বাৰা অপ্রত্যক্ষ কোনো বস্তু বা ঘটনাৰ সত্যতা নিঃসন্দেহে গ্রহণ কৰিব নোৱাৰি। দৰাচলতে জ্ঞানেন্দ্রিয়ই ঢুকি নোপোৱা কোনো বস্তু বা ঘটনা কেৱল উক্তি এটাৰ ওপৰত বা তাৰ বক্তাৰ ওপৰত বিশ্বাস কৰিয়েই গ্রহণ কৰিব নোৱাৰি। এনেকুৱা জ্ঞান প্রকৃততে অনুমানহে— প্রত্যক্ষ নহয়। এনে ধৰণৰ কথাৰ বাবেই চার্বাকসকলে বেদ, উপনিষদ আদিক প্রমাণ হিচাপে গ্রহণ নকৰে। তেওঁলোকৰ মতে কিছুমান ব্যক্তিৰ স্বার্থজড়িত কাৰণত সৃষ্টি হোৱা গ্রন্থ হ'ল বেদ।

চার্বাকসকলৰ মতে অনুমান অথবা সাক্ষ্যৰ পৰা পোৱা জ্ঞান দৈবাৎ সঁচা হ'বও পাৰে। কিন্তু মিছা যে নহ'ব, তাকো ন-দি ক'ব নোৱাৰি। গতিকে চার্বাকসকলৰ মতে প্রত্যক্ষই জ্ঞানৰ একমাত্র প্রমাণ বা উৎস।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ চার্বাকসকলৰ জীৱনাদর্শ কি?

.....

.....

প্রশ্ন ২ ঃ জড়বাদ মানে কি?

.....

.....

প্রশ্ন ৩ ঃ চার্বাক দর্শনে কেইটা প্রমাণ স্বীকাৰ কৰে?

.....

প্রশ্ন ৪ ঃ চার্বাক দর্শনৰ দার্শনিক তত্ত্ববাদৰ মূল ভিত্তি কি?

.....

৯.৫ অধ্যাত্ম তত্ত্ব

চার্বাক দর্শনৰ অধ্যাত্মতত্ত্ব তেওঁলোকৰ জ্ঞান-বিজ্ঞানৰ ওপৰত প্রতিষ্ঠিত। চার্বাক দর্শনে অকল প্রত্যক্ষ প্রমাণ স্বীকাৰ কৰে, গতিকে প্রত্যক্ষৰ পৰিধিৰ ভিতৰত পৰাবিদ্যাৰ কথা আলোচনা কৰিছে। ঈশ্বৰ, আত্মা, স্বর্গ, অদৃষ্ট, অপূর্ব, ঋত, জন্মান্তৰ, মোক্ষ আদিক প্রত্যক্ষ নকৰা বাবে চার্বাক সকলে বিশ্বাস নকৰে।

চার্বাকসকলৰ দার্শনিক মতবাদ হ'ল জড়বাদ। তেওঁলোকৰ মতে জগতৰ সকলো বস্তু চাৰিভূতৰ পৰা উৎপন্ন। এই চাৰিভূত হ'ল— পৃথিৰী, পানী, জুই আৰু বায়ু। প্রত্যক্ষযোগ্য নহয় বাবেই তেওঁলোকে আকাশক ভূত বুলি নধৰে। জৈৱিক পদার্থবোৰো এই চাৰিভূতৰ পৰা আহিছে বুলি চার্বাকসকলে মত পোষণ কৰে। আনহাতে, মন, আত্মা আদি সূক্ষ্ম দ্রব্যবোৰ এই চাৰিভূতৰ বিশেষ সংমিশ্রণৰ ফলত সৃষ্টি হয় বুলি তেওঁলোকে স্বীকাৰ কৰে।

ক) **কাৰণ তত্ত্ব ঃ** আপুনি ইতিমধ্যে জানিব পাৰিছে যে চার্বাকসকলে সকলো প্রকাৰৰ অপ্রত্যক্ষ জ্ঞানকেই অস্বীকাৰ কৰিছে। কিন্তু জ্ঞানৰ ভিত্তি হিচাপে আমাক কিছুমান সামান্যবচনৰ প্রয়োজন হয়, যেনে— প্রকৃতিৰ একৰূপকতা, কার্য্য-কাৰণ সম্বন্ধ আদি। আমি দৈনন্দিন জীৱনত প্রকৃতিজগতখনত সদায়েই দেখি থকা কিছুমান নিয়মক প্রত্যক্ষৰ দ্বাৰা জানিব নোৱাৰি, কিন্তু অস্বীকাৰো কৰিব নোৱাৰি। যেনে— বেলি সদায় পূবফালে ওলায়, বৰফ চেঁচা আদি। এনেকুৱা সুনির্দ্দিষ্ট নিয়মবোৰ আচলতে অস্বীকাৰো কৰিব নোৱাৰি।

কিন্তু চার্বাকসকলৰ মতে, এইবোৰ নিয়ম কোনো লৌকিক ধর্ম বা নীতিৰ কাৰণে নহয়, আচলতে সকলো জাগতিক বস্তুৰেই স্বভাৱজাত কিছুমান চাৰিত্রিক লক্ষণ আছে আৰু এই কাৰণেই জাগতিক ক্ষেত্রত নির্দিষ্ট কিছুমান নিয়মানুৱর্তিতা দেখা যায়। ইয়াৰ বাবেই কোনেও ন-দি ক'ব নোৱাৰে যে অতীতত যিটো প্রত্যক্ষ কৰা হৈছিল, বর্তমানতো তাৰেই পুনৰাবৃত্তি হ'ব আৰু বর্তমানত যিটো হৈছে ভৱিষ্যতেও হ'ব।

চার্বাকসকলে কার্য্য-কাৰণবাদ আৰু ইয়াৰ নিত্য-অব্যভিচাৰী সম্বন্ধটো স্বীকাৰ নকৰে। তেওঁলোকে ধোঁৱা আৰু জুইৰ সম্পর্কটোক দুটা ঘটনাৰ পাৱস্পৰিক ধাৰাবাহিকতা বুলি কয়। যদিও দুয়োটাকে ধাৰাবাহিকভাৱে প্রত্যক্ষ কৰা হয়, কিন্তু সিহঁতৰ মাজৰ কোনো অবিচ্ছেদ্য সম্বন্ধ প্রত্যক্ষ কৰিব নোৱাৰি। কাৰণ সূত্রটো পূবৱর্তী আৰু পশ্চাৎৱর্তী ঘটনা দুটাৰ কাল্পনিক সম্পর্কহে মাথোন। এই সম্পর্কটোক প্রত্যক্ষ কৰিব নোৱাৰি। অৱশ্যে ইয়াক একেবাৰে অস্বীকাৰো কৰা নাই। কিন্তু ইয়াৰ ব্যাপ্তি সম্পর্ক সম্বন্ধে প্রত্যক্ষবাদীসকলে যুক্তি আগবঢ়াব পৰা নাই।

খ) **আত্মা সম্পর্কে মতামত ঃ** চার্বাকসকলৰ মতে মাটি, পানী, জুই আৰু বতাহেই হ'ল জড় আৰু জীৱজগতৰ মৌলিক উপাদান। এই উপাদানসমূহৰ স্বভাৱজাত গুণৰ পৰাই স্বতঃস্ফূর্তভাৱে দৈহিক বস্তুবোৰ গঠিত হৈছে। এই উপাদানসমূহক সুসংগঠিত কৰাৰ বাবে কোনো বৌদ্ধিক সত্তাৰো প্রয়োজন নহয়। এইবোৰৰ নিজস্ব স্বাভাৱিক লক্ষণৰ দ্বাৰা পৰিচালিত হৈ বস্তুৰ সৃষ্টি হয়। আকৌ চার্বাকসকলৰ মতে সৃষ্টিৰ বাবে কোনো নির্দিষ্ট নিয়মো প্রত্যক্ষৰ দ্বাৰা পোৱা নাযায়। সেইবাবেই চার্বাকসকলৰ সৃষ্টিতত্ত্বক স্বভাৱবাদ বা যদৃচ্ছাবাদ বুলি কোৱা হয়।

চার্বাক দর্শনে চেতনাসমূহৰ অন্তৰালত মন বা আত্মা বোলা এটা অপৰিবর্তনীয়, নিত্য সত্তাৰ অস্তিত্ব অস্বীকাৰ কৰিছে। কাৰণ প্রত্যক্ষৰ দ্বাৰা তেনে কোনো সত্তাৰ অস্তিত্বক জানিব নোৱাৰি। সাধাৰণতে মানুহে যাক আত্মা বুলি কয়, সি চৈতন্যবিশিষ্ট দেহৰ বাহিৰে আন একো নহয় (চৈতন্যবিশিষ্ট দেহ এৰ আত্মা)। চার্বাক দর্শনৰ মতে চাৰি ভূতৰ সমাহা�ৰত চৈতন্য সৃষ্টি হয়। এই চৈতন্য আকৌ প্রত্যেকতে বেলেগে বেলেগে নাথাকে। যেনেদৰে তামোল-পাণ আৰু চূণ একেলগে খালে তাৰপৰা ৰঙা ৰং বাহিৰ হয়, ঠিক তেনেদৰে চাৰিভূতৰ সমাহাৰত চৈতন্য সৃষ্টি হয়। মাটি, পানী, জুই আৰু বতাহতো চৈতন্য বেলেগে বেলেগে নাথাকে।

গ) **ঈশ্বৰ সম্পর্কে মতামত ঃ** চার্বাক দর্শনত ঈশ্বৰ আদি কোনো পাৰলৌকিক বা পাৰমার্থিক সত্তাৰ ধাৰণা পোৱা নাযায়। তেওঁলোকে দৃশ্যমান জগতখনকহে বিশ্বাস কৰে। এই দর্শনে প্রত্যক্ষক যথার্থ জ্ঞান লাভৰ একমাত্র প্রমাণ ৰূপে স্বীকাৰ কৰি ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰিছে। যিহেতু অতীন্দ্রিয় ঈশ্বৰ প্রত্যক্ষৰ বিষয় নহয়, গতিকে ঈশ্বৰৰ কোনো অস্তিত্ব নাই। চার্বাকৰ মতে অনুমান অসিদ্ধ, গতিকে অনুমানৰ দ্বাৰাও ঈশ্বৰৰ অস্তিত্ব প্রমাণ কৰিব নোৱাৰি। চার্বাকসকলে ৰজাকেই ঈশ্বৰ বুলি গণ্য কৰে (লোকসিদ্ধো ৰাজা



ঈশ্বৰত বিশ্বাসী দর্শনসমূহে ঈশ্বৰক এই চৰাচৰ জগত সৃষ্টিৰ নিমিত্ত কাৰণ ৰূপে গ্রহণ কৰে। ঘট এটা সৃষ্টিৰ ক্ষেত্রত কুম্ভকাৰ হ'ল নিমিত্ত কাৰণ।

পৰমেশ্বৰঃ —সর্বদর্শন সংগ্রহ)। ৰজা হ'ল ৰাজ্যৰ শাসক আৰু ৰজাৰ কার্য্য হ'ল প্রজাসকলৰ সুখ-শান্তি বিধান কৰা।

আস্তিক দর্শনত ঈশ্বৰৰ ধাৰণাটো আহিছে বৈদিক দেৱতাসকলৰ পৰা। চার্বাক দর্শনৰ মতে বেদত যিবোৰ দেৱতাৰ কথা আছে সেইবোৰ মানুহৰ বাহিৰে আন একো নহয়। তেওঁলোকৰ মতে কিছুমান মানুহকে বেদৰ দিনত দেৱতাৰ শাৰীলৈ উন্নীত কৰা হৈছিল।

চার্বাকসকলে মত দাঙি ধৰিছে যে জগত সৃষ্টিৰ কাৰণে কোনো নিমিত্ত কাৰণৰ ধাৰণা কৰাৰ প্রয়োজন নাই। ক্ষিতি, অপ্, তেজ আৰু মৰুৎ এই চাৰি মহাভূত নিজ নিজ স্বাভাৰিক নিয়ম অনুযায়ী একত্রিত হৈ জগত ৰচনা কৰে আৰু জাগতিক বস্তুসমূহে উৎপত্তিৰ পাছত স্বভাৱগত নিয়ম অনুযায়ী কার্য্য সম্পাদন কৰি যায়। তেওঁলোকৰ মতে ঈশ্বৰৰ ধাৰণা সৃষ্টি কৰি ঈশ্বৰক পূজা-অর্চনা কৰাৰ বিধান দি ভণ্ড ব্রাহ্মণসকলে তাৰ জৰিয়তে জীৰিকা উপার্জনৰ পথ তৈয়াৰ কৰিছিল। গতিকে চার্বাক দর্শনৰ মতে ঈশ্বৰৰ অস্তিত্বও বিশ্বাস কৰিব পৰা নাযায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ সৃষ্টিৰ মৌলিক উপাদান পঞ্চভূতৰ ভিতৰত কোনটো উপাদান চার্বাকসকলে অস্বীকাৰ কৰে?

.....

.....

প্রশ্ন ৬ ঃ চার্বাক দর্শনে আত্মাক কি হিচাপে অভিহিত কৰে?

.....

প্রশ্ন ৭ ঃ চার্বাক দর্শনৰ মতে চৈতন্য কেনেদৰে সৃষ্টি হয়?

.....

প্রশ্ন ৮ ঃ চার্বাক দর্শনে ঈশ্বৰ ৰূপে কাক স্বীকাৰ কৰে?

.....

৯.৬ চার্বাক দর্শনত নৈতিকতা

চার্বাক দর্শনৰ নৈতিকতা অথবা নীতিশাস্ত্র তেওঁলোকৰ অধ্যাত্মবিদ্যা অথবা অধিবিদ্যাৰ ওপৰত প্রতিষ্ঠিত। চার্বাক অধিবিদ্যা আকৌ চার্বাক জ্ঞান মীমাংসাৰ ওপৰত প্রতিষ্ঠিত অর্থাৎ প্রত্যক্ষই জ্ঞান লাভৰ একমাত্র প্রমাণ বুলি চার্বাকসকলে যি মত দাঙি ধৰিছে সেই দৃষ্টিকোণৰ পৰাই এই দর্শনে সকলো কথা বিবেচনা কৰিছে।

চার্বাকসকলে আত্মাৰ অস্তিত্ব যিহেতু স্বীকাৰ নকৰে, গতিকে আত্মাৰ মুক্তি থকাটোও অসম্ভৱ। তেওঁলোকৰ মতে মুক্তিৰ অর্থ হৈছে মৃত্যু। মৃত্যু নোহোৱা পর্য্যন্ত দুখৰ পৰা হাত সাৰিব নোৱাৰি। দুখৰ মাত্রা কমাবহে পাৰি। মানুহৰ বর্তমান জীৱনটোহে সত্য। ভৰিষ্যতে বা পৰজন্মত

সুখ হ'ব বুলি ভাবি বর্তমান জন্মত সুখভোগ নকৰাকৈ থকাটো মূর্খামিৰ বাহিৰে আন একো নহয়। বর্তমান জীৱনতে সুখ লাভ কৰাটোৱেই মানৰ জীৱনৰ চৰম লক্ষ্য হ'ব লাগে। জীৱনত দুখ থাকিব বুলিয়েই সুখক পৰিত্যাগ কৰিব বিচৰাজন মূর্খ। কাঁইট থকা বাবে মাছ বর্জন কৰা, বাকলি টান বুলি চাউল খাবলৈ বাদ দিয়া কার্য্য মূর্খামিহে মাত্র।

ভাৰতীয় দর্শনত পোৱা চাৰি পুৰুষার্থৰ ভিতৰত অর্থ আৰু কামকহে চার্বাক দর্শনে স্বীকাৰ কৰে। মোক্ষ আৰু ধর্মক পুৰুষার্থ বুলি স্বীকাৰ নকৰে। তেওঁলোকৰ মতে মৃত্যুৱেই অপবর্গ বা মোক্ষ। গতিকে মৃত্যু পুৰুষার্থ হ'ব নোৱাৰে। ধর্মশাস্ত্রবোৰে উল্লেখ কৰা ধর্ম বুলিও কোনো বস্তু নাই। চার্বাকৰ মতে বুদ্ধিমান ব্যক্তিয়ে কাম আৰু অর্থক পুৰুষার্থ হিচাপে স্বীকাৰ কৰি তাক লাভ কৰিবৰ কাৰণে সচেষ্ট হ'ব লাগে। কাম বা সুখ হ'ল মুখ্য পুৰুষার্থ। আনহাতে, অর্থ হ'ল গৌণ পুৰুষার্থ। ই হ'ল সুখ লাভৰ উপায় মাত্র।

চার্বাক দর্শনৰ মতে বৈদিক যাগ যজ্ঞও অলাগতিয়াল। স্বর্গ, নৰক, ধর্ম, অধর্ম, পাপ, পুণ্য আদিৰ প্রকৃততে কোনো অস্তিত্ব নাই। তেওঁলোকৰ মতে বৈদিক যাগ-যজ্ঞত বধ কৰা জন্তুবোৰ যদি স্বর্গলৈ যায়, তেন্তে মানুহেও নিজৰ আপোনজনক স্বর্গলৈ পঠোৱাৰ ব্যৱস্থা কৰিব পাৰে। শ্রাদ্ধত দিয়া পিণ্ড যদি মৃত ব্যক্তিয়ে খাব পাৰে, তেন্তে ঘৰত ৰান্ধি থোৱা ভাতো এজন মানুহে দূৰত থাকিয়েই খাব পাৰিব লাগিব। কিন্তু বর্তমানত সেইয়া সম্ভৱ নহয়। চার্বাকসকলৰ মতে নৈতিকতাক বাদ দি ধর্ম থাকিব নোৱাৰে। নৈতিকতা নিহিত থাকে সুখ আহৰণত। সুখ আহৰণৰ সকলো প্রকাৰৰ কামেই ধর্মীয় কাম।



জানি থোৱা ভাল

ভাৰতবর্ষৰ প্রায়বোৰ দার্শনিক সম্প্রদায়ৰে মূল গ্রন্থ পোৱাৰ দৰে কিন্তু চার্বাক দর্শনৰ মূল গ্রন্থ তেনেকৈ পাবলৈ নাই। জয়ৰথৰ "তত্ত্বপপ্লৱসিংহ" নামৰ গ্রন্থখনহে একমাত্র মূলগ্রন্থ বুলি স্বীকাৰ কৰা হয়। 'বৃহস্পতিসূত্র'তো ইয়াৰ মূল কথাখিনি পোৱা যায়। মাধৱাচার্যৰ 'সর্বদর্শনসংগ্রহ' আৰু হৰিভদ্রসূৰীৰ 'ষড়দর্শনসমুচ্চয়'ত এই দর্শনৰ বিস্তৃত বিৱৰণ পোৱা যায়। বৌদ্ধ দার্শনিক শান্তৰক্ষিতৰ 'তত্ত্ব-সংগ্রহ', সদানন্দ যতিৰ 'অদ্বৈতব্রহ্মসিদ্ধি', শংকৰাচার্য্যৰ 'বেদান্তসূত্রভাষ্য', জয়ন্তভট্টৰ 'ন্যায়মঞ্জৰী' আদি গ্রন্থত চার্বাকৰ বিভিন্ন অভিমত পোৱা যায়। শ্রীকৃষ্ণমিশ্রৰ 'প্রবোধচন্দ্রোদয়' শ্রীহর্ষৰ 'নৈষধচৰিত' নাটকত চার্বাক মতৰ উল্লেখ পোৱা যায়। ইয়াৰ উপৰিও সুপ্রাচীন গ্রন্থ কঠোপনিষদ, ছান্দোগ্য উপনিষদ, বৃহদাৰণ্যক উপনিষদ, বিষ্ণুপুৰাণ, মহাভাৰতৰ শান্তিপর্ব আৰু শল্যপর্বত চার্বাক মতবাদৰ আভাস পোৱা যায়। অৱশ্যে সৰহ সংখ্যক গ্রন্থত চার্বাক মতক খণ্ডন কৰাহে পৰিলক্ষিত হয়।

মূল গ্রন্থ উপলব্ধ নোহোৱা বাবে চার্বাক দর্শনৰ মূল তত্ত্বসমূহৰ পিছলৈ বিকৃত ব্যাখ্যা হোৱা বুলি পণ্ডিতসকলে অনুমান কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৯ ঃ চার্বাক দর্শনৰ মতে 'মোক্ষ' কি?

.....

প্রশ্ন ১০ ঃ চার্বাক দর্শনৰ মতে 'পুৰুষার্থ' কি?

.....

.....

প্রশ্ন ১১ ঃ 'তত্ত্বপল্লৱসিংহ' গ্রন্থখনৰ ৰচয়িতা কোন?

.....

প্রশ্ন ১২ ঃ 'সর্বদর্শনসংগ্রহ' কোনে ৰচনা কৰে?

.....

প্রশ্ন ১৩ ঃ 'তত্ত্ব-সংগ্রহ' ৰ ৰচক কোন?

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চার্বাক দর্শনৰ চমু পৰিচয় জানিব পাৰিলোঁ।
- চার্বাক শব্দৰ অর্থ জানিব পাৰিলোঁ।
- চার্বাক দর্শনত জ্ঞানতত্ত্বৰ ভূমিকা সম্পর্কে অৱগত হ'ব পাৰিলোঁ।
- চার্বাক দর্শনৰ অধ্যাত্ম-তত্ত্বৰ লগত পৰিচয় হ'ব পাৰিলোঁ।
- চার্বাক নীতিতত্ত্বৰ গুৰুত্ব সম্পর্কে জানিব পাৰিলোঁ।



৯.৮ অধিক জানিবলৈ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); ভাৰতীয় দর্শনত এভুমুকি; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৩) সেনগুপ্ত, প্রমোদ বন্ধু (১৯৮৩); *ভাৰতীয় দর্শন* (দ্বিতীয় খণ্ড); কলকাতা ঃ ব্যানার্জী পাব্লিশ্যার্ছ।

৯.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ চার্বাকসকলৰ জীৱনাদর্শ হ'ল— জীয়াই থকালৈকে সুখেৰে জীয়াই থকা উচিত আৰু ধাৰ কৰি হ'লেও ঘিউ খোৱা উচিত।

২নং প্রশ্নৰ উত্তৰ ঃ যি মতবাদ অনুযায়ী অচেতন জড়তেই একমাত্র সত্তা আছে আৰু জগতৰ সকলোবোৰ জড়ৰ পৰাই উৎপত্তি হৈছে, তাকে জড়বাদ বোলে।

৩নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনে এটা মাত্র প্রমাণ স্বীকাৰ কৰে - প্রত্যক্ষ।

৪নং প্রশ্নৰ উত্তৰ ঃ জ্ঞানতত্ত্বৰ আলোচনাই হ'ল চার্বাকসকলৰ দার্শনিক তত্ত্ববাদৰ মূল ভিত্তি।

৫নং প্রশ্নৰ উত্তৰ ঃ সৃষ্টিৰ মৌলিক উপাদান— পৃথিৱী, পানী, জুই বায়ু আৰু আকাশৰ ভিতৰত চার্বাকসকলে আকাশক অস্বীকাৰ কৰে।

৬নং প্রশ্নৰ উত্তৰ ঃ চার্বাকসকলৰ মতে চৈতন্যবিশিষ্ট দেহেই আত্মা।

৭নং প্রশ্নৰ উত্তৰ ঃ চাৰিভূত অর্থাৎ মাটি, পানী, বায়ু আৰু জুইৰ সমাহাৰত চৈতন্য সৃষ্টি হয়।

৮নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনে ৰজাকেই ঈশ্বৰৰূপে স্বীকাৰ কৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনৰ মতে মৃত্যুৱেই অপবর্গ বা মোক্ষ।

১০নং প্রশ্নৰ উত্তৰ ঃ ধর্ম, অর্থ, কাম আৰু মোক্ষ হ'ল ভাৰতীয় দর্শনৰ চাৰি পুৰুষার্থ। ইয়াৰে কাম আৰু অর্থকহে চার্বাক দর্শনে পুৰুষার্থ হিচাপে স্বীকাৰ কৰে।

১১নং প্রশ্নৰ উত্তৰ ঃ জয়ৰথ।

১২নং প্রশ্নৰ উত্তৰ ঃ মাধৱাচার্য্য।

১৩নং প্রশ্নৰ উত্তৰ ঃ শান্তৰক্ষিত।

৯.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'চার্বাক' শব্দৰ অর্থ বুজাই লিখক।

প্রশ্ন ২ ঃ চার্বাক দর্শনৰ মতে 'কাৰণ তত্ত্ব' ব্যাখ্যা কৰক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'চার্বাক দর্শনত নৈতিকতা'ৰ বিষয়ে আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ চার্বাক দর্শনৰ জ্ঞানতত্ত্বৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ জৈন দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ জৈন দর্শনৰ প্ৰাচীনতা
১০.৪ জৈন দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস
১০.৪.১ জৈন জ্ঞানতত্ত্ব
১০.৪.২ স্যাদ্‌বাদ
১০.৪.৩ সপ্তভঙ্গীন্যায়
১০.৪.৪ জৈন অধ্যাত্মবাদ
১০.৪.৫ জৈন নীতিতত্ত্ব
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্ৰগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জৈন দর্শনৰ প্ৰাচীনতা সম্পর্কে জানিব পাৰিব।
- জৈন দর্শনৰ জ্ঞান তত্ত্বৰ বিষয়ে অৱগত হ'ব
- জৈন দর্শনৰ অধ্যাত্মতত্ত্বৰ লগত পৰিচয় হ'ব পাৰিব
- জৈন নীতিতত্ত্বৰ গুৰুত্ব সম্পর্কে জানিব পাৰিব।

১০.২ পৰিচয়

আপুনি ইতিমধ্যে ভাৰতীয় দর্শনৰ তিনিটা নাস্তিক সম্প্ৰদায়ৰ ভিতৰত চার্বাক দর্শনৰ বিষয়ে জানিব পাৰিলে। নাস্তিক দর্শনৰ আন এটি উল্লেখযোগ্য শাখা হ'ল— জৈন দর্শন। এই দর্শনৰ সঠিক বুৰঞ্জী পাবলৈ টান যদিও মহাবীৰ বা বর্ধমানৰ সময়ৰ পৰাই জৈন দর্শনৰ লিখিত ইতিহাস পোৱা যায়। জৈন বিশ্বাস মতে চৌব্বিশজন **তীর্থঙ্কৰ**ৰ যোগেদি অনাদিকালৰেপৰা জৈন মতবাদ প্ৰচলিত হৈ আহিছে। এই তীর্থঙ্কৰসকলৰ ভিতৰত প্ৰথমজনৰ নাম ঋষভ আৰু একেবাৰে শেষৰ জনৰ নাম আছিল মহাবীৰ। মহাবীৰে আগৰে পৰা চলি থকা ধর্মমতবোৰ কিছু সালসলনি কৰি প্ৰাকৃত ভাষাত ইয়াৰ নতুন ৰূপ দাঙি ধৰে বুলি কোনো কোনোৱে ক'ব খোজে। জৈন দর্শনে



তীর্থঙ্কৰ ঃ জীৱ বা মুক্ত আত্মাবোৰক তীর্থঙ্কৰ বোলা হয়।

ঈশ্বৰৰ অস্তিত্ব আৰু বেদৰ প্ৰামাণ্য অস্বীকাৰ কৰিছে, কিন্তু আত্মাৰ অস্তিত্ব অস্বীকাৰ কৰা নাই। তেওঁলোক বাস্তৱবাদী আৰু বহুসত্তাবাদী। অহিংসা আৰু সত্যই এই দর্শনত সর্বাধিক গুৰুত্ব লাভ কৰিছে।

এই অধ্যায়ত আপুনি জৈন দর্শনৰ উৎপত্তি, জৈন দর্শনৰ বিভিন্ন তত্ত্ব— জ্ঞানতত্ত্ব, অধ্যাত্মতত্ত্ব, নীতিতত্ত্ব আদিৰ বিষয়ে জানিব পাৰিব। জৈন দর্শনে নৈতিকতাৰ ওপৰত যে সর্বাধিক গুৰুত্ব আৰোপ কৰিছে তাৰ কিছু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে। জ্ঞানতত্ত্ব আৰু অধ্যাত্মতত্ত্বৰ সহায়েৰে জৈনসকলে নীতিতত্ত্বৰ ভেটি যে সুদৃঢ় কৰি তুলিছে সেই বিষয়েও এই অধ্যায়ত আলোচনা কৰা হৈছে।

১০.৩ জৈন দর্শনৰ প্ৰাচীনতা

জৈন দর্শন অতি প্ৰাচীন দর্শন। যজুর্বেদত ঋষভ, অজিতনাথ আৰু অৰিষ্টনেমি নামেৰে তিনি গৰাকী তীর্থঙ্কৰৰ নাম উল্লেখ থকাটোৱে ইয়াৰ প্ৰাচীনতাকে সূচিত কৰে। জৈন ধর্মৰ প্ৰৱর্তক মহাবীৰৰ আৱির্ভাৱ কাল আনুমানিক খ্ৰীষ্টপূর্ব ষষ্ঠ শতিকা। তেওঁ গৌতম বুদ্ধৰ সমসাময়িক। কোনো কোনো পণ্ডিতৰ মতে মহাবীৰে ১২ বছৰ বয়সতে সংসাৰ ত্যাগ কৰি সন্যাস ধর্ম গ্ৰহণ কৰে আৰু বহু বছৰ ধৰি সাধনা কৰে আৰু অৱশেষত সাধনাত সিদ্ধিলাভ কৰে। চৌব্বিশজন তীর্থঙ্কৰক জৈন ধর্মৰ প্ৰচাৰক বুলি ক'লেও বস্তুতঃ মহাবীৰকেই জৈন ধর্মৰ প্ৰৱর্তক আৰু প্ৰতিষ্ঠাতা বুলি ধাৰণা কৰা হয়।

জৈন দর্শনে তীর্থঙ্কৰসকলকে সিদ্ধ পুৰুষ হিচাপে মানি আহিছে আৰু সেইসকল সিদ্ধ পুৰুষকে উপাসনা কৰি আহিছে। তেওঁলোক বাস্তৱবাদী আৰু বহুসত্তাবাদী। জগতৰ স্বতন্ত্ৰ অস্তিত্ব তেওঁলোকে স্বীকাৰ কৰে। অৱশ্যে অহিংসা আৰু সত্যই এই দর্শনত অধিক গুৰুত্ব লাভ কৰিছে।

কালক্ৰমত জৈন ধর্মৰ অনুগামীসকল দিগম্বৰ আৰু শ্বেতাম্বৰ নামে দুটা সম্প্ৰদায়ত বিভক্ত হয়। দুয়োটা সম্প্ৰদায়ে তীর্থঙ্কৰসকলৰ উপদেশ মানি চলে যদিও জীৱন ধাৰণৰ আচৰণ বিধি মানি চলাৰ ক্ষেত্ৰত কিছুমান পার্থক্য পৰিলক্ষিত হয়। ধর্মীয় আচাৰ-অনুষ্ঠানৰ বিষয়ত দিগম্বৰ সম্প্ৰদায় অত্যন্ত কঠোৰ। কিন্তু ধর্মীয় আচাৰ অনুষ্ঠানত তুলনামূলকভাৱে শ্বেতাম্বৰ সম্প্ৰদায় উদাৰ।

জৈন দর্শনৰ বহুতো গ্ৰন্থৰ ভিতৰত প্ৰায় ৪১খন সূত্ৰগ্ৰন্থ, কিছুমান প্ৰকীর্ণক বা অশ্ৰেণীভুক্ত গ্ৰন্থ, বাৰটা ভাষ্য আৰু এখন মহাভাষ্য উল্লেখযোগ্য। পৰৱর্তী সময়ত এইবোৰ গ্ৰন্থৰ ওপৰত ভিত্তি কৰি জৈন দর্শনৰ গ্ৰন্থসমূহ ৰচিত হয়। অর্ধ-মাগধী, প্ৰাকৃত, সংস্কৃত আদি ভাষাত এই গ্ৰন্থসমূহ ৰচনা কৰা হৈছিল।

ভাৰতীয় অন্যান্য দার্শনিক সম্প্ৰদায়ৰ লগত জৈন দর্শনৰ কিছু কিছু বিষয়ৰ মিল দেখা যায়। জৈন দর্শনৰ তত্ত্ববোৰ তিনিটা মুখ্য ভাগত ভাগ কৰিব পাৰি— জ্ঞানতত্ত্ব, অধ্যাত্মতত্ত্ব আৰু নীতিতত্ত্ব।

১০.৪ জৈন দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস

আপুনি এই অংশত জৈন দর্শনৰ মূল তত্ত্বসমূহ; যেনে— জ্ঞানতত্ত্ব, স্যাদ্‌বাদ, সপ্তভঙ্গী-ন্যায়, অধ্যাত্মতত্ত্ব, নীতিতত্ত্ব, আত্মা, মুক্তি আদিৰ বিষয়ে জানিব পাৰিব।

১০.৪.১ জৈন জ্ঞানতত্ত্ব

জৈন দর্শনৰ মতে জ্ঞাতা আৰু জ্ঞেয়ৰ সম্বন্ধৰ পৰাই জ্ঞানৰ উৎপত্তি হয়। এই দুয়োটাৰ ভিতৰত যিকোনো এটাৰ অনুপস্থিতিত জ্ঞানৰ উৎপত্তি হ'ব নোৱাৰে। আত্মা হ'ল জ্ঞাতা আৰু জ্ঞেয় বহির্জগতৰ অচেতন বস্তুও হ'ব পাৰে অথবা সুখ-দুঃখ প্ৰভৃতি মানসিক বৃত্তিও হ'ব পাৰে। জৈনসকলে চেতনাৰ বাহিৰে বস্তুৰ স্বতন্ত্ৰ অস্তিত্বত বিশ্বাস কৰে। জ্ঞেয় বস্তু চৈতন্যতকৈ পৃথক। চাকিৰ পোহৰে যেনেদৰে অন্য বস্তু পোহৰাই তোলে তেনেদৰে চৈতন্যই অন্য বস্তুক প্ৰকাশিত কৰে।

জৈন দর্শনৰ মতে চৈতন্য হৈছে জীৱৰ এক অবিচ্ছেদ্য গুণ। তেওঁলোকৰ মতে জীৱই আত্মা। ই সর্বজ্ঞ, সর্বব্যাপী আৰু সর্বশক্তিমান। জৈনসকলে বহু আত্মাৰ অস্তিত্বত বিশ্বাস কৰে। জীৱৰপাৰমার্থিক সত্তা অজীৱৰ সংস্পর্শত প্ৰভাৱিত হয়। জীৱ আৰু অজীৱৰ সম্পর্কই জৈন দর্শনৰ বৈশিষ্টপূর্ণ জ্ঞানতত্ত্বৰ ব্যাখ্যা দাঙি ধৰে। চৈতন্য স্বৰূপ জীৱ স্বপ্ৰভাসিত। অর্থাৎ কোনো প্ৰকাৰৰ বাধা নাপালে পোহৰৰ দৰে স্বপ্ৰভাসিত হোৱাৰ লগতে সকলো বস্তুকে জানিব পাৰে। কিন্তু জীৱ বা আত্মাৰ জ্ঞান সীমিত। ইয়াৰ স্বপ্ৰভাসিত গুণ 'কর্ম'ৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়। এই কর্মই অবিদ্যা। কর্মৰূপী দেহ-মনেই জ্ঞান লাভৰ পথত বাধাৰ সৃষ্টি কৰে। গতিকে ইয়াৰ সংযোগ ত্যাগ কৰি সম্যক জ্ঞান লাভ কৰিব পাৰিলে জীৱই মোক্ষ লাভ কৰে।

জ্ঞানৰ স্বৰূপ আৰু বিভাগ ঃ জৈন দর্শনত জ্ঞানক পৰোক্ষ আৰু অপৰোক্ষ —এই দুভাগত ভাগ কৰিছে। কোনো কর্মৰ দ্বাৰা বাধা নোপোৱাকৈ আত্মাই যেতিয়া বস্তুৰ সত্তাক ইন্দ্ৰিয়াদিৰ সহায় নোলোৱাকৈ জানিব পাৰে, তাকেই প্ৰকৃততে অপৰোক্ষ জ্ঞান বোলে। মানসিক ভাৱ-অনুভূতি আদি সম্পর্কে লাভ কৰা জ্ঞানসমূহ অপৰোক্ষ জ্ঞান। জৈনসকলে অপৰোক্ষ জ্ঞান তিনি ভাগত ভাগ কৰিছে; যেনে— অৱধি জ্ঞান, মনঃপর্য্যায় জ্ঞান আৰু **কেৱল** জ্ঞান। যেতিয়া জীৱই আংশিকভাৱে কর্মক নিধন কৰিব পাৰে তেতিয়া তেওঁ বস্তু সম্পর্কে এটা অস্পষ্ট সাক্ষাৎ জ্ঞান লাভ কৰিব পাৰে।এনেকুৱা জ্ঞান যিহেতু সীমিত, গতিকে ইয়াক অৱধি (সীমিত) জ্ঞান বোলে।



কেৱল মানে শুদ্ধ।

যেতিয়া জীৱই হিংসা, ঈর্ষা আদি ত্যাগ কৰিব পাৰে, তেতিয়া আনৰ মনৰ অতীত আৰু বর্তমান আদিক জানিব পাৰে। এনেকুৱা জ্ঞানক মনঃ পর্য্যায় জ্ঞান বোলে।

যেতিয়া জীৱৰ সকলো প্ৰকাৰৰ কর্ম ক্ষয় হৈ ইন্দ্ৰিয়াদি তথা মন আয়ত্ত হয় তেতিয়া সকলো জৈৱিক ৰিপুসমূহ, সাংসাৰিক কামনা-বাসনা, লোভ-মোহাদি নাইকীয়া

হয়। মানুহে তেতিয়া চৈতন্যময় শুদ্ধ অৱস্থা এটা লাভ কৰে। এই অৱস্থাত জীৱ মুক্ত, অসীম হয় আৰু ভূত-ভৱিষ্যৎ, বৰ্তমান সকলোৰে সাক্ষাৎ জ্ঞান লাভ কৰিব পাৰে। এই অৱস্থাকে কৈৱল্য বোলে। এই অৱস্থাত লাভ কৰা জ্ঞানকে কেৱল জ্ঞান বোলে।

ইন্দ্রিয়ৰ মাধ্যমেৰে জীৱই যি জ্ঞান লাভ কৰে তাক পৰোক্ষ জ্ঞান বোলে। এই জ্ঞান দুবিধ— মতি আৰু শ্রুত। ইন্দ্রিয় আৰু মনৰ মাধ্যমত মতি জ্ঞান লাভ হয়; যেনে— স্মৃতি, অনুমান আদি। প্রামাণ্য জ্ঞানক শ্রুত বোলে। বেদ, শ্রুতি আদি গ্রন্থ বা কোনো বিশ্বাসযোগ্য ব্যক্তিৰ উক্তি, বাণী আদিৰ পৰা যি জ্ঞান লাভ হয় তাকে শ্রুত বোলে।

মতি জ্ঞানৰ কেইবাটাও স্তৰ আছে— অবগ্রহ, ঈহা, অবায় আৰু ধাৰণা। প্রথমতে জীৱই ইন্দ্রিয়ৰ মাধ্যমেৰে এক নির্দিষ্ট সংবেদন পায়। কিন্তু সংবেদন কিহৰ সেই বিষয়ে নাজানে। এই প্রাথমিক অনুভূতিৰ চেতনাক অবগ্রহ বোলে। ইয়াৰ পিছৰ স্তৰত সেই অনুভূতিৰ সম্পর্কে জানিবলৈ প্রশ্ন জাগে। মনৰ এই অৱস্থাটোকে ঈহা বোলে। ইয়াৰ পিছৰ স্তৰত অনুভূতি সম্পর্কে এটা সিদ্ধান্ত হয়। এই স্থিৰ সিদ্ধান্তটোক অবায় বোলে। সর্বশেষত সিদ্ধান্তটোক জ্ঞান ৰূপে মনত সঞ্চিত কৰা হয়, ইয়াকে ধাৰণা বোলে।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে জৈন দর্শনে বেদৰ প্রামাণ্য স্বীকাৰ কৰা নাই। আনহাতে জ্ঞানৰ ব্যৱহাৰিক প্রয়োজনীয়তাৰ বাবে প্রমাণৰ তিনিটা মূল উপাদানকে গ্রহণ কৰিছে; যেনে— প্রত্যক্ষ, অনুমান আৰু শব্দ বা সাক্ষ্য। প্রত্যক্ষ জ্ঞান হ'ল স্পষ্ট জ্ঞান। অন্য জ্ঞানৰ সহায় নোলোৱাকৈ যেতিয়া কোনো বস্তুৰ সবিশেষ জ্ঞান পোৱা যায় তেতিয়া সেই জ্ঞানেই স্পষ্ট জ্ঞান। এই দর্শনে নির্বিকল্প প্রত্যক্ষৰ অস্তিত্ব আৰু যথার্থতা স্বীকাৰ নকৰে। এই জ্ঞান স্পষ্ট নহয়।

জৈনসকলে দুবিধ অনুমানৰ কথা কয়— স্বার্থানুমান আৰু পৰার্থানুমান। স্বার্থানুমানত অনুমান কৰোতাজনে প্রথমতে হেতু আৰু ব্যাপ্তিক জানি লৈ সিদ্ধান্তলৈ গতি কৰে। পৰার্থানুমানত কিছুমান অৱয়বৰ আলম লৈহে সিদ্ধান্তলৈ যাব লগা হয়। এই অৱয়ব দুটাৰ পৰা দহোটা পর্য্যন্ত হ'ব পাৰে।

শব্দজ্ঞান আপ্তবচনৰ পৰা হোৱা জ্ঞান। যি সত্য কথা কয়, যি কামনা-বাসনা, লোভ-মোহ অতিক্রম কৰিব পাৰে তেৱেঁই আপ্ত। জৈনসকলে শব্দজ্ঞানক দুই ভাগত ভাগ কৰিছে— লৌকিক আৰু লোকোত্তৰ। সাধাৰণ বিশ্বাসযোগ্য ব্যক্তিৰ বচন হ'ল লৌকিক আৰু তীর্থঙ্কৰৰ কথা হ'ল লোকোত্তৰ।



জানি থোৱা ভাল

ক) জৈন দর্শনৰ উল্লেখযোগ্য গ্রন্থ— উমাস্বামীৰ 'তত্ত্বার্থাধিগমসূত্র' বা 'তত্ত্বার্থসূত্র' এখনি উল্লেখযোগ্য গ্রন্থ। এই গ্রন্থৰ ওপৰত লিখা ভাষ্য হ'ল— পূজ্যপাদৰ 'সর্বার্থসিদ্ধি', বিদ্যানন্দী স্বামীৰ 'তত্ত্বার্থশ্লোকবার্তিক',

অকলঙ্কদেৱৰ 'ৰাজবার্তিক' আদি। ইয়াৰ উপৰিও অমৃতচন্দ্র সূৰিৰ 'তত্ত্বার্থসাৰ', কুণ্ডাচার্য্যৰ 'পঞ্চাস্তিকায়সময়সাৰ', নেমিচন্দ্রৰ 'দ্রব্যসংগ্রহ', সিদ্ধসেন দিবাকৰৰ 'ন্যায়াৱতাৰ', 'জৈন তর্কবার্তিক', মল্লিসেনৰ 'স্যাদ্বাদমঞ্জৰী' আদি উল্লেখযোগ্য গ্রন্থ।

খ) জৈন দার্শনিকসকলে বেদৰ প্রামাণ্য স্বীকাৰ নকৰে। তেওঁলোকে কেৱল তীর্থঙ্কৰসকলৰ বচনৰ প্রামাণ্যহে স্বীকাৰ কৰে। কাৰণ তীর্থঙ্কৰসকল সিদ্ধ পুৰুষ আৰু সর্বজ্ঞ ব্যক্তি। জৈনসকলে বিশ্বাস কৰে যে তেওঁলোকে তীর্থঙ্কৰসকলৰ পৰা বহুতো অতীন্দ্রিয় বিষয় সম্পর্কে জ্ঞান লাভ কৰে, যিবোৰ তেওঁলোকৰ পক্ষে নিজৰ সীমিত ইন্দ্রিয় আৰু বিচাৰ শক্তিৰ দ্বাৰা লাভ কৰাটো সম্ভৱপৰ নহয়।

১০.৪.২ স্যাদ্বাদ বা জৈন পৰামর্শবাদ

জৈন দর্শনৰ স্যাদ্বাদ মতবাদটো অতি বৈশিষ্টপূর্ণ মতবাদ। স্যাদ্বাদ শব্দটোৰ অর্থ 'সম্ভৱত' বা 'একপক্ষে' অর্থাৎ হ'বও পাৰে নহ'বও পাৰে। তেওঁলোকৰ মতে বস্তুময় জগতখনৰ যথার্থতা সম্পর্কে কোনো প্রকাৰৰ নিৰপেক্ষ বচন বা পৰামর্শ প্রকাশ কৰিব নোৱাৰি। বস্তু অনন্ত গুণসম্পন্ন। গতিকে বস্তুৰ অনন্ত গুণসমূহ প্রত্যক্ষ কৰি সাধাৰণ মানুহে কোনো নিৰপেক্ষ পৰামর্শ দিব নোৱাৰে। একমাত্র কেৱল জ্ঞানী এজনেহে সম্য দৃষ্টিৰ দ্বাৰা বস্তুৰ এনে বিচিত্র সত্তা প্রত্যক্ষ কৰিব পাৰে। জৈন দর্শনৰ মতে বস্তুৰ সত্তা বহুমুখী। গতিকে স্থান-কাল আৰু ব্যক্তিবিশেষে নিজা নিজা দৃষ্টিভঙ্গীৰে সত্যৰ এটা আংশিক জ্ঞানহে লাভ কৰিব পাৰে।এনে আংশিক জ্ঞানক জৈনসকলে 'নয়' বুলি উল্লেখ কৰিছে। সাধাৰণতে বস্তু এটা যি দৃষ্টিকোণৰ পৰা লক্ষ্য কৰা হয়, তাৰ ওপৰত নির্ভৰ কৰিয়েই সেই সিদ্ধান্ত কৰা হয়।এনে আপেক্ষিক আৰু সীমিত পৰামর্শক নিৰপেক্ষ বুলি প্রকাশ কৰাৰ ফলত সত্য সম্পর্কে নানাজনৰ নানামতৰ সৃষ্টি হয়, ফলত অনেকান্তবাদৰ উৎপত্তি। সেইবাবেই, পৰামর্শটো আপেক্ষিক অর্থত 'এক প্রকাৰে' বুলি প্রকাশ কৰিলে বিষয়বস্তু সম্পর্কে যুক্তিসংগত মত দিয়া বুলি ক'ব পাৰি।

জৈন দর্শনৰ স্যাদ্বাদৰ ভিত্তি হৈছে সত্তাৰ অনির্বচনীয় ৰূপ। জৈন দর্শনৰ মতে কোনোটোৱেই সত্য নহয়, উভয়েই আপেক্ষিক সত্যহে। গতিকে কোনো নিৰপেক্ষ পৰামর্শৰ দ্বাৰা অনির্বচনীয় সত্তাৰ যথার্থতা প্রকাশ কৰিব নোৱাৰি।

স্যাদ্বাদে জৈন দর্শনত গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। এই স্যাদ্বাদৰ অন্তৰালত থকা নীতিয়ে তেওঁলোকক যুক্তিবাদী কৰি তুলিছে। জৈন দর্শনে অন্যান্য দার্শনিক সম্প্রদায়ৰ মতবোৰ অস্বীকাৰ নকৰি সেইবোৰ আংশিক সত্য হিচাপে গ্রহণ কৰিছে আৰু নিজা মতসমূহকো চূড়ান্ত সত্য বুলি দাবী নকৰি সেইবোৰ পৰিশোধন কৰাৰ পথ মুকলি ৰাখিছে।

জৈনসকলে দর্শাত্মক একান্তবাদৰ পৰা মুক্ত থাকি তেওঁলোকৰ তর্কবিজ্ঞান তথা ভাৰতীয় দর্শনৰ তর্কবিজ্ঞানৰ ভেটি সুদৃঢ় কৰিব পাৰিছে তেওঁলোকৰ আপেক্ষিক পৰামর্শবাদৰ জৰিয়তে। অর্থাৎ জৈনসকল অনেকান্তবাদী। প্রতিটো বস্তুৱেই অনেকান্ত, একান্ত নহয়।

১০.৪.৩ সপ্তভঙ্গীন্যায়



সদর্থক ঃ যি বচনত বিধেয়ই উদ্দেশ্যৰ মাজত কোনো গুণৰ অস্তিত্ব স্বীকাৰ কৰে তাক সদর্থক বা অস্তিবাচক বচন বোলে।

নঞর্থক ঃ বিধেয়ই যেতিয়া উদ্দেশ্যত কোনো গুণৰ অস্তিত্ব অস্বীকাৰ কৰে তাক নঞর্থক বা নাস্তিবাচক বচন বোলে।

জৈন দর্শনত অথবা জৈন তর্কবিজ্ঞানত সাতবিধ পৰামর্শ বা বচন স্বীকাৰ কৰা হয়। তর্কবিজ্ঞানত সাধাৰণতে পৰামর্শক দুটা ভাগত ভাগ কৰা হয়— **সদর্থক** আৰু **নঞর্থক**। জৈন দর্শনত এই দুটাকে ধৰি মুঠতে সাতোটা পৰামর্শ আছে। ই স্যাদ্‌বাদৰ ভিত্তিত গঠিত হৈছে। ইয়াকে সপ্তভঙ্গী ন্যায় বোলা হয়। এই পৰামর্শ বা বচনসমূহ কিছুমান প্রতীকৰ সাহায্যত প্রকাশ কৰিব পাৰি। প্রথম বিধ, অস্তিবাচক বচনটো হ'ল 'এক প্রকাৰে 'ক' 'খ' হয়' (স্যাদ্ অস্তি) অর্থাৎ 'এক প্রকাৰে কলহটো ঘৰৰ ভিতৰতে আছে।' দ্বিতীয় বিধ নাস্তিবাচক বচনটো এনেদৰে প্রকাশ কৰিব পাৰি, 'এক প্রকাৰে 'ক' 'খ' নহয় (স্যাদ্ নাস্তি) অর্থাৎ 'এক প্রকাৰে কলহটো নাই'। তৃতীয় বিধ বচন প্রথম আৰু দ্বিতীয় বিধৰ এটা মিশ্রণ। যেনে— 'এক প্রকাৰে 'ক' 'খ' হয় আৰু নহয়ো', অর্থাৎ 'এক প্রকাৰে কলহটো ৰঙা হয় আৰু নহয়ো'। তৃতীয় বিধ বচনৰ পৰা বিষয়বস্তু সম্পর্কে এটা সুস্পষ্ট ধাৰণা কৰিব পাৰি।

বস্তু এটাৰ বৰণ কেনেকুৱা, ই সকলো সময়তে বা সকলো স্থানতে দেখিবলৈ কেনেকুৱা, ইয়াৰ উত্তৰ দিয়াটো কঠিন। গতিকে জৈনসকলে চতুর্থ বিধ বচন আগবঢ়াইছে এনেদৰে, 'এক প্রকাৰে 'ক' 'অনির্বচনীয়' (স্যাদ্ অব্যক্তম্) অর্থাৎ 'এক প্রকাৰে কলহটো অনির্বচনীয়।'

অস্তিবাচক আৰু অব্যক্ত বচন দুটা লগ লাগি পঞ্চম বিধ পৰামর্শ এনে ধৰণৰ হয়, 'ক' হয় 'খ' আৰু অব্যক্ত' (স্যাদ্ অস্তি চ অব্যক্তম্ চ) অর্থাৎ 'এক প্রকাৰে কলহটো ৰঙা, কিন্তু অনির্বচনীয়।' বস্তু এটা যে সকলো সময়তে একে হৈ থাকিব সেইটো নহয় গতিকে অনির্বচনীয় বুলিও ক'ব লাগে।

নাস্তিবাচক আৰু অব্যক্তম্ বচন দুটা একলগ কৰি ষষ্ঠ বিধ বচনৰ ৰূপটো পোৱা যায় এনে ধৰণে, 'এক প্রকাৰে 'ক' 'খ' নহয় আৰু অব্যক্তও'('স্যাদ্ নাস্তি চ অব্যক্তম্ চ) অর্থাৎ 'এক প্রকাৰে কলহটো ৰঙা নহয় আৰু অব্যক্তও।'

তৃতীয় আৰু চতুর্থ বচন দুটা লগ লাগি সপ্তম বিধ অস্তি নাস্তিবাচক অব্যক্ত বচন পোৱা যায়। যেনে— 'এক প্রকাৰে 'ক' 'খ' হয় আৰু নহয় আৰু অব্যক্তও' (স্যাদ্ অস্তি চ নাস্তি চ অব্যক্তম্ চ) অর্থাৎ 'এক প্রকাৰে কলহটো ৰঙা, ঠিক ৰঙাও নহয়, ই অনির্বচনীয়।'

যিকোনো বস্তু সম্পর্কে সত্য উদ্‌ঘাটনৰ বাবে জৈনসকলৰ সপ্তভঙ্গী ন্যায় প্রণালী অতি বৈশিষ্টপূর্ণ। দৰাচলতে সত্তাৰ জটিলতা আৰু অনির্বচনীয়তাই হৈছে জৈনসকলৰ স্যাদ্‌বাদ আৰু সপ্তভঙ্গী ন্যায়ৰ ভিত্তি। তেওঁলোকে সত্তাৰ অস্তিত্ব স্বীকাৰ কৰিছে আৰু এই ন্যায় প্রণালীৰ জৰিয়তে সত্তাৰ অনির্বচনীয় আৰু অব্যক্ত অস্তিত্বও স্বীকাৰ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তীর্থঙ্কৰ কাক বোলা হয়?

.....

প্রশ্ন ২ ঃ জৈন দর্শনৰ মতে জ্ঞান কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৩ ঃ অপৰোক্ষ জ্ঞান কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৪ ঃ মতি জ্ঞানৰ কেইটা স্তৰ আছে?

.....

প্রশ্ন ৫ ঃ জৈনসকলে প্রমাণৰ মূল উপাদান কেইটা স্বীকাৰ কৰে?

.....

প্রশ্ন ৬ ঃ জৈন দর্শনৰ মতে শব্দজ্ঞান কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৭ ঃ জৈনসকলে কেইবিধ পৰামর্শ স্বীকাৰ কৰে?

.....



সত্তা ঃ জৈনসকলে সত্তা বা অস্তিত্বক দ্রব্য বুলি কৈছে। সাধাৰণতে দ্রব্য বুলিলে পদার্থ বুলি ধৰা হয়। কিন্তু জৈন দর্শনত দ্রব্যৰ দুয়োটা অর্থকে গ্রহণ কৰিছে। অর্থাৎ আত্মাকো দ্রব্য বুলি কৈছে আৰু দৈহিক পদার্থবোৰকো দ্রব্যৰ শ্রেণীভুক্ত কৰিছে।

১০.৪.৩ জৈন অধ্যাত্মবাদ

বস্তু এটাৰ স্বৰূপ, **সত্তা**ৰ স্বৰূপ আৰু লক্ষণ, জীৱ আৰু অজীৱই হ'ল জৈন অধ্যাত্মতত্ত্বৰ মুখ্য আলোচ্য বিষয়।

ক) বস্তুৰ স্বৰূপ ঃ জৈনসকলৰ মতে জগত বস্তুময় আৰু বস্তুবোৰ অনন্ত গুণসম্পন্ন। বস্তুৰ দুটা দিশ আছে— ভাৱৰূপ আৰু অভাৱৰূপ। বস্তুৰ ভাৱৰূপটোৱে বস্তুৰ সকলো গুণাগুণ যে অস্তিবাচক তাকেই প্রকাশ কৰে। যেনে— মানুহ এজনৰ ভাবৰূপ হৈছে তেওঁৰ আকৃতি, বৰণ, উচ্চতা, ওজন, জন্ম আদি। অর্থাৎ সেই সকলোবোৰ গুণ তেওঁৰ আছে। আনহাতে, অভাৱৰূপটোৱে বস্তুৰ নাস্তিবাচক বা নথকা অর্থত সকলো গুণ বা পৰিচয়কেই প্রকাশ কৰে। যেনে— তেওঁ শকত নহয়, শিক্ষিত নহয়, ওখ নহয়, বগা নহয় ইত্যাদি গুণসমূহ, যিবোৰ মানুহজনৰ নাই, সেয়ে তেওঁৰ অভাৱৰূপ।

দৰাচলতে ভাৱৰূপ আৰু অভাৱৰূপ যিকোনো বস্তুৰ দুটা দিশ। ভাৱৰূপ আৰু অভাৱৰূপ বিশ্লেষণ কৰিলে এটা কথা বুজিব পাৰি যে বস্তু বা ঘটনা এটাৰ থকা আৰু নথকা অনন্ত গুণৰাজি আমি অনুমান কৰিব নোৱাৰো। তদুপৰি সময়ৰ পৰিৱৰ্তনৰ লগে লগে বস্তুৰ গুণৰাশি পৰিৱৰ্তিত হৈ থাকে, গতিকে তাৰ গুণৰাশিও আগতকৈ অধিক হৈ পৰে। গতিকে পৰিৱৰ্তনৰ মাজত বস্তু বা ঘটনাৰ ভাৱাত্মক আৰু অভাৱাত্মক গুণৰাশি যে অনন্ত সেইয়া স্পষ্ট হৈ পৰে।

খ) **দ্ৰব্য সম্পৰ্কে জনমত ঃ** অনন্ত গুণৰ আধাৰ স্বৰূপ বস্তুকে জৈন দর্শনত দ্ৰব্য বোলা হয়। জৈনসকলৰ মতে দ্ৰব্যৰ ধর্ম বা গুণ দুবিধ— এবিধ নিত্য বা অপৰিহার্য্য আৰু আনবিধ হৈছে অনিত্য। গুণ বা ধর্ম অবিহনে দ্ৰব্য হ'ব নোৱাৰে। যেনে— চেতনা আত্মাৰ অপৰিহার্য্য গুণ বা ধর্ম।আনহাতে, ইচ্ছা, কর্ম, সুখ-দুখ আদি আত্মাৰ অনিত্য ধর্ম। এইবোৰ দ্ৰব্যৰ গৌণ ধর্ম। অনিত্য গুণৰাশিৰ মাধ্যমত দ্ৰব্য পৰিৱৰ্তিত হৈ থাকে। জৈনসকলে দ্ৰব্যৰ নিত্যধর্মক গুণ আৰু অনিত্য ধর্মক পর্য্যায় বুলি কৈছে। গতিকে যাৰ গুণ আছে, পর্য্যায় আছে সিয়েই দ্ৰব্য (গুণ পর্য্যায়াৎ দ্ৰব্যম্)।

জগতখন দ্ৰব্যৰে ভৰপুৰ। নিত্য ধর্ম সম্পন্ন দ্ৰব্যবোৰৰ ফালৰ পৰা জগতখন নিত্য; আনহাতে, অনিত্য দ্ৰব্যবোৰৰ ফালৰ পৰা জগতখন অনিত্য বা অস্থায়ী। অর্থাৎ জৈনমত অনুসৰি নিত্য আৰু অনিত্য দুয়োটাই সত্য। যদিওবা কথাটো আত্মবিৰোধী, তথাপি ভিন্ ভিন্ দৃষ্টিকোণৰ পৰা কথাটো সত্য। জৈনসকলে যিহেতু স্যাদ্বাদ মানি লয়, গতিকে এনেকুৱা আত্মবিৰোধী ভাবটো নাইকিয়া হৈ পৰে। জৈনসকলৰ এই মতটো অনেকান্তবাদ বুলি কোৱা হয়। কাৰণ এই মতবাদ একান্তবাদীসকলৰ বিৰোধী মত। একান্তবাদীসকলে, বিশেষকৈ অদ্বৈতবাদীসকলে পৰিৱর্তন মিছা বুলি কয়, কেৱল মাত্র ব্রহ্মকহে সত্য বুলি কয়। কিন্তু জৈন দর্শনে স্থিতাৱস্থা আৰু পৰিৱর্তন দুয়োটাকে সত্য বুলি মানে।

জৈন দর্শনৰ মতে দ্ৰব্যই একমাত্র সৎ বা সত্তা। ইয়াৰ উৎপত্তি, ধ্বংস আৰু স্থিতি আছে, যি অনন্ত গুণসম্পন্ন। এই সত্তাৰ লক্ষণ তিনিটা— নিত্যতা, উৎপত্তি আৰু ধ্বংস। এই তিনিওটা লক্ষণ দ্ৰব্যত পোৱা যায়।

জীৱ ঃ জৈনসকলে দ্ৰব্যক দুটা বহল ভাগত ভাগ কৰিছে। অস্তিকায় আৰু অনস্তিকায়। যাৰ দেহ বিস্তৃতি আছে সি অস্তিকায় আৰু যাৰ দেহ বিস্তৃতি নাই সি হৈছে অনস্তিকায়। অনস্তিকায় দ্ৰব্য মাত্র এবিধহে— যেনে কাল। অস্তিকায় দ্ৰব্যৰ দুটা ভাগ আছে— জীৱ আৰু অজীৱ। জীৱ হৈছে চেতন দ্ৰব্য। জীৱক দুভাগত ভাগ কৰা হৈছে— মুক্ত আৰু বদ্ধ। যিবোৰ জীৱই কর্মক জয় কৰে আৰু সর্বজ্ঞ হয় সেইবোৰক মুক্ত জীৱ বোলে। বদ্ধ জীৱ দুই প্রকাৰৰ— ত্রস আৰু স্থাৱৰ। গতিশীল জীৱবোৰেই হ'ল ত্রস। চেতনাৰ স্তৰ অনুসৰি ত্রসৰ দুটাৰ পৰা পাঁচোটালৈকে **জ্ঞানেন্দ্রিয়** থাকিব পাৰে।গতিহীন জীৱই হৈছে স্থাৱৰ জীৱ। ই বাস কৰে মাটি, পানী, জুই, বতাহ আৰু উদ্ভিদ শ্রেণীৰ মাজত। ইহঁতৰ মাত্র স্পর্শচেতনা থাকে।



জ্ঞানেন্দ্রিয় ঃ জ্ঞানেন্দ্রিয় পাঁচোটা — চকু, কাণ, নাক, জিভা আৰু ছাল।

জৈন দর্শনৰ মতে গতিশীল জীৱ বা আত্মাই হৈছে চৈতন্যময় দ্রব্য। এই জীৱ বা আত্মাই কর্ম কৰে, সুখ-দুখ ভোগ কৰে আৰু জ্ঞান লাভ কৰে। এই আত্মা নিত্য যদিও অৱস্থান্তৰ ঘটে। জীৱ বা আত্মাৰ কোনো দৈহিক আকাৰ নাথাকে, যি দেহত বাস কৰে তাৰেই আকাৰ ধাৰণ কৰে। পূর্বজন্মৰ কর্মফল অনুসৰি জীৱই ভিন্ ভিন্ স্তৰত দেহ ধাৰণ কৰে। দৰাচলতে জীৱৰ স্বৰূপ শুদ্ধ চৈতন্য বা জ্ঞান। দেহ ধাৰণ, মন আৰু ইন্দ্রিয়ৰ সৈতে সম্পর্ক আৰু কর্ম সম্পাদনেই বন্ধন। কর্মৰ পৰা মুক্ত হ'ব পাৰিলেই জীৱই শুদ্ধ চৈতন্য সত্তা হিচাপে সমুজ্জল হৈ পৰে। ইয়েই হ'ল জীৱৰ মুক্তি।



পুদ্‌গল ঃ জৈন দর্শনত পদার্থক পুদ্‌গল বোলে। ইয়াৰ সংহতি আৰু বিসংহতি দুয়োটাই আছে অর্থাৎ ই একত্রিত হ'ব পাৰে আৰু বিচ্ছিন্নও হ'ব পাৰে।

অজীৱ ঃ

ক) পুদ্‌গল ঃ অজীৱ দ্রব্য হৈছে পুদ্‌গল, আকাশ, কাল, ধর্ম আৰু অধর্ম। জৈন দর্শনত পদার্থক পুদ্‌গল বোলে। বিভিন্ন অংশ একগোট হৈ পদার্থই দেহ সৃষ্টি কৰে, আকৌ অংশবোৰ বিচ্ছিন্ন হৈ দেহৰ বিনাশ ঘটায়। পদার্থৰ মৌলিক উপাদানবোৰ হৈছে অণু। জৈন দর্শনৰ মতে মন, বাক্য, উশাহ-নিশাহ আদিও পদার্থ বা অণুৰ দ্বাৰা গঠিত।

পদার্থৰ চাৰিটা গুণ আছে— স্পর্শ, গন্ধ, স্বাদ আৰু বর্ণ। শব্দক পদার্থৰ গুণ বুলি নধৰে। জৈনসকলৰ মতে শব্দ ঘটনাৰ পৰিৰেশত উদ্ভৱ হোৱা পদার্থৰ এটা গুণ। দৰাচলতে অণুৰ মাজতো এই গুণবোৰ আছে। অণুবোৰৰ মাজত গুণগত পার্থক্য নাই, কিন্তু গুণ চাৰিটা যুক্ত হৈ পৰাৰ পাছত সিহঁতৰ পার্থক্যই দেখা দিয়ে। পদার্থই অতি সূক্ষ্ম ৰূপত কর্ম পদার্থৰ উৎপত্তি কৰে। যিটো আত্মাৰ সৈতে জড়িত হয় তাক সংসাৰত আবদ্ধ কৰে।

খ) আকাশ ঃ পদার্থ বা দেহে যাৰ মাজত বিস্তৃতি লাভ কৰে, তাকেই আকাশ বা স্থান বোলা হয়। জীৱ, পুদ্‌গল, ধর্ম, অধর্ম সকলো অস্তিকায় দ্রব্যই আকাশৰ মাজত বিস্তৃত হয়। দৰাচলতে আকাশ এটা অস্তিত্বশীল অজীৱ দ্রব্য। যদিও ইয়াক প্রত্যক্ষ কৰিব নোৱাৰি, অনুমানৰ দ্বাৰা ইয়াৰ অস্তিত্বক জানিব পাৰি। পদার্থৰ গতি, ওজন আদিৰ বিষয়ে আকাশৰ পৰাই জানিব পাৰি। জৈনসকলৰ মতে দুই প্রকাৰৰ আকাশ আছে— লোকাকাশ আৰু আলোকাকাশ। জাগতিক দ্রব্যৰে পৰিপূর্ণ আকাশক লোকাকাশ বোলে। আনহাতে, যাৰ মাজত কোনো এটা বিস্তৃতি ঘটা নাই তাকে আলোকাকাশ বোলে।

গ) কাল বা সময় ঃ কালৰ বিস্তৃতি নাই, ই একক আৰু অবিভাজ্য। ই বিভিন্ন স্থানত একেই থাকে। ই অসীম আৰু অপ্রত্যক্ষ। ইয়াক পৰোক্ষভাৱে ইয়াৰ লক্ষণসমূহৰ পৰা জানিব পাৰি। ধাৰাবাহিকতা, পৰিৱর্তন, ক্রিয়া আৰু গতি, পৰত্ব, অপৰত্ব আদি কালৰ লক্ষণ। জাগতিক সকলো বস্তুৰ মাজত পৰিলক্ষিত গুণসমূহ কালেই সম্ভৱ কৰি তোলে। জৈনসকলে কালক দুটা ভাগত ভাগ কৰিছে— পাৰমার্থিক আৰু ব্যৱহাৰিক। পাৰমার্থিক কালৰ ধাৰাবাহিকতা আছে। ব্যৱহাৰিক কাল হৈছে

কিছুমান মুহূর্তৰ সমষ্টি। ব্যৱহাৰিক কাল ঘণ্টা, মিনিট, ছেকেণ্ড, দিন, মাহ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ বাবেই সকলো পৰিৱর্তন সম্ভৱ হয়।


ঘ) **ধর্ম আৰু অধর্ম ঃ** ধর্ম আৰু অধর্মই জাগতিক সকলোবোৰ বস্তুৰ স্থিতি আৰু গতিক সম্ভৱ কৰি তোলে। ধর্ম নামৰ দ্রব্যটোৱে বস্তুক গতিশীল হ'বৰ বাবে সহায় কৰে। আনহাতে, অধর্ম দ্রব্যই গতিশীল দ্রব্যক স্থিৰ কৰি তুলিব পাৰে। অর্থাৎ ধর্ম হ'ল গতিশীলতাৰ লক্ষণ আৰু অধর্ম হৈছে স্থিৰতাৰ লক্ষণ। ইহঁত দুটাৰ অস্তিত্ব অনুমানৰ দ্বাৰা পৰোক্ষভাৱে জানিব পাৰি। ইহঁত নিজে নিষ্ক্রিয় আৰু আকাৰহীন।

স্থান, কাল, ধর্ম আৰু অধর্ম —এই চাৰিবিধ দ্রব্যক জাগতিক বস্তু বা ঘটনাবোৰৰ কিছুমান নীতি-নিয়ম নির্ধাৰণ কৰিব পৰা কাৰণ বুলিব পাৰি। কাৰণ তিনি প্রকাৰৰ— নিমিত্ত কাৰণ, যান্ত্রিক কাৰণ আৰু উপাদান কাৰণ। এই তিনিও প্রকাৰৰ কাৰণৰ সমবায়ত কার্য্যৰ উৎপত্তি হয়। স্থান, কাল যান্ত্রিক কাৰণ। ইহঁতে আনবোৰ দ্রব্যক কার্য্য উৎপাদন কৰাত সহায় কৰে।



জানি থোৱা ভাল

জৈন দর্শনৰ মতে দ্রব্য বিভিন্ন প্রকাৰৰ। দ্রব্যৰ বিভাজন নিম্নলিখিত তালিকাৰ সহায়ত দেখুওৱা হ'ল।



- ওপৰত উল্লেখ কৰা দ্রব্যৰ বিভাজনত অজীৱ দ্রব্য চাৰি প্রকাৰহে দেখুওৱা হৈছে। কাৰণ কিছুমান জৈন দার্শনিকে 'কাল'ক এটা সুকীয়া দ্রব্য হিচাপে স্বীকাৰ নকৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ জৈনসকলে বস্তুৰ দুটা দিশ আছে বুলি কয়। সেই দিশ দুটা কি কি?

.....

প্রশ্ন ৯ ঃ দ্রব্যৰ ধর্ম বা গুণ কেইপ্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ১০ ঃ অজীৱ দ্রব্য কেই প্রকাৰৰ আৰু কি কি?

.....

.....

প্রশ্ন ১১ ঃ জীৱ দ্রব্য কেই প্রকাৰৰ আৰু কি কি?

.....

১০.৪.৫ জৈন নীতিতত্ত্ব

জৈন দর্শনে নৈতিকতাৰ ওপৰত সর্বাধিক গুৰুত্ব দিয়াটো পৰিলক্ষিত হয়। জ্ঞানতত্ত্ব আৰু অধ্যাত্মতত্ত্বৰ সহায়েৰে তেওঁলোকে নীতিতত্ত্বৰ ভেটি সুদৃঢ় কৰি তুলিছে। ঐহিক জীৱনত নৈতিক শিক্ষা বা সদাচাৰ প্রত্যক্ষভাৱে নির্ভৰ কৰে অধ্যাত্মতত্ত্ব আৰু জ্ঞানতত্ত্বৰ ওপৰত। অধ্যাত্মতত্ত্ব আৰু জ্ঞানতত্ত্বই পৰোক্ষভাৱে জীৱক কর্মবন্ধনৰ পৰা মুকলি কৰে আৰু সদাচাৰে প্রত্যক্ষভাৱে জীৱক মুক্তি দিয়ে।

ক) আত্মা আৰু ইয়াৰ বন্ধন ঃ সংসাৰত জন্ম গ্রহণ কৰি জৰা-মৃত্যু, দুখ-কষ্ট ভোগ কৰাৰ অর্থই হৈছে বন্ধন। এই জন্ম, জৰা আৰু মৃত্যুৰ পৰা অব্যাহতি লাভ কৰাই হৈছে মুক্তি। আত্মাই যেতিয়া জ্ঞান অর্জন কৰি যথার্থ স্বৰূপ উপলব্ধি কৰে, তেতিয়াই মুক্তি লাভ হয়।

জৈনসকলৰ মতে সংসাৰত জন্ম, জৰা, মৃত্যু ভোগ কৰা চেতন সত্তাটোৰ নাম জীৱ বা আত্মা। আত্মাৰ চৈতন্য লক্ষণে নিজকে প্রকাশ কৰাৰ লগতে অন্য বস্তুকো প্রকাশিত কৰে। চৈতন্য বাধাপ্রাপ্ত হ'লে দৰাচলতে আত্মাই স্বৰূপ পাহৰি যায় আৰু যথার্থ জ্ঞান লাভ কৰিব নোৱাৰে। আত্মা স্বপ্রকাশিত। এই স্বপ্রকাশিত গতিত সৃষ্টি কৰা বাধাসমূহেই হৈছে দুখ-জৰাময় সংসাৰত আত্মাৰ বন্ধনৰ কাৰণ। কর্মফল আৰু অবিদ্যাৰ বাবেই জীৱই বাৰে বাৰে সংসাৰত জন্ম লয়। আত্মা আৰু দ্রব্য বিপৰীত ধর্মী। অবিদ্যাৰ বাবে শুদ্ধ আৰু অসীম আত্মাই অশুদ্ধ স্থূল পদার্থ বা দেহৰ সৈতে নিজকে অভিন্ন বুলি ভাবি নিজৰ স্বৰূপ হেৰুৱাই সীমিত হৈ পৰে। আত্মা অশুদ্ধ দ্রব্যৰ সংস্পর্শলৈ অহাৰ কাৰণ হ'ল **কষায়** দ্রব্যসমূহৰ কবলত পৰা।



কষায় ঃ যাৰ সংস্পর্শলৈ আহি অথবা যাৰ দ্বাৰা আত্মা কলুষিত হয় সেয়াই কষায়। যেনে— ক্রোধ, অহঙ্কাৰ, মায়া লোভ আদি।

জৈনসকলে দুই প্ৰকাৰৰ বন্ধন স্বীকাৰ কৰে— (১) ভাব বন্ধন অৰ্থাৎ মানসিক ৰিপুসমূহৰ দ্বাৰা যেতিয়া আত্মা কলুষিত হয় আৰু (২) পদাৰ্থ বন্ধন অৰ্থাৎ আত্মাই যেতিয়া দ্ৰব্যৰ সংস্পৰ্শলৈ আহে।

খ) **মুক্তিতত্ত্ব ঃ** জৈনসকলৰ মতে বন্ধনৰ পৰা মুক্তি লাভ কৰিবৰ একমাত্ৰ উপায় হৈছে বিদ্যা বা জ্ঞান আহৰণ কৰা। অবিদ্যাক দূৰ কৰি পৰমাৰ্থক যথাযথভাৱে লাভ কৰিব পৰাকেই সম্যক্ জ্ঞান বোলে। সম্যক্ দৰ্শন, সম্যক্ জ্ঞান, সম্যক্ চাৰিত্ৰ এই তিনিটা নৈতিক স্তৰৰ মাজেদি নিষ্ঠাৰে আগবাঢ়ি গ'লে জীৱই পূৰ্বকৰ্ম ক্ষয় কৰি নতুন কৰ্ম সৃষ্টি হোৱাত বাধা দিব পাৰে। সেই কাৰণে জৈন দৰ্শনত এই তিনিটাক ত্ৰিৰত্ন বোলে। এই ত্ৰিৰত্নৰ জৰিয়তে মুক্তিৰ মাৰ্গ অনুধাৱন কৰিব পাৰি।

সম্যক্ দৰ্শন ঃ সত্যৰ প্ৰতি শ্ৰদ্ধা বা বিশ্বাসেই হৈছে সম্যক্ দৰ্শন। সত্যৰ সন্ধান পাবলৈ হ'লে মন আৰু আত্মা—সকলো প্ৰকাৰৰ সন্দেহ, অশ্ৰদ্ধা আদিৰ পৰা মুক্ত হ'ব লাগে। সত্যৰ প্ৰতি শ্ৰদ্ধা জন্মগতভাৱে কোনো কোনো জীৱৰ স্বভাৱত থাকে। আনহাতে, কিছুমান শিক্ষা অনুশাসনৰ দ্বাৰাও আহৰণ কৰিব পাৰি। শ্ৰদ্ধা আৰু বিশ্বাসৰ অন্তৰায় হ'ল কৰ্মৰ বন্ধন। জৈনসকলৰ মতে তীৰ্থঙ্কৰৰ শিক্ষা আৰু আৰ্হি শুদ্ধ বিশ্বাসেৰে গ্ৰহণ কৰিব পাৰিলে কৰ্মবন্ধনৰ পৰা মুক্ত হ'ব পাৰি আৰু মোক্ষৰ পথত আগবাঢ়িব পাৰি।

সম্যক্ জ্ঞান ঃ জৈন শাস্ত্ৰ 'দ্ৰব্য সংগ্ৰহ'ৰ মতে জীৱ আৰু অজীৱ সম্পৰ্কে সন্দেহাতীত যথাৰ্থ জ্ঞানকেই সম্যক্ জ্ঞান বোলে। জৈনসকলৰ মতে সম্যক্ জ্ঞান বা সত্য জ্ঞান লাভৰ অন্তৰায় হ'ল অবিদ্যা। গতিকে অবিদ্যাৰ কাৰণস্বৰূপ জন্মগত সংস্কাৰ বা কৰ্মৰ গতিৰোধ কৰিব পাৰিলে সৎ জ্ঞানৰ উন্মেষ হয়। তেতিয়া আত্মাই নিজৰ স্বৰূপ উপলব্ধি কৰি স্বপ্ৰভাসিত হ'ব পাৰে।

সম্যক্ চাৰিত্ৰ ঃ 'দ্ৰব্য সংগ্ৰহ' গ্ৰন্থৰ মতে অসৎ কৰ্মৰ পৰা বিৰত থকা আৰু সৎ কৰ্মত নিবিষ্ট হোৱাটোকেই সম্যক্ চাৰিত্ৰ বোলা হয়। সৎ কৰ্ম হ'ল তীৰ্থঙ্কৰসকলৰ শিক্ষা আৰু বাণীসমূহ বাস্তৱ জীৱনত নিষ্ঠাৰে অনুশীলন কৰা। এনে অনুশীলনৰ দ্বাৰা কৰ্মবন্ধনৰ পৰা মুক্ত হৈ সম্যক্ জ্ঞান লাভ কৰিব পাৰি। ইয়াৰ ফলত আত্মালৈ নতুন কৰ্মৰ প্ৰবাহ বন্ধ হয় আৰু পুৰণি কৰ্ম নাশ হয়। এনে পথেৰে অগ্ৰসৰ হ'লে আত্মা বন্ধনমুক্ত হ'ব পাৰে। 'দ্ৰব্যসংগ্ৰহ' গ্ৰন্থত কৰ্মমুক্ত হোৱাৰ কাৰণে কেইটামান স্তৰৰ বিষয়ে উল্লেখ কৰা আছে; যেনে— (১) পঞ্চ মহাব্ৰত পালন; (২) সমিতি অৰ্থাৎ ব্যৱহাৰ, বাক্য, দান, ভিক্ষা গ্ৰহণ, সকলো জীৱৰ প্ৰতি সদয় হোৱা আৰু শৌচ-প্ৰস্ৰাৱকৰণত অত্যন্ত সাৱধানতা অৱলম্বন কৰা; (৩) চিন্তা, কথা আৰু অঙ্গ চালনত সংযম ৰক্ষা কৰা; (৪) ক্ষমা, নম্ৰতা, স্পষ্টবাদিতা, সত্যবাদিতা, পৰিস্কাৰ-পৰিচ্ছন্নতা, আত্মসংযম, বাহ্যিক আৰু আন্তৰিক নিষ্ঠা, ত্যাগ, আসক্তিহীনতা, বৈৰাগ্য —এই দহোটা ধৰ্ম অনুশীলন কৰা; (৫) জগত আৰু জীৱ সম্পৰ্কে কথিত মূল

তথ্যৰ ধ্যান কৰা; (৬) ধৈর্য্য আৰু সাহসেৰে ক্ষুধা তৃষ্ণা, শীত, তাপ আদিৰ পৰা উৎপন্ন হোৱা দুখ-কষ্ট জয় কৰিব পৰা ক্ষমতা অর্জন কৰা আৰু (৭) অনাসক্ত, পৰিত্র, লোভ-মোহ-বাসনাহীন আৰু সদাচাৰী হোৱা।

সকলো জৈন দার্শনিকে উল্লিখিত আটাইকেইটা নৈতিক স্তৰৰ আৱশ্যকতা স্বীকাৰ কৰা নাই। বহুতেই পঞ্চমহাব্রতকেই সম্যক্ চাৰিত্র লাভ কৰিবৰ কাৰণে উপযুক্ত বুলি বিবেচনা কৰিছে।



জানি থোৱা ভাল

পঞ্চমহাব্রত ঃ (১) অহিংসা, (২) সত্যম্, (৩) অস্তেয়ম্ (৪) ব্রহ্মচর্য্য আৰু (৫) অপৰিগ্রহ —এই কেইটা হ'ল পঞ্চমহাব্রত।

১) সকলো জীৱৰ প্রতি সদয় হোৱাটোকেই অহিংসা বোলে। জৈনসকলৰ মতে সকলো জীৱ সমান। জীৱসমূহৰ মাজত এটা পাৰস্পৰিক সম্বন্ধ আছে। গতিকে সকলো জীৱ বা আত্মাৰ প্রতি সন্মান আৰু ন্যায় প্রদর্শন কৰাই হৈছে অহিংসাৰ মূলমন্ত্র।

২) অসত্যৰ পৰা আঁতৰি থাকিবলৈ শপত গ্রহণ কৰাই হৈছে সত্য ব্রত। জৈনসকলে মত পোষণ কৰে যে সত্য কথা সুন্দৰ তথা আনন্দদায়কো হ'ব লাগে। কাৰণ সত্য অথচ অপ্রিয় কথাই মানুহক আঘাতহে দিয়ে।

৩) অস্তেয় হ'ল পৰদ্রব্য গ্রহণ নকৰা। জৈনসকলৰ মতে জীৱন নির্বাহৰ বাবে ধন অপৰিহার্য্য যদিও তাৰ কাৰণে আনৰ দ্রব্য অপহৰণ কৰাটো অন্যায়। কাৰণ তাৰ দ্বাৰা স্বত্বাধিকাৰীক বঞ্চিত কৰা হয়।

৪) ৰিপুসমূহক দমন কৰি সকলো প্রকাৰৰ কামনা বাসনা আদিৰ পৰা মনক মুক্ত কৰাই হ'ল ব্রহ্মচর্য্যম্। জৈনসকলৰ মতে বাহ্যিক আৰু আভ্যন্তৰীণ উভয় প্রকাৰৰ কামনা বাসনাই এই ক্ষেত্রত ত্যাগ কৰিব পাৰিব লাগে।

৫) সকলো প্রকাৰৰ আসক্তিৰ পৰা মুক্ত হ'বলৈ গ্রহণ কৰা ব্রতক অপৰিগ্রহ বোলে। অপৰিগ্রহ ব্রত পালন কৰা মুক্তিৰ কাৰণে অপৰিহার্য্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১২ ঃ জৈনসকলৰ মতে বন্ধন কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ১৩ ঃ ত্রিৰত্ন কি কি?

.....

.....

.....

প্ৰশ্ন ১৪ ঃ পঞ্চমহাব্ৰত কেইটাৰ নাম লিখক।

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জৈন দর্শনৰ চমু পৰিচয় জানিব পাৰিলোঁ।
- জৈন দর্শনৰ প্ৰাচীনতা সম্পৰ্কে অৱগত হ'লোঁ।
- জৈন দর্শনৰ জ্ঞান-তত্ত্বৰ লগত পৰিচয় হ'ব পাৰিলোঁ।
- স্যাদ্‌বাদ আৰু সপ্তভঙ্গীন্যায় সম্বন্ধে জানিব পাৰিলোঁ।
- জৈন অধ্যাত্মতত্ত্ব সম্বন্ধে অৱগত হ'লোঁ।
- জৈন নীতিতত্ত্বৰ গুৰুত্ব সম্পৰ্কে জানিব পাৰিলোঁ।



১০.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); ভাৰতীয় দর্শনত এভুমুকি; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৩) বৰুৱা, ড° গিৰীশ (১৯৯৬); *ভাৰতীয় দর্শনত এভুমুকি*; গুৱাহাটী ঃ ভগৱতী প্ৰকাশন।

বাংলা গ্ৰন্থ ঃ

৪) সেনগুপ্ত, প্ৰমোদ বন্ধু (১৯৮৩); *ভারতীয় দর্শন* (দ্বিতীয় খণ্ড); কলকাতা ঃ ব্যানার্জী পাব্লিশ্যার্ছ।

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.



১০.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ জীৱ বা মুক্ত আত্মাবোৰক তীর্থঙ্কৰ বোলা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ জৈন দর্শনৰ মতে জ্ঞান দুই প্ৰকাৰৰ— পৰোক্ষ আৰু অপৰোক্ষ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অপৰোক্ষ জ্ঞান তিনি প্ৰকাৰৰ— অৱধি জ্ঞান, মনঃপর্য্যায় জ্ঞান আৰু কেৱল জ্ঞান।

৪নং প্ৰশ্নৰ উত্তৰ ঃ মতি জ্ঞানৰ কেবাটাও স্তৰ আছে— অৱগ্ৰহ, ঈহা, অবায় আৰু ধাৰণা।

৫নং প্রশ্নৰ উত্তৰ ঃ তিনিটা— প্রত্যক্ষ, অনুমান, শব্দ বা সাক্ষ্য।

৬নং প্রশ্নৰ উত্তৰ ঃ দুই প্রকাৰৰ— লৌকিক আৰু লোকোত্তৰ।

৭নং প্রশ্নৰ উত্তৰ ঃ জৈনসকলে সাতবিধ পৰামর্শ স্বীকাৰ কৰে।

৮নং প্রশ্নৰ উত্তৰ ঃ ভাৰৰূপ আৰু অভাৱ ৰূপ।

৯নং প্রশ্নৰ উত্তৰ ঃ দ্রব্যৰ ধর্ম বা গুণ দুবিধ— নিত্য আৰু অনিত্য।

১০নং প্রশ্নৰ উত্তৰ ঃ অজীৱ দ্রব্য হৈছে— পুদ্‌গল, আকাশ, কাল, ধর্ম আৰু অধর্ম। অৱশ্যে কিছুমান জৈন দার্শনিকে 'কাল'ক সুকীয়া দ্রব্য হিচাপে স্বীকাৰ নকৰে।

১১নং প্রশ্নৰ উত্তৰ ঃ জীৱ দ্রব্য দুই প্রকাৰৰ— অস্তিকায় আৰু অনস্তিকায়।

১২নং প্রশ্নৰ উত্তৰ ঃ বন্ধন দুই প্রকাৰৰ— ভাব বন্ধন আৰু পদার্থ বন্ধন।

১৩নং প্রশ্নৰ উত্তৰ ঃ সম্যক্ দর্শন, সম্যক্ জ্ঞান, সম্যক্ চাৰিত্র এই তিনিটা নৈতিক স্তৰৰ মাজেদি নিষ্ঠাৰে আগবাঢ়ি গ'লে জীৱই পূর্বকর্ম ক্ষয় কৰি নতুন কর্ম সৃষ্টি হোৱাত বাধা দিব পাৰে। সেই কাৰণে এই তিনিটাক জৈন দর্শনত ত্রিৰত্ন বুলি কোৱা হয়।

১৪নং প্রশ্নৰ উত্তৰ ঃ অহিংসা, সত্যম্, অস্তেয়ম্, ব্রহ্মচর্য্য আৰু অপৰিগ্রহ— এই কেইটা হ'ল পঞ্চমহাব্রত।



১০.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ প্রত্যক্ষ প্রমাণৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ পঞ্চমহাব্রতৰ বিষয়ে লিখক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ স্যাদ্‌বাদৰ বিষয়ে আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ জৈন নীতিতত্ত্বৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ জৈন অধ্যাত্মতত্ত্বৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰক।

*** ***** ***

অধ্যায় ১১ ঃ বৌদ্ধ দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ বৌদ্ধ দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস

১১.৩.১ চাৰিটা আর্য্যসত্য

১১.৩.২ বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ আধ্যাত্মিক ভিত্তি

১১.৩.৩ বৌদ্ধদর্শনৰ বিভিন্ন সম্প্রদায়সমূহ

১১.৩.৪ ধর্মৰ ভিত্তিত দুটা বৌদ্ধ সম্প্রদায়

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্রগতিৰ খতিয়ান

১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৌদ্ধ দর্শনৰ চমু পৰিচয় জানিব পাৰিব
- বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ মুখ্য বিষয় চাৰিটা আর্য্যসত্যৰ লগত পৰিচয় হ'ব পাৰিব
- বৌদ্ধ দর্শনৰ চাৰিটা দার্শনিক তত্ত্ব সম্পর্কে জ্ঞান লাভ কৰিব
- বৌদ্ধ দর্শনৰ মুখ্য চাৰিটা দার্শনিক সম্প্রদায়ৰ বিষয়ে জানিব পাৰিব
- মহাযান আৰু হীনযান সম্প্রদায়ৰ বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয়

বৌদ্ধ দর্শনৰ প্রৱর্তক হ'ল গৌতম বুদ্ধ। খ্রীঃপূঃ ষষ্ঠ শতাব্দীত এটি ৰাজপৰিয়ালত তেওঁৰ জন্ম হয়। ৰাজ ঐশ্বর্য্যৰ পৰিপূর্ণতাৰ মাজত ডাঙৰ দীঘল হ'লেও পার্থিৱ দুখ যাতনাই তেওঁৰ চিন্তাশীল মন বিচলিত কৰি তোলে। সেয়েহে প্রকৃত সুখৰ সন্ধানত তেওঁ গৃহত্যাগ কৰে। পার্থিৱ দুখ কষ্টৰ কাৰণ আৰু তাৰ পৰা মুক্তিৰ উপায় সম্বন্ধে জ্ঞান লাভ কৰাৰ অর্থে গৌতম বুদ্ধ কঠোৰ সাধনাত ব্রতী হয়। সাধানাত সিদ্ধি লাভ কৰি তেওঁ প্রকৃত সত্যৰ সন্ধান লাভ কৰে। সত্যৰ অর্থ হ'ল জ্ঞান। এই জ্ঞানেই হ'ল বৌদ্ধদর্শনৰ মূল ভেটি।

জ্ঞান লাভ কৰাৰ পিছত গৌতম বুদ্ধ পার্থিৱ দুখৰ পৰা মুক্ত হয় অর্থাৎ নির্বাণ লাভ কৰে। নির্বাণপ্রাপ্তিৰ পিছত সাধাৰণ মানুহৰ কল্যাণৰ নিমিত্তে তেওঁ লাভ কৰা জ্ঞানসমূহ জনসাধাৰণৰ

মাজত প্ৰচাৰ কৰিবলৈ ধৰে। বুদ্ধদেৱৰ দৰ্শনৰ মূল কথা হ'ল— সংসাৰত সকলো ক্ষণস্থায়ী। মানুহে নিজৰ কৰ্মৰ জৰিয়তে মুক্তি লাভ কৰিব পাৰে।

বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ পাছত তেওঁৰ শিষ্যসকলৰ মাজত কিছুমান দাৰ্শনিক প্ৰশ্ন লৈ মতভেদৰ সৃষ্টি হয়। ইয়াৰ ফলত বৌদ্ধ ধৰ্ম দুটা শ্ৰেণীত বিভক্ত হয়— মহাযান আৰু হীনযান।

গৌতম বুদ্ধ মূলত এজন নৈতিক শিক্ষাগুৰু অথবা ধৰ্ম প্ৰচাৰক আছিল। তেওঁ প্ৰকৃততে বাস্তৱ জীৱনৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰিছিল। জীৱন মানেই দুখভোগ, এই দুখৰ কাৰণ আছে, এই দুখ নিৰোধ কৰিব পাৰি আৰু দুখ নিৰোধ কৰাৰ উপায় আছে— এই চাৰিটা সত্যই হ'ল বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ মুখ্য বিষয়। এই চাৰিটা সত্যকে বৌদ্ধদৰ্শনত 'চাৰিটা আৰ্য্য-সত্য' বুলি জনা যায়। এই চাৰিটা 'আৰ্য্য-সত্য'ৰ মাজতে নিহিত হৈ আছে বৌদ্ধ দাৰ্শনিক সম্প্ৰদায়ৰ মূল কথা। গৌতমবুদ্ধৰ পৰৱৰ্তী শিষ্য সকলে তেওঁৰ নৈতিক শিক্ষাৰ পৰাই চাৰিটা ভিন্ন সম্প্ৰদায়ৰ সৃষ্টি কৰে— (১) মাধ্যমিক বা শূন্যবাদ, (২) যোগাচাৰ বা বিজ্ঞানবাদ, (৩) সৌত্ৰান্তিক আৰু (৪) বৈভাষিক। ইয়াৰে প্ৰথম দুটা সম্প্ৰদায় মহাযানপন্থী আৰু পিছৰ দুটা হীনযানপন্থী।

এই অধ্যায়টিত বৌদ্ধ দৰ্শননো কি, বুদ্ধদেৱৰ নৈতিক শিক্ষা, বৌদ্ধ দৰ্শনৰ বিভিন্ন সম্প্ৰদায় আদিৰ বিষয়ে কিছু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে। আনহাতে ভাৰতীয় দৰ্শনে আলোচনা কৰা কিন্তু বৌদ্ধ দৰ্শনে এৰাই চলা কিছুমান বিষয় বস্তুৰ বৰ্ণনাও ইয়াত দিয়া হৈছে।

১১.৩ বৌদ্ধ দৰ্শনৰ বিভিন্ন বিষয় বস্তুৰ চমু আভাস

এই অংশত আপুনি বৌদ্ধ দৰ্শনৰ বিভিন্ন বিষয় বস্তু অৰ্থাৎ চাৰিটা আৰ্য্যসত্য, বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ আধ্যাত্মিক ভিত্তি (চাৰিটা দাৰ্শনিক তত্ত্ব), বৌদ্ধ-দৰ্শনৰ মুখ্য চাৰিটা সম্প্ৰদায়, ধৰ্মৰ ভিত্তিত দুটা বৌদ্ধ সম্প্ৰদায় (হীনযান আৰু মহাযান) আদিৰ লগত পৰিচিত হ'ব।

১১.৩.১ চাৰিটা আৰ্য্যসত্য

'আৰ্য্য' শব্দৰ অৰ্থ হ'ল 'উৎকৃষ্ট' বা 'মহৎ'। অৰ্থাৎ আৰ্য্যসত্যৰ অৰ্থ হ'ল 'মহৎ সত্য' (Noble Truth)। যি সত্যৰ সন্ধান পালে মানুহ জ্ঞানী হয় আৰু নিৰ্বাণ লাভ কৰে।

আৰ্য্যসত্য চাৰিটা হৈছে— (ক) দুখ, অৰ্থাৎ মানুহৰ জীৱনত দুখ আছে; (খ) দুখ সমুদয়, অৰ্থাৎ এই দুখৰ কাৰণ আছে; (গ) দুখ নিৰোধ, অৰ্থাৎ দুখৰ নিবৃত্তি আছে আৰু (ঘ) দুখ নিৰোধ মাৰ্গ অৰ্থাৎ দুখ নিবৃত্তিৰ উপায় আছে।

ক) দুখ ঃ চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় অন্যান্য দাৰ্শনিক সম্প্ৰদায় সমূহে একেমুখে স্বীকাৰ কৰে যে জীৱনটোৱেই দুখময়। বুদ্ধদেৱৰ মতেও দুখেই হৈছে জীৱনৰ মূল সমস্যা। সাধাৰণতে মানুহে যিবোৰক সুখ বুলি ভাবে বা অনুভৱ কৰে সেইবোৰ

সুখ অতি ক্ষণস্থায়ী। সুখ অর্জন কৰোঁতেও দুখ, ৰক্ষা কৰোঁতেও দুখ আৰু সুখৰ অন্ত হ'লেও দুখ। দৰাচলতে সুখ আৰু দুখ এটা মুদ্রাৰে ইপিঠি আৰু সিপিঠি। বুদ্ধৰ মতে জীৱনৰ এই প্রকৃত সত্যটো উপলব্ধি কৰি তাৰ পৰা পৰিত্রাণ লাভ কৰি সুখ অর্জন কৰাটোৱেই হৈছে জীৱনৰ মুখ্য উদ্দেশ্য। এই দুখমোচনৰ পথো তেওঁ নির্দেশ দি থৈ গৈছে।

খ) **দুখ সমুদয় ঃ** বুদ্ধৰ মতে জীৱনত দুখ আছে আৰু দুখৰ কাৰণো আছে। বুদ্ধই তেওঁৰ কার্য্যকাৰণ বাদৰ পৰা এই দুখৰ কাৰণ নির্ণয় কৰিছে। তেওঁৰ মতে জৰা মৰণাদি দুখৰ কাৰণ হৈছে 'জাতি' অর্থাৎ 'জন্ম'। য'তেই জন্ম ত'তেই দুখ। এই 'জাতি' বা 'জন্মৰ' কাৰণ হৈছে 'ভৱ' অর্থাৎ 'জন্মৰ ইচ্ছা'। 'ভৱ' কিছুমান উপাদানৰ ওপৰত নির্ভৰ কৰে। এই 'উপাদান' হৈছে জাগতিক জীৱনৰ প্রতি থকা মায়া-মোহ-বাসনা ইত্যাদি। তৃষ্ণাৰ ফলস্বৰূপ হৈছে উপাদান। ভোগৰ আকাংক্ষাকে 'তৃষ্ণা' বোলে। ভোগৰ পৰা বিচ্ছেদ হ'লে যি দুখময় অনুভূতি হয় সেয়াই 'বেদনা'। অর্থাৎ বেদনাই হ'ল তৃষ্ণাৰ কাৰণ। ব্যক্তিৰ দৈহিক অৱস্থিতি, যাক 'নাম-ৰূপ' বোলা হয়— তাৰ সৈতে বিষয়-সুখৰ 'সংস্পর্শ' ঘটিলে এই বেদনাৰ উৎপত্তি হয়। **পঞ্চজ্ঞানেন্দ্রিয়** আৰু মন যাক 'ষড়ায়তন' বোলা হয়— এইবোৰৰ বাবেই বিষয়স্পর্শৰ উৎপত্তি হয়। ব্যক্তিৰ নামৰূপ (দেহ আৰু মন) নাথাকিলে 'ষড়ায়তন'ৰ উৎপত্তি নহয়। আনহাতে, মাতৃগর্ভত 'নাম-ৰূপ'ৰ বিকাশ সম্ভৱ হয় একমাত্র চৈতন্য (Consciousness) থকা কাৰণেহে। আকৌ এই চৈতন্যৰ উদ্ভৱ হয় সংস্কাৰৰ ফলত। কর্মৰ দ্বাৰা প্রতিষ্ঠা লাভ কৰা অভ্যাসকেই 'সংস্কাৰ' বোলা হয়। নৱজন্মৰ চেতনাই অতীত কর্মৰ সংস্কাৰ সমূহ পুনৰ আৰম্ভ কৰে। 'সংস্কাৰ'বোৰৰ মূল কাৰণ হৈছে 'অবিদ্যা'। 'অবিদ্যা' মানে হ'ল অজ্ঞানতা বা ভ্রম। গতিকে অবিদ্যাই হৈছে দুখৰ মূল কাৰণ। বুদ্ধই উল্লেখ কৰা চাৰি আর্য্য-সত্যৰ জ্ঞান থাকিলে এই দুখৰ পৰা জীৱই মুক্তি লাভ কৰিব পাৰে।

ওপৰত উল্লেখ কৰা কার্য্যকাৰণ শিকলিৰ ১২টা সংযোজকক 'ভৱচক্র' বা 'দ্বাদশ নিদান' বোলা হয়। 'ভৱচক্র'ৰ বাবে জীৱৰ বাৰে বাৰে জন্ম হয়। অবিদ্যা আঁতৰ কৰি সংস্কাৰমুক্ত হ'ব পাৰিলে। 'ভৱচক্র'ৰ পৰা জীৱই মুক্তি লাভ কৰিব পাৰে। 'ভৱচক্র'ক কাৰণৰ পৰা কার্য্যৰ ফাললৈ অতীত, বর্তমান আৰু ভৱিষ্যত জীৱন অনুসৰি তলত দিয়া ধৰণে নির্দেশ কৰিব পাৰি—



পঞ্চজ্ঞানেন্দ্রিয় ঃ চকু, কাণ, নাক, জিভা, ছাল — এইকেইটা অঙ্গক পঞ্চজ্ঞানেন্দ্রিয় বোলে।

১) অবিদ্যা ২) সংস্কাৰ	অতীত জীৱন
৩) বিজ্ঞান ৪) নামৰূপ ৫) ষড়ায়তন ৬) স্পর্শ ৭) বেদনা ৮) তৃষ্ণা ৯) উপাদান ১০) ভৱ ১১) জাতি	বর্তমান জীৱন
১২) জৰা মৰণাদি দুখ	ভৱিষ্যত জীৱন

গ) **দুখ নিৰোধ ঃ** বুদ্ধৰ মতে দুখৰ কাৰণসমূহ নিৰোধ কৰাই হৈছে তৃতীয় আর্য্যসত্য। দুখৰ অস্তিত্ব আৰু দুখৰ কাৰণ থকাটো যেনেদৰে সত্য, সেইদৰে দুখ নিৰোধ কৰিব পৰাটোও চৰম সত্য।

বৌদ্ধ দর্শনত দুখ নিৰোধৰ অর্থ হৈছে নির্বাণ। যি ব্যক্তিয়ে ৰিপুবোৰক দমন কৰি একনিবিষ্টভাৱে সত্যৰ চাৰিটা স্তৰক অতিক্রম কৰিব পাৰে তেওঁ পূর্ণজ্ঞান লাভ কৰে। সেই ব্যক্তিৰ **ঐহিক** আসক্তি নাথাকে। আসক্তিয়েই অবিদ্যা আৰু অবিদ্যাই হৈছে সকলোবোৰ দুখৰ কাৰণ। এই দুখৰ বিলুপ্তি ঘটাব পাৰিলেই জীৱই মুক্তি লাভ কৰিব পাৰে। জীৱৰ মুক্ত অৱস্থাৰ নামেই হ'ল নির্বাণ। বুদ্ধৰ মতে নির্বাণপ্রাপ্ত হোৱাৰ পাছতো জীৱন ধাৰণ কৰিব পাৰি। বুদ্ধদেৱে তেওঁৰ ৩৫ বছৰ বয়সত নির্বাণ লাভ কৰাৰ পাছতো জনগণৰ হিত সাধনৰ অর্থে ৮০ বছৰ বয়সলৈ কর্ম কৰি গৈছিল। নির্বাণপ্রাপ্ত ব্যক্তি মুক্ত, অনাসক্ত, গতিকে তেনে ব্যক্তিৰ কর্মই কোনো ঐহিক ফলৰ সৃষ্টি নকৰে।



ঐহিক ঃ ইহজগতৰ।

বৌদ্ধদর্শনে দুবিধ নির্বাণ স্বীকাৰ কৰে— উপাধিবিশেষ নির্বাণ আৰু নিৰুপাধি বিশেষ নির্বাণ।

যিজন ব্যক্তিয়ে বাহ্যিক আৰু আভ্যন্তৰীণ সকলো প্রকাৰৰ কামনা বাসনা আৰু ভাবাদিৰ পৰা চিত্তক মুক্ত কৰি সত্যৰ ওপৰত একাগ্রভাৱে ধ্যান কৰে, তেওঁৰ চিত্তৰ স্থিৰতা লাভ হয় আৰু তেওঁ সত্য চতুষ্টয়ৰ পূর্ণজ্ঞান লাভ কৰে। বৌদ্ধদর্শনত তেনে ব্যক্তিক **অর্হতৰ** যোগ্য বুলি কোৱা হয়। বৌদ্ধদর্শনৰ মতে অর্হতৰ নির্বাণকে উপাধি বিশেষ নির্বাণ বোলা হয়। এই স্থিতিত **পঞ্চস্কন্ধ** ৰূপ উপাধি মাত্র অৱশিষ্ট থাকে, অন্য কামনাবাসনাদিৰ লোপ হয়। আনহাতে, যি নির্বাণ অৱস্থাত উপাধিৰ অৱশিষ্ট নাথাকে, অর্থাৎ জীৱদেহৰ সংস্পর্শৰ পৰাও মুক্ত হয়, তাক নিৰুপাধি



অর্হত ঃ বুদ্ধ, বৌদ্ধসন্যাসী।

পঞ্চস্কন্ধ ঃ বৌদ্ধ দর্শনৰ মতে আত্মা বা জীৱ পঞ্চস্কন্ধৰ সমষ্টি। সেইবোৰ হ'ল— ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ, বিজ্ঞান।

বিশেষ নির্বাণ বোলা হয়। নিৰুপাধি বিশেষ নির্বাণক পৰিনির্বাণ বোলা হয়। নির্বাণ অৱস্থাত কামনা-বাসনা নাথাকে, কিন্তু শান্ত শুদ্ধ চৈতন্য থাকে। পৰিনির্বাণৰ ক্ষেত্ৰত শান্ত চৈতন্যৰ বিলুপ্তি ঘটে।

ঘ) **দুখ নিৰোধ মার্গ ঃ** বুদ্ধৰ মতে দুখৰ কাৰণ সম্বন্ধে জ্ঞান লাভ হ'লে দুখ নিৰোধৰ পথ বা মার্গৰ সন্ধান পাব পাৰি। বুদ্ধই দুখ নিৰোধৰ বাবে আঠোটা নিয়মৰ উল্লেখ কৰিছে। এই আঠোটা নিয়মক অষ্টাঙ্গিকক মার্গ বোলা হয়। সেইকেইটা হ'ল— সম্যক্ দৃষ্টি, সম্যক্ সঙ্কল্প, সম্যক্ ব্যায়াম, সম্যক্ স্মৃতি আৰু সম্যক্ সমাধি।

১) বৌদ্ধ দর্শনৰ মতে সকলো দুখৰ মূল হৈছে অবিদ্যা। যথার্থ দৃষ্টিৰ দ্বাৰা এই অবিদ্যা বা অজ্ঞানতাক আঁতৰ কৰি যথার্থ জ্ঞান বা সম্যক্ জ্ঞান লাভ কৰিলে দুখমোচন হয়। বুদ্ধই উল্লেখ কৰা চাৰিটা আর্য্যসত্য সম্পর্কে প্ৰকৃত জ্ঞান আৰু উপলব্ধিকেই সম্যক দৃষ্টি বোলা হয়।

২) প্ৰকৃত নৈতিক জীৱন-যাপন কৰি নির্বাণ লাভ কৰিবৰ বাবে সক্ষম হ'বলৈ বুদ্ধই তিনিটা সঙ্কল্প গ্ৰহণৰ নির্দেশ দিছে। যেনে— সংসাৰৰ প্ৰতি আসক্তি বর্জনৰ সঙ্কল্প, পৰদ্বেষ বর্জনৰ সঙ্কল্প আৰু আনৰ অনিষ্ট নকৰিবলৈ সঙ্কল্প। এই তিনিটা সঙ্কল্পকে সম্যক্ সঙ্কল্প বোলে।

৩) সম্যক্ সঙ্কল্পক বাস্তৱজীৱনত যথাযথভাৱে পালন কৰি নৈতিক জীৱন লাভ কৰিবৰ বাবে বুদ্ধই বাক্‌সংযম কৰিবলৈ উপদেশ দিছে। সেইবোৰ হ'ল— মিছা কথা নোকোৱা, পৰনিন্দা নকৰা, কটুবাক্য প্ৰয়োগ নকৰা, লঘু বিষয় আলোচনা নকৰা। ইয়াকে সম্যক্ বাক্ বোলা হয়।

৪) জীৱ হত্যা, পৰদ্রব্য অপহৰণ, অবৈধ ইন্দ্রিয়ভোগ আদি কুকর্মৰ পৰা নিষ্ক্রান্ত হোৱাকেই সম্যক্ কর্মান্ত বোলে। বুদ্ধৰ মতে সম্যক্ সঙ্কল্প, সম্যক্ বাক্ আদি এনেকুৱা সৎকর্মৰ মাজেদি প্ৰকাশ হ'ব লাগে।

৫) সৎবাক্য আৰু সদাচাৰৰ বাহিৰেও সৎ উপায়েৰে জীৱিকা নির্বাহ কৰিবলৈ সঙ্কল্প ল'ব লাগে। ইয়াকে সম্যক্ আজীৱ বোলে।

৬) মনৰ পৰা কুচিন্তা আৰু বেয়া ভাব বর্জন কৰি শুদ্ধ নৈতিক জীৱন যাপন কৰিবৰ বাবে চেষ্টাৰ প্ৰয়োজন। 'এই চেষ্টাৰ নামেই সম্যক্ ব্যায়াম। এই ব্যায়াম চাৰি প্ৰকাৰৰ— মনৰ পৰা অসৎ চিন্তা দূৰ কৰা, সৎ চিন্তাৰদ্বাৰা মনটোক সদায় পূর্ণ কৰা, অসৎ চিন্তাৰ উদয় ৰোধ কৰা আৰু সৎ চিন্তা মনত ধাৰণ কৰা।

৭) যিকোনো সত্য জ্ঞান সম্পর্কে বিস্মৃত নহৈ সচেতন থকাটোকেই সম্যক্ স্মৃতি বোলা হয়। দেহ, মন, বস্তু আদিৰ প্ৰকৃত স্বৰূপ গভীৰ চিন্তা আৰু যুক্তিৰদ্বাৰা উদ্‌ঘাটন কৰি তাক সদায় সম্যক্ স্মৃতি হিচাপে ৰাখিব লাগে। এই জ্ঞানৰ ৰোমন্থনে মানুহক বন্ধনৰ পৰা মুক্ত কৰি পুনৰ দুখভোগৰ পৰা ৰক্ষা কৰিব পাৰে। 'দীর্ঘনিকায় সূত্ত'ত বুদ্ধদেৱে এই বিষয়ে বিশদভাৱে আলোচনা কৰিছে।

উদাহৰণ স্বৰূপে, ক'ব পাৰি— মানুহে যিটো দেহৰ প্রতি মোহাচ্ছন্ন হৈ থাকে সেই দেহ আচলতে মাত্র চাৰিটা উপাদানেৰে (মাটি, পানী, জুই আৰু বতাহ) গঠিত। গতিকে এই দেহ জগতৰ অন্য দ্রব্যৰ দৰে ক্ষণস্থায়ী। এই কথা সম্যক্‌ভাৱে মনত ৰাখিলে দেহৰ প্রতি মোহ নাইকীয়া হ'ব।

৮) সম্যক্‌ সমাধি অষ্টাঙ্গিক মার্গৰ সর্বশেষ স্তৰ। ওপৰত উল্লেখ কৰা সাতোটা স্তৰৰ মাজেদি সেইবোৰৰ ধাৰাবাহিক অনুশীলনৰ দ্বাৰা নৈতিক বিকাশ লাভ কৰি যিজন অবিদ্যাৰ পৰা মুক্ত হৈ পৰে তেৱেঁই সমাধি স্তৰত প্রৱেশ কৰিব পাৰে। নির্বাণকামী ব্যক্তি এজন সাতোটা স্তৰ অতিক্রম কৰাৰ ফলত কাম, ক্রোধ, লোভ, মোহ আদি ৰিপুবোৰৰ পৰা মুক্ত হৈ পৰে। ফলত তেওঁৰ মন শুদ্ধ চৈতন্যৰে ভৰি পৰে। তেতিয়া তেওঁ সমাধিৰ গভীৰৰ পৰা গভীৰতৰ স্তৰকেইটা অতিক্রম কৰিবলৈ সক্ষম হয়। ইয়াকে সম্যক্‌ সমাধি বোলে।

বৌদ্ধদর্শনে এই সমাধিৰ চাৰিটা ক্রম আছে বুলি কয়। সেই চাৰিটা হ'ল— আনন্দ, উল্লাস, প্রশান্তি, নির্বাণ।

প্রথম ক্রমত সত্য নির্ধাৰণৰ বাবে সাধকৰ মন অত্মস্থ হৈ বিচাৰ আৰু বিতর্কত নিবদ্ধ হৈ পৰে। ফলত সাধকৰ মনত নিবৃত্তিৰ আনন্দ উদ্ভৱ হয়। ২য় ক্রমত সাধকৰ মনত চাৰিটা আর্য্যসত্যৰ বিশ্বাস জাগ্রত হয়। তেতিয়া তেওঁৰ মন বিচাৰ-বিতর্কৰ পৰা নিবৃত্ত হৈ একমাত্র সত্যৰ ওপৰত স্থিৰ হয়।ফলত মনত কেৱল অপাৰ আনন্দহে থাকে। তৃতীয় ক্রমত কিন্তু সাধকে আনন্দ অনুভূতিৰ পৰা মনক নিবৃত্ত কৰিবলৈ চেষ্টা কৰে। তাৰদ্বাৰা সাধকে ধ্যানৰ গভীৰতম স্তৰলৈ প্রৱেশ কৰি এক সমতা স্থাপন কৰিবলৈ সক্ষম হয় আৰু লগে লগে দৈহিক প্রশান্তি লাভ কৰে।চতুর্থ ক্রমত এই অনুভূতিখিনিও সাধকে ত্যাগ কৰিবলৈ সক্ষম হয়। ইয়াৰ ফলত সাম্যাৱস্থা লাভ কৰে। এই সাম্যাৱস্থাত সকলো সুখ-দুখৰ অৱসান হয় আৰু সাধকে পূর্ণজ্ঞান লাভ কৰে। বৌদ্ধদর্শনত এয়াই নির্বাণ।



জানি থোৱা ভাল

১) বৌদ্ধদর্শন ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ এটি অবিচ্ছেদ্য অঙ্গ যদিও বুদ্ধদেৱে গভীৰ দার্শনিক তত্ত্বসম্পর্কীয় প্রশ্ন সমূহ বর্জন কৰিছে। দেহ, আত্মা, বস্তু আদিৰ সত্তা আৰু পাৰস্পৰিক সম্পর্ক কি, জীৱন কি, জন্মান্তৰ আছে নে নাই, সৃষ্টি নিত্য নে অনিত্য, ইয়াৰ বিনাশ ক'ত আদি দার্শনিক প্রশ্নবিলাকৰ সমাধান তেওঁ বিচৰা নাই। দৰাচলতে জীৱনৰ যি বিষয়বোৰৰ সৈতে মানুহৰ প্রত্যক্ষ সম্পর্ক নাই তাৰ উত্তৰ বিচাৰি থকাৰ কোনো প্রয়োজন নাই। বুদ্ধৰ মতে জীৱনৰ ঘাই সমস্যা হ'ল দুখনিবৃত্তি। দুখমোচনৰ বাবে জীৱনৰ বাস্তৱ বিষয় আলোচনা আৰু সমাধান কৰাৰ ওপৰত গুৰুত্ব দি নৈতিক দিশটো বুদ্ধই বাছি লৈছে।

২) নৈতিকতাৰ ফালৰ পৰা বুদ্ধদেৱে দহোটা প্রশ্ন অপ্রয়োজনীয় আৰু অনির্দ্দিষ্ট বুলি উল্লেখ কৰিছে। সেইকেইটা হ'ল— (১) জগতখন নিত্য নে, (২) অনিত্য নে, (৩) অসীম নে, (৪) সসীম নে, (৫) দেহ আৰু আত্মা অভিন্ন নে, (৬) ভিন্ন বা স্বতন্ত্র নে, (৭)সত্য দ্রষ্টা বা পৰমজ্ঞানীএজন তেওঁৰ মৃত্যুৰ পাছতো জীয়াই থাকে নে, (৮) নে নাথাকে, (৯) নে তেওঁ জীয়াইও থাকে আৰু নাথাকেও (১০) নে জীৱাত্মা জীয়াইও নাথাকে আৰু জীয়াই নথকাটোও নহয়।

১১.৩.২ বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ আধ্যাত্মিক ভিত্তি

বুদ্ধদেৱে দার্শনিক আলোচনা পৰিহাৰ কৰি ব্যৱহাৰিক প্রয়োজনীয়তাৰে নৈতিক আলোচনাৰ ওপৰত গুৰুত্ব দিলেও সেই নৈতিক শিক্ষাৰ যথেষ্ট দার্শনিক মূল্য আছে। তেওঁৰ নীতি সম্বন্ধীয় উপদেশসমূহৰ পৰা চাৰিটা দার্শনিক তত্ত্ব পাওঁ— (ক) প্রতীত্যসমূৎপাদ, (খ) কর্মবাদ, (গ) অনিত্যবাদ আৰু (ঘ) অনাত্মবাদ।

ক) প্রতীত্যসমূৎপাদ ঃ কার্য্য কাৰণবাদক বৌদ্ধদর্শনত প্রতীত্যসমূৎপাদবাদ বুলি কোৱা হয়। এই জগতত বিনা কাৰণত একো ঘটিব নোৱাৰে। বৌদ্ধ দর্শনৰ মতে ঈশ্বৰ বা অন্য কোনো অতীন্দ্রিয় চেতন সত্তাই এই জগতখন পৰিচালনা কৰা নাই। এই তথ্যৰ ভিত্তিতে বৌদ্ধদর্শনে প্রতীত্যসমূৎপাদ সূত্রটো উত্থাপন কৰিছে।

'প্রতীত্য' শব্দৰ অর্থ হ'ল 'পোৱা' আৰু 'সমূৎপাদ' মানে হ'ল 'উৎপত্তি' বা 'আৰির্ভাৱ'। গতিকে 'প্রতীত্যসমূৎপাদ' মানে হ'ল 'প্রাপ্ত কাৰণৰ পৰা কার্য্যৰ উদ্ভৱ'। বৌদ্ধদর্শনৰ মতে আভ্যন্তৰীণ বা বাহ্যিক সকলো ঘটনাই একোটা সুনির্দ্দিষ্ট পৰম্পৰাগত কাৰণৰ ওপৰত নির্ভৰশীল। এই নির্ভৰশীলতাকে প্রতীত্যসমূৎপাদবাদ বোলা হয়।

বুদ্ধৰ মতে জীৱন আৰু জগতত কোনো অপৰিণামী বস্তুৰ অস্তিত্ব নাই। দেহ, মন আদিকে ধৰি সকলো জাগতিক অস্তিত্বই পৰিণামী। জগতত এনে কোনো নিত্য বা অপৰিৱর্তনীয় বস্তুৰ অস্তিত্ব নাই, যিকোনো কাৰণৰ ওপৰত নির্ভৰশীল নহয়। যাৰ অস্তিত্ব আছে সি বিনাশ হোৱাৰ আগতেই আন এটা কার্য্যৰ সৃষ্টি কৰে। গতিকে বুদ্ধৰ মতে সকলো জাগতিক বস্তুৰ পৰিৱর্তনশীলতাই তাৰ পৰিৱর্তনশীলতা আৰু অসাৰত্বকহে প্রমাণ কৰে।

প্রতীত্যসমূৎপাদতত্ত্বক বুদ্ধই সর্বাধিক গুৰুত্ব দিছে। এই তত্ত্বক তেওঁ ধর্ম নামেৰে অভিহিত কৰিছে। তেওঁৰ মতে, 'যিজনে প্রতীত্যসমূৎপাদ দেখে, তেওঁ ধর্ম দেখা পায় আৰু যিজনে ধর্ম দেখে, তেওঁ প্রতীত্যসমুৎপাদ দেখা পায়।' প্রতীত্যসমূৎপাদতত্ত্ব হৃদয়ঙ্গম কৰিব পাৰিলে প্রকৃত জ্ঞানৰ উন্মেষ হয়, সকলো দুখৰ ওৰ পৰে। এই তত্ত্বৰ ওপৰতেই আচলতে বৌদ্ধ দর্শনৰ ভিত্তি প্রতিষ্ঠিত।

খ) **কর্মবাদ ঃ** কর্মবাদ ভাৰতীয় দর্শনৰ এটি প্রধান বৈশিষ্ট্য। বৌদ্ধ দর্শনৰ কর্মবাদ প্রতীত্যসমুৎপাদ বাদৰেই আন এটা ৰূপ। বৌদ্ধদর্শনৰ মতে মানুহে নিজে কৰা কর্ম অনুসৰি জন্ম-জন্মান্তৰে ফল ভোগ কৰে। প্রতীত্যসমুৎপাদ অনুসৰি সকলো ঘটনাৰে একোটা পূর্ব কাৰণ থাকে। অতীত, বর্তমান, ভৰিষ্যত—এই তিনিওটা কার্য্য আৰু কাৰণৰ সূত্রৰ দ্বাৰা সংযোজিত। বর্তমানৰ জীৱনটো অতীত জীৱনৰ কর্মৰ ফল, সেইদৰে ভৰিষ্যত জীৱনটো বর্তমানৰ কর্মৰ দ্বাৰা নির্ধাৰিত হয়। এজন ব্যক্তিয়ে যিদৰে নিজৰ ছাঁটোৰ পৰা হাত সাৰিব নোৱাৰে, সেইদৰে কর্মফলৰ পৰাও কোনেও পৰিত্রাণ পাব নোৱাৰে।



সকাম কর্ম ঃ কামনা-বাসনা বা ফলৰ আকাংক্ষা লৈ যি কাম কৰা হয়, তাক সকাম কর্ম বোলা হয়।

নিষ্কাম কর্ম ঃ বাসনাহীনভাৱে কেৱল কর্মৰ প্রতি অনুগত হৈ সম্পাদন কৰা কর্মক নিষ্কাম কর্ম বোলা হয়।

প্রায়বোৰ ভাৰতীয় দর্শনে দুই প্রকাৰৰ কর্মত বিশ্বাস কৰে— **সকাম** আৰু **নিষ্কাম**। বৌদ্ধদর্শনেও এই প্রকাৰৰ কর্মত বিশ্বাস কৰে। এই দর্শনৰ মতে নিষ্কাম কর্ম একমাত্র পৰমজ্ঞানী অর্হতৰ পক্ষেই সম্ভৱ হয়। এই কর্মৰ ফলত পুর্ণজন্ম নহয়। আনহাতে সকাম কর্মই ফল উৎপাদন কৰে। জন্ম-জৰা-মৃত্যুৰ মাজত জীৱৰ বন্ধন হয় সকাম কর্মৰ ফলতেই। অজ্ঞানতা বা অবিদ্যাই হ'ল এই কর্মৰ কাৰণ। সত্তা সম্পর্কে জ্ঞানৰ অভাৱ হেতুকে মানুহে মায়া-মোহৰ বশবর্তী হৈ সকাম কর্মত প্রবৃত্ত হয়। প্রকৃত জ্ঞানৰ উন্মেষ হ'লে সকাম কর্মত প্রবৃত্ত নহয়।

বৌদ্ধ দর্শনৰ মতে কর্মবাদৰ সৈতে ব্যক্তিৰ স্বতন্ত্রতা আৰু কর্মৰ স্বাধীনতা স্বীকৃত। মানুহৰ জীৱনটো কোনো ভাগ্য বা নিয়তি বা ঈশ্বৰৰ ওপৰত নির্ভৰ নকৰে। মানুহৰ ব্যক্তি স্বাধীনতা আছে। গতিকে তেওঁৰ কর্মৰ কাৰণে তেওঁ নিজেই দায়ী। বৌদ্ধ দর্শনত ইয়াকে পুৰুষকাৰ বোলে। স্বোপার্জিত কর্মফল ভোগ কৰাটো নৈতিক নিয়ম। অতীত, বর্তমান আৰু ভৰিষ্যতৰ এটা ধাৰাবাহিকতা আছে। ভৰিষ্যত নির্ভৰ কৰে বর্তমানৰ কর্মধাৰাৰ ওপৰত। অতীত কর্মফল ভোগ কৰাটো অনিবার্য্য। কিন্তু বর্তমানৰ কর্মৰ দ্বাৰা সেই ফলভোগ নির্ণয় কৰিব পাৰি। অর্থাৎ অতীতৰ অসৎ কর্মৰ ফল ভোগ বর্তমানৰ সৎ কর্মৰদ্বাৰা খণ্ডন কৰিব পাৰি।

গ) **অনিত্যবাদ বা ক্ষণিকবাদ ঃ** বুদ্ধৰ নৈতিক শিক্ষাৰ তৃতীয় তত্ত্বটো হ'ল— 'সর্বম্ অনিত্যম্' অর্থাৎ 'সকলো অনিত্য'। বৌদ্ধদর্শনৰ মতে জগতত কোনো বস্তুৱেই স্থায়ী নহয়। সকলো বস্তুৰে যেনেদৰে উৎপত্তি আছে, তেনেদৰে ক্ষয় বা ধ্বংসও আছে। ইয়াক নৈৰ সোঁতৰ সৈতে ৰিজাব পাৰি। এই জগতত সকলো বস্তুৰে প্রতিমুহূর্ততে পৰিৱর্তন হৈ আছে আৰু লগে লগে প্রতিমুহূর্ততে নতুনৰ সৃষ্টি হ'বলৈ ধৰিছে। বৌদ্ধদর্শনত ইয়াকে অনিত্যবাদ বোলা হয়। অনিত্যবাদ প্রতীত্যসমুৎপাদৰেই আন এটি ৰূপ। অর্থাৎ কাৰণৰ পৰা কার্য্যৰ উৎপত্তি হোৱাৰ অর্থই হৈছে পৰিৱর্তন। বুদ্ধৰ মতে পৰিৱর্তনেই হৈছে একমাত্র সত্য।

বুদ্ধদেৱে বস্তু মাত্রেই অনিত্য বুলি কৈছে যদিও 'ক্ষণিক' বুলি কোৱা নাই। তেওঁৰ মতে চৈতন্যহে ক্ষণিক। বুদ্ধৰ পিছত তেওঁৰ অনুগামীসকলে অনিত্যবাদক

ক্ষণিকবাদলৈ ৰূপান্তৰিত কৰে। তেওঁলোকৰ মতে জগতৰ সকলো বস্তু কেৱল অস্থায়ী বা পৰিৱৰ্তনশীলেই নহয়, ইয়াৰ অস্তিত্বও ক্ষণস্থায়ী। তেওঁলোকৰ মতে যাৰ অস্তিত্ব আছে, সিয়েই সৎ। সৎ মানে হ'ল সৃষ্টিৰ বা উৎপাদনৰ ক্ষমতা। ই সম্ভৱ হয় বস্তুৰ ক্ষণিক অস্তিত্বৰ কাৰণে। বস্তুৰ অস্তিত্ব ক্ষণমূহুৰ্তৰ বাবেহে অর্থাৎ বস্তুমাত্রেই পৰিৱৰ্তনশীল।

ঘ) **অনাত্মবাদ ঃ** বৌদ্ধদর্শনে কোনো চিৰন্তন আত্মাৰ অস্তিত্ব স্বীকাৰ নকৰে। আত্মাৰ এই সূত্র অনিত্যবাদৰ ওপৰত প্রতিষ্ঠিত। এই দর্শনৰ মতে মানসিক প্রক্রিয়াৰ ধাৰা বা অবিৰাম প্রবাহেই আত্মা। মানুহৰ শৰীৰৰ ভিতৰত নানা ধৰণৰ চিন্তা, অনুভূতি, ভাব ইচ্ছা আদিৰ অনবৰতে উত্থান-পতন হৈ থাকে। এই চিৰপ্রবাহমান ক্ষণস্থায়ী মানসিক ক্রিয়াৰ অন্তৰালত আত্মা বুলি স্থায়ী সত্ত্বাৰ অস্তিত্ব থাকিব নোৱাৰে।

বুদ্ধৰ মতে ধাৰাবাহিকতাই এগৰাকী ব্যক্তিৰ অভিন্নতাক সাব্যস্ত কৰে। উদাহৰণ স্বৰূপে, গোটেই ৰাতি জ্বলি থকা চাকি এটাৰ একেটা জুইশিখা দেখিবলৈ পালেও আচলতে প্রতিটো মুহূৰ্তৰ জুইশিখা তাৰ পূর্বৱর্তী জুইশিখাৰ ওপৰত নির্ভৰ কৰে। প্রতিটো মুহূৰ্তৰ জুইশিখাৰ মাজত এটা ধাৰাবাহিকতা আছে বাবেই একেটি জুইশিখা যেন লাগে। ঠিক তেনেদৰে মানৰ জীৱনৰ প্রতিটো বেলেগ বেলেগ মূহুৰ্তৰ মাজত ধাৰাবাহিকতা আছে বাবে সম্পূর্ণ জীৱনটো একক হিচাপে প্রতিভাত হয়।

বৌদ্ধদর্শনৰ মতে পঞ্চস্কন্ধৰ সমষ্টিয়েই হ'ল মানুহ। পঞ্চস্কন্ধক দুটা ভাগত ভাগ কৰা হৈছে— নাম আৰু ৰূপ। মানসিক অংশটো হ'ল 'নাম' আৰু দৈহিক অংশটো হ'ল 'ৰূপ'। পঞ্চস্কন্ধৰ প্রথমটো 'ৰূপ'ৰ অন্তর্গত আৰু বাকী চাৰিস্কন্ধ 'নাম'ৰ অন্তর্গত। বুদ্ধৰ মতে এই পঞ্চস্কন্ধৰ বাহিৰে আত্মা বুলি কোনো নিত্য পাৰমার্থিক সত্তা নাই অর্থাৎ আত্মা বুলি বুজিবলৈ হ'লে পঞ্চস্কন্ধৰ সমষ্টিৰ বাহিৰে আন একো নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বৌদ্ধদর্শনৰ সম্প্রদায় কেইটা আৰু কি কি?

.....

.....

.....

প্রশ্ন ২ ঃ 'আর্য্যসত্য' শব্দটোৰ অর্থ কি?

.....

.....

প্ৰশ্ন ৩ ঃ 'পঞ্চস্কন্ধ' মানে কি?

.....

.....

প্ৰশ্ন ৪ ঃ অষ্টাঙ্গিক মাৰ্গ কেইটাৰ নাম লিখক।

.....

.....

প্ৰশ্ন ৫ ঃ 'প্ৰতীত্যসমুৎপাদ' শব্দৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন ৬ ঃ 'সকাম কৰ্ম' আৰু 'নিষ্কাম কৰ্ম' মানে কি?

.....

.....

.....

১১.৩.৩ বৌদ্ধ দৰ্শনৰ বিভিন্ন সম্প্ৰদায়সমূহ

বুদ্ধদেৱৰ মৃত্যুৰ পিছত তেওঁৰ নৈতিক শিক্ষা আৰু কৰ্মৰ মূল মতবাদ বিভিন্ন দাৰ্শনিক দৃষ্টিভঙ্গীৰে বিভিন্ন সম্প্ৰদায়ত বিভক্ত হৈ পৰে। তাৰ ভিতৰত মুখ্য সম্প্ৰদায় কেইটা হ'ল— (ক) মাধ্যমিক বা শূন্যবাদ, (খ) যোগাচাৰ বা বিজ্ঞানবাদ, (গ) সৌত্ৰান্তিক বা বাহ্যানুমেয়বাদ আৰু (ঘ) বৈভাষিক বা বাহ্যপ্ৰত্যক্ষবাদ। প্ৰকৃততে দুটা তত্ত্বৰ ওপৰত ভিত্তি কৰিয়েই এই চাৰিটা সম্প্ৰদায়ৰ উৎপত্তি হয়। প্ৰথমটো হ'ল— মানসিক বা বাহ্যিক কোনো সত্তা আছে নে নাই? দ্বিতীয়টো হ'ল সত্তাক জানিবৰ উপায় আছে নে নাই? প্ৰথটো অধ্যাত্মতত্ত্ব আৰু দ্বিতীয়টো জ্ঞানতত্ত্ব।

ক) মাধ্যমিক দৰ্শন বা শূন্যবাদ ঃ এই দাৰ্শনিক মতবাদৰ প্ৰতিষ্ঠাপক হ'ল নাগাৰ্জুন। প্ৰায় ২য় খ্ৰীষ্টাব্দত দাক্ষিণাত্যত তেওঁ জন্মগ্ৰহণ কৰে। নাগাৰ্জুনৰ 'মাধ্যমিক কাৰিকা' নামৰ গ্ৰন্থখনত এই দাৰ্শনিক সম্প্ৰদায়ৰ বিষয়ে সবিশেষ পোৱা যায়।

মাধ্যমিক সম্প্ৰদায়ৰ মতে জগতত সত্তা বুলি একোৱেই নাই, বহিৰ্জগত বা অন্তৰ্জগত সকলো শূন্য। তেওঁলোকৰ মতে জ্ঞাতা, জ্ঞেয় আৰু জ্ঞান এই তিনিটা পৰস্পৰ সম্পৰ্কীয়। এই তিনিটাৰ মাজত এটাও যদি মিছা হয়, তেন্তে অন্য কেইটাও মিছা হ'ব। যেনে— ৰছী এডালক সাপ হিচাপে দেখাটো মিছা, গতিকে জ্ঞান আৰু জ্ঞাতাও মিছা।

মাধ্যমিকসকলৰ মতে শূন্য মানে বস্তুৰ অস্তিত্বহীনতা নহয়। বস্তুৰ যথাৰ্থ প্ৰকৃতি যে অবৰ্ণনীয় তাকেহে বুজাইছে। আনহাতে 'মাধ্যমিক' এই শব্দটোৰ তাৎপৰ্য্যও ইয়াতেই অন্তৰ্নিহিত হৈ আছে। অৰ্থাৎ বস্তুৰ যেনেদৰে শাশ্বত সত্তা নাই, তেনেদৰে

ই সম্পূর্ণ অস্তিত্বহীনো নহয়। দুয়োটাৰে মাজৰ যি অৱস্থা, সিয়েই জগত আৰু শূন্য হ'ল এই মাজৰ অৱস্থা।

খ) **যোগাচাৰ দর্শন বা বিজ্ঞানবাদ ঃ** এই দর্শনৰ মতে বিজ্ঞান বা চৈতন্যই হৈছে একমাত্র সৎ, বাকী জাগতিক সকলো বস্তুৰেই মিছা। তেওঁলোকে বিজ্ঞান বা চৈতন্যৰূপী মনৰ অস্তিত্ব স্বীকাৰ কৰে। সেয়েহে তেওঁলোকৰ মতবাদক বিজ্ঞানবাদ বুলি কোৱা হয়। আকৌ যোগ আৰু সদাচাৰৰ মাধ্যমেৰে চৈতন্যৰূপী মনৰ আভ্যন্তৰীণ সত্তা উপলব্ধি কৰি নির্বাণ লাভ কৰিব পাৰি কাৰণে এই মতবাদক যোগাচাৰবাদো বোলা হয়।

যোগাচাৰ দর্শনৰ কেইগৰাকীমান উল্লেখযোগ্য দার্শনিক হ'ল— অসঙ্গ, বসুবন্ধু, দিঙনাগ আদি। 'লঙ্কাৱতাৰ সূত্র' আৰু 'শান্তৰক্ষিতৰ 'তত্ত্বসংগ্রহ' এই দর্শনৰ দুখন উল্লেখযোগ্য পুথি।

যোগাচাৰবাদী সকলে স্বীকাৰ কৰা বিজ্ঞান বা চৈতন্যৰ তিনিটা স্তৰ আছে— আলয় বিজ্ঞান, মনোবিজ্ঞান আৰু প্রবৃত্তি বিজ্ঞান বা বিষয় বিজ্ঞান। আলয়বিজ্ঞানত বস্তু বা বাসনা সম্ভাৱনা ৰূপে বিৰাজমান। মনোবিজ্ঞানত বুদ্ধিয়ে সেইবোৰক বাস্তৱ আকাৰ দান কৰে। প্রবৃত্তি বিজ্ঞানত ইন্দ্রিয়ই সেই বিষয়বিলাক লাভ কৰে। আলয় বিজ্ঞান সকলো বাসনাৰ বীজাৱস্থাৰ আশ্রয় স্বৰূপ। বাসনাৰ কৱলত বিজ্ঞান বিক্ষুব্ধ হয় আৰু জীৱৰ বন্ধন হয়। বাসনা নিৰোধেই নির্বাণ লাভৰ উপায়।

গ) **সৌত্রান্তিক দর্শন বা বাহ্যানুমেয়বাদ ঃ** এই দার্শনিক সম্প্রদায়ৰ প্রতিষ্ঠাতা হ'ল তক্ষশীলাৰ কুমাৱলতা। বসুবন্ধুৱে ৰচনা কৰা 'অভিধর্মকোষ' এই দর্শনৰ এখন উল্লেখযোগ্য গ্রন্থ।

বাহ্যবস্তুৰ জ্ঞান অনুমানৰ দ্বাৰা পৰোক্ষভাৱে হয় কাৰণে সৌত্রান্তিকসকলক বাহ্যানুমেয়বাদ (Representationism) বোলা হয়। আনহাতে, 'সুত্তপিটক'খনক প্রামাণ্য হিচাপে গ্রহণ কৰা বাবে তেওঁলোকক সৌত্রান্তিক বুলিও কোৱা হয়।

সৌত্রান্তিকসকলে মন আৰু জড়বস্তু দুয়োৰে সুকীয়া অস্তিত্ব স্বীকাৰ কৰে বাবে তেওঁলোকক সর্বাস্তিবাদী বোলা হয়। তেওঁলোকৰ মতে বস্তুক আমি পোনপটীয়াকৈ প্রত্যক্ষ কৰিব নোৱাৰোঁ। অনুমানৰ দ্বাৰাহে পৰোক্ষভাৱে বর্হিজগতখন আমি প্রত্যক্ষ কৰোঁ। বস্তুৱে আমাৰ মনত যি চেতনা বা ধাৰণাৰ সৃষ্টি কৰে, আমি সেইবোৰকহে সাক্ষাৎভাৱে প্রত্যক্ষ কৰিব পাৰোঁ। আচলতে এই ধাৰণাবোৰ বস্তুৰ অনুলিপি। এইবোৰৰ সাহায্যত অনুমানৰ ওপৰত ভিত্তি কৰি তাৰ কাৰণ বা উৎস অর্থাৎ বস্তুৰ অস্তিত্ব জানিব পাৰোঁ। মনত যেতিয়া কোনো ধাৰণাৰ সৃষ্টি হয় আৰু আমি যেতিয়া ইয়াৰ স্রষ্টা নহয়, গতিকে ইয়াৰ অন্য এটি কাৰণ নিশ্চয় থাকিব লাগিব। সেই কাৰণটোৱেই হৈছে ধাৰণাৰ সৈতে সম্বন্ধ থকা বস্তু। আমি এই প্রক্রিয়াৰ সহায়েৰে অর্থাৎ অনুমানৰ সহায়ত বস্তু তথা বহির্জগতৰ জ্ঞান লাভ কৰোঁ।

ঘ) **বৈভাষিক দর্শন বা বাহ্যপ্রত্যক্ষবাদ ঃ** 'অভিধর্ম মহাবিভাষ' গ্রন্থখনক এই দর্শনে প্রামাণ্য হিচাপে গ্রহণ কৰা বাবে এই দার্শনিক সম্প্রদায়ক বৈভাষিক দর্শন বুলি কোৱা হয়। আনহাতে, বাহ্যবস্তুৰ জ্ঞান প্রত্যক্ষৰ দ্বাৰা জানিব পাৰি বুলি এই দর্শনে স্বীকাৰ কৰে বাবে এই দর্শনক বাহ্যপ্রত্যক্ষবাদ বোলে।

বৈভাষিক দর্শন সর্বাস্তিবাদী। এই দর্শনৰ মতে বাহ্যবস্তুক সাক্ষাৎভাৱে প্রত্যক্ষ কৰিব পাৰি। তেওঁলোকৰ মতে যিটো বস্তুক আগতে প্রত্যক্ষ কৰা নাযায় তাক অনুমানো কৰিব নোৱাৰি। উদাহৰণস্বৰূপে ধোঁৱা দেখি জুইৰ অস্তিত্ব অনুমান কৰিব পৰাৰ একমাত্র কাৰণ হ'ল অতীতত ধোঁৱা আৰু জুইৰ একেলগে সাক্ষাৎ জ্ঞান লাভ কৰা। পূর্বতে যিজনে জুই দেখাই নাই তেওঁ ধোঁৱা দেখি জুইৰ অস্তিত্ব অনুমান কৰিব নোৱাৰে। গতিকে বস্তুক প্রত্যক্ষভাৱে আগতে নাজানিলে ইয়াৰ অনুমান সম্ভৱ নহয়।

১১.৩.৪ ধর্মৰ ভিত্তিত দুটা বৌদ্ধ সম্প্রদায়

বুদ্ধৰ মহাপৰিনির্বাণৰ পাছত ধর্ম সম্বন্ধে শিষ্যসকলৰ মাজত মতভেদৰ সৃষ্টি হয় আৰু ফলস্বৰূপে মহাযান আৰু হীনযান নামৰ দুটা সম্প্রদায়ত বৌদ্ধধর্ম বিভক্ত হয়।

ক) **হীনযান সম্প্রদায় ঃ** হীনযানী বৌদ্ধসকল কর্মবাদত বিশ্বাসী। এই সম্প্রদায়ৰ অনুগামীসকলে কঠোৰ সংযম আৰু সাধনাৰে বুদ্ধৰ ধর্মোপদেশ, নীতি আৰু বাণী যথাযথভাৱে অনুসৰণ কৰে। তেওঁলোকৰ মতে নির্বাণ লাভৰ বাবে কোনো অলৌকিক শক্তিৰ প্রয়োজন নহয়। দৰাচলতে কর্মবাদৰ দ্বাৰাহে বিশ্বখন নিয়ন্ত্রিত। প্রত্যেক জীৱই নিজৰ অতীত কর্মফল অনুসৰি বিশেষ ধৰণৰ দেহ, মন, অৱস্থান আদি লাভ কৰে। আত্মসংযমৰ জৰিয়তে ইন্দ্রিয়াদিৰ নিয়ন্ত্রণ কৰি নিজ চেষ্টাৰে মানুহে নির্বাণ লাভ কৰিব পাৰে। হীনযানীসকলে নিজ কর্মক্ষমতা আৰু সৎকর্মৰদ্বাৰা নির্বাণৰ পথ মুকলি কৰি ল'ব লাগে বুলি মত পোষণ কৰে। অর্থাৎ সংসাৰত জন্মগ্রহণ কৰি দুখ কষ্ট ভোগ কৰাটো নিজৰ কর্মফল। স্বকর্মৰদ্বাৰা এই দুখ কষ্টৰ পৰা মুক্তি লাভ কৰিব পাৰি। পৰমুখাপেক্ষী হোৱাটো অধর্ম।

হীনযানীসকলে বুদ্ধৰ আদর্শ কঠোৰভাৱে পালন কৰে। গতিকে ঈশ্বৰ, আত্মা আদিৰ দৰে অতীন্দ্রিয় সত্তাৰ অস্তিত্ব তেওঁলোকে বিশ্বাস নকৰে। আনহাতে, এনেকুৱা কঠোৰ আদর্শ থকা বাবে সাধাৰণলোকে এই ধর্ম গ্রহণ কৰাটো কিছু পৰিমাণে কঠিন হৈ পৰে। সাধাৰণ লোকে বিচাৰে ঈশ্বৰ বা আত্মাৰ দৰে অলৌকিক অসীম সত্তাৰ অস্তিত্ব, যাৰ ওচৰত তেওঁলোকে ভক্তিৰ অঞ্জলি যাঁচিব পাৰে। গতিকে কম সংখ্যক লোকহে এই ধর্মৰ প্রতি আকৃষ্ট হয়। সেই কাৰণে এই সম্প্রদায়ক হীনযান আখ্যা দিয়া হয়, অর্থাৎ হীন সংখ্যক বা কমসংখ্যক মানুহ কঢ়িয়াব পৰা যান বা শকট।

সৌত্রান্তিক আৰু বৈভাষিক সকল হীনযান সম্প্রদায়ৰ অন্তর্ভুক্ত। হীনযানী সকলৰ মতবাদ পালিভাষাত ৰচিত। ত্রিপিটক তেওঁলোকৰ মূল গ্রন্থ। বুদ্ধৰ মত আৰু বাণীকেই সাৰোগত কৰি অতি নিষ্ঠাৰে সেইবোৰ পালন কৰা বাবে ইয়াক স্থবিৰবাদ বা থেৰবাদ বুলি কোৱা হয়।

খ) মহাযান ঃ হীনযানীসকলৰ ধর্মৰ কঠোৰতা আৰু নানা বাধা নিষেধ থকা কাৰণে সাধাৰণ মানুহৰ বাবে এই ধর্ম গ্রহণ কৰাটো কঠিন হৈ পৰে। আনহাতে সম্রাট অশোকৰ পৃষ্ঠপোষকতাত বৌদ্ধ ধর্ম দিনক-দিনে দেশে-বিদেশে প্রসাৰ লাভ কৰিবলৈ ধৰে। ফলস্বৰূপে সহজসৰলভাৱে সকলোৱে গ্রহণ কৰিব পৰাকৈ এটা নতুন বৌদ্ধ ধর্মৰ অভ্যুত্থান হয়। এই নতুন ধর্ম গ্রহণ কৰা লোকসকলৰ নিজা নিজা বিশ্বাস, সংস্কাৰ আদিও বৌদ্ধধর্মৰ অংশ হৈ পৰে। অৱশ্যে এই নতুন ধর্মৰ বুদ্ধৰ মৌলিক তত্ত্বৰ সৈতে বিৰোধী নাছিল। সংখ্যাগৰিষ্ঠ লোকে এই পন্থাটো গ্রহণ কৰা বাবে ইয়াক মহাজন ধর্ম নাম দিয়া হয়।

মহাযানীসকলৰ মতে মানুহে অকল নিজৰ মুক্তিৰ কথাকে নাভাবি জনগণৰ মুক্তিৰ কথাও ভাবিব লাগে। বুদ্ধদেৱে তেওঁৰ জীৱন আৰু বাণীৰ মাজেদি এনে মতকেই প্রকাশ কৰিছে বুলি মহাযানীসকলে কয়। বুদ্ধদেৱে নির্বাণ লাভ কৰাৰ পাছতো জনগণৰ দুখ মোচনৰ কাৰণে নিজকে উৎসর্গ কৰিছিল।

মহাযানীসকলে ব্যৱহাৰিক দৃষ্টিভঙ্গী এটা লৈ বৌদ্ধদর্শনৰ যি সংস্কাৰ সাধন কৰাৰ চেষ্টা কৰিছে, তাত পৰম্পৰাগত ভাৰতীয় চিন্তাধাৰাৰ প্রভাৱ লক্ষ্য কৰিব পাৰি— ঈশ্বৰ, আত্মাৰ অস্তিত্ব আৰু অমৰত্ব আদি বৈদিক চিন্তাৰে সৈতে সাদৃশ্যপূর্ণ। তেওঁলোকৰ গ্রন্থৰাজিও সংস্কৃত ভাষাত ৰচিত, যাৰ ফলত তেওঁলোকৰ ধর্মমতৰ প্রচাৰ বিস্তাৰিত হয়।

মহাযানীসকলে পূর্ণজ্ঞানৰ অৱস্থাপ্রাপ্ত ব্যক্তিক বোধিসত্ত্বৰ অৱস্থাৰ লগত তুলনা কৰে। বোধিসত্ত্বৰ অৱস্থা অর্থাৎ সংসাৰৰ পৰা আঁতৰি নাথাকি সকলো জীৱৰ দুখ-কষ্ট লাঘৱ কৰি সিহঁতৰ মুক্তিৰ পথ মুকলি কৰিবৰ বাবে নিজকে উৎসর্গ কৰা।

মহাযানীসকলে বুদ্ধকে ঈশ্বৰ বুলি ভাবে। বুদ্ধ পৰমসত্তাৰ এক অৱতাৰ। তেওঁলোকে আত্মাৰ অস্তিত্বক বিশ্বাস কৰে। তেওঁলোকৰ মতে জীৱাত্মাহে মিছা, কিন্তু পৰমাত্মা সঁচা। জাগতিক আত্মাকেই পৰমাত্মা বোলে। অনিত্য জগতখন পৰমাত্মাৰেই অভিব্যক্তি। অবিদ্যাৰ বাবে জীৱাত্মাই নাম-ৰূপ পৰিগ্রহ কৰি সংসাৰত দুখ ভোগ কৰে। বিদ্যাৰদ্বাৰা যেতিয়া প্রকৃত স্বৰূপ উপলব্ধ হয়, তেতিয়া জীৱই নির্বাণ লাভ কৰে।



জানি থোৱা ভাল

বুদ্ধৰ শিক্ষা আৰু দর্শন ঘাইকৈ তিনিখন পিটকত পোৱা যায়। এই তিনিখনক একেলগে ত্রিপিটক বোলা হয়। সেইবোৰ হ'ল— সূত্ত পিটক, বিনয় পিটক আৰু অভিধর্ম পিটক। এই পিটকবোৰ পালিভাষাত লিখা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ মাধ্যমিক সম্প্রদায়ৰ প্রতিষ্ঠাপক কোন?

.....

প্রশ্ন ৮ ঃ সৌত্রান্তিক দর্শনক ব্যহ্যানুময়বাদ বুলি কিয় কোৱা হয়?

.....

.....

প্রশ্ন ৯ ঃ বাহ্য প্রত্যক্ষবাদ কাক বোলে?

.....

.....

প্রশ্ন ১০ ঃ হীনযানীসকলৰ ধর্মীয় মতবাদ কি ভাষাত ৰচিত?

.....

প্রশ্ন ১১ ঃ যোগচাৰ দর্শনৰ কেইগৰাকীমান উল্লেখযোগ্য দার্শনিকৰ নাম লিখক।

.....

.....

প্রশ্ন ১২ ঃ যোগাচাৰবাদীসকলৰ মতে বিজ্ঞান বা চৈতন্যৰ কেইটা স্তৰ আৰু কি কি?

.....

.....



১১.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- বৌদ্ধ-দর্শনৰ চমু পৰিচয় জানিব পাৰিলোঁ।
- বুদ্ধৰ নৈতিক শিক্ষাৰ মুখ্য বিষয় চাৰিটা আর্য্যসত্যৰ লগত পৰিচিত হ'লোঁ।
- বৌদ্ধ দর্শনৰ চাৰিটা দার্শনিক তত্ত্বৰ জ্ঞান লাভ কৰিলোঁ।
- বৌদ্ধ দর্শনৰ চাৰিটা মুখ্য দার্শনিক সম্প্রদায়ৰ বিষয়ে জানিলোঁ।
- মহাযান আৰু হীনযান সম্প্রদায়ৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিলোঁ।



১১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচার্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকাতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.

2) Sinha, Jadunath (1999); *Indian Philosophy* (Vol I & II); Delhi– 110007: MLBD.



১১.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বৌদ্ধ দর্শনৰ সম্প্ৰদায় চাৰিটা। সেইকেইটা হ'ল— (১) মাধ্যমিক বা শূন্যবাদ, (২) যোগাচাৰ বা বিজ্ঞানবাদ (৩) সৌত্ৰান্তিক বা বাহ্যানুমেয়বাদ আৰু (৪) বৈভাষিক বা বাহ্যপ্ৰত্যক্ষবাদ।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'আর্য্যসত্য' শব্দটোৰ অর্থ হ'ল 'মহৎসত্য', অর্থাৎ যি সত্যৰ সন্ধান পালে মানুহ জ্ঞানী হয় আৰু নির্বাণ লাভ কৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ বৌদ্ধদর্শনৰ মতে আত্মা বা জীৱ পঞ্চস্কন্ধৰ সমষ্টি। সেইবোৰ হ'ল— ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ, বিজ্ঞান।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অষ্টাঙ্গিক মার্গকেইটা হ'ল— সম্যক্ দৃষ্টি, সম্যক্ সঙ্কল্প, সম্যক্ বাক, সম্যক্ কর্মান্ত, সম্যক্ আজীৱ, সম্যক্ ব্যায়াম, সম্যক্ স্মৃতি আৰু সম্যক্ সমাধি।

৫নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰতীত্য' শব্দৰ অর্থ হ'ল 'পোৱা' আৰু 'সমুৎপাদ' মানে হ'ল 'উৎপত্তি' বা 'আৱির্ভাৱ'। প্ৰতীত্য-সমুৎপাদ' মানে হ'ল 'প্ৰাপ্ত কাৰণৰ পৰা কার্য্যৰ উদ্ভৱ'।

৬নং প্ৰশ্নৰ উত্তৰ ঃ কামনা-বাসনা বা ফলৰ আকাংক্ষা লৈ যি কাম কৰা হয়, তাক সকাম কর্ম বোলা হয় আৰু বাসনাহীনভাৱে কেৱল কর্মৰ প্ৰতি অনুগত হৈ সম্পাদন কৰা কর্মক নিষ্কাম কর্ম বোলা হয়।

৭নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপক হ'ল নাগার্জুন।

৮নং প্ৰশ্নৰ উত্তৰ ঃ সৌত্ৰান্তিক দর্শনৰ মতে বাহ্য বস্তুৰ জ্ঞান অনুমানৰ দ্বাৰা পৰোক্ষভাৱে হয় কাৰণে এই দর্শনক বাহ্যানুমেয়বাদ বোলে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ বৈভাষিক দর্শনৰ মতে বাহ্যবস্তুৰ জ্ঞান প্রত্যক্ষৰ দ্বাৰা জানিব পাৰি কাৰণে এই দর্শনক বাহ্য প্রত্যক্ষবাদ বোলে।

১০নং প্ৰশ্নৰ উত্তৰ ঃ হীনযানীসকলৰ ধর্মীয়মতবাদসমূহ পালিভাষাত ৰচিত।

১১নং প্ৰশ্নৰ উত্তৰ ঃ যোগাচাৰ দর্শনৰ কেইগৰাকীমান উল্লেখযোগ্য দার্শনিক হ'ল— অসঙ্গ, বসুবন্ধ, দিঙনাগ আদি।

১২নং প্ৰশ্নৰ উত্তৰ ঃ যোগাচাৰবাদীসকলৰ মতে বিজ্ঞান বা চৈতন্যৰ তিনিটা স্তৰ— আলয়বিজ্ঞান, মনোবিজ্ঞান আৰু বিষয়বিজ্ঞান।



১১.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পঞ্চস্কন্ধৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ মাধ্যমিক দর্শনক কিয় শূন্যবাদ বুলি কোৱা হয় সংক্ষেপে লিখক।

খ) চমু প্ৰশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

যোগাচাৰ দর্শন, বৈভাষিক দর্শন, সৌত্রান্ত্রিক দর্শন

প্ৰশ্ন ২ ঃ অনাত্মবাদৰ বৈশিষ্ট্য বর্ণনা কৰক।

গ) ৰচনাধর্মী প্ৰশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চাৰিটা আর্য্যসত্যৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ ক্ষণিকবাদ মানে কি? প্রতীত্যসমুৎপাদৰ লগত ইয়াৰ সম্পর্ক কি?

*** ***** ***

অধ্যায় ১২ ঃ প্রমাণ (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ প্রমাণ শব্দৰ অর্থ
১২.৪ প্রমাণৰ প্রকাৰভেদ
১২.৫ প্রমাণৰ প্রয়োজনীয়তা
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রমাণ শব্দৰ প্রকৃত অর্থ জানিব পাৰিব
- বিভিন্ন দর্শনত প্রমাণৰ বিষয়ে কোৱা কথাবোৰৰ লগত অৱগত হ'ব পাৰিব
- প্রমাণৰ ভাগবোৰ জানিব পাৰিব
- প্রমাণৰ প্রয়োজনীয়াৰ বিষয়েও অৱগত হব পাৰিব।

১২.২ পৰিচয়

আপুনি ইতিমধ্যে ভাৰতীয় দর্শনৰ লগত পৰিচিত হৈছে আৰু ভাৰতীয় দর্শনে যে পৃথিৰীৰ ভিতৰতেই এক সুকীয়া স্থান অধিকাৰ কৰি আছে সেই বিষয়েও অবগত হৈছে। জ্ঞানতত্ত্ব বা জ্ঞানৰ বিষয়ে আলোচনা কৰাটো যে ভাৰতীয় দর্শনৰ এটি মুখ্য বিষয় সেই বিষয়েও আপুনি ইতিমধ্যে জানিব পাৰিছে। প্রকৃত সত্যৰ অন্বেষণ আৰু জ্ঞান লাভেই হ'ল ভাৰতীয় দর্শনৰ মূল বিষয় বস্তু। সত্য জ্ঞানৰ লগত নিবিড়ভাৱে যুক্ত হৈ থাকে প্রমাণ। কাৰণ, প্রমাণেই সত্য জ্ঞানৰ সিদ্ধি ঘটায়। অর্থাৎ প্রমাণৰ ওপৰত নির্ভৰ কৰি সত্য জ্ঞান প্রতিষ্ঠিত হয়। গতিকে এই প্রমাণৰ বিষয়ে আলোচনা কৰাটো দর্শনৰ শিক্ষার্থীৰ বাবে অতি প্রয়োজনীয়। প্রমাণৰ সম্বন্ধে জ্ঞান থাকিলে সাংসাৰিক ক্ষেত্রতো বহুতো কথা সহজে বুজি পাব পাৰি। সেই কাৰণে এই অধ্যায়টি প্রমাণক মুখ্য বিষয় হিচাপে গ্রহণ কৰা হৈছে। এই অধ্যায়টিত অধ্যয়ন কৰি আপুনি প্রমাণ শব্দটোৰ প্রকৃত অর্থ জানিব পাৰিব। বিভিন্ন দর্শনত প্রমাণৰ বিষয়ে কেনেদৰে আলোচনা কৰা হৈছে সেই বিষয়েও অৱগত হ'ব। তদুপৰি প্রমাণক বিভিন্ন ভাৰতীয় দর্শনত কি কি ভাগত ভগোৱা হৈছে সেই বিষয়ে জানিব পাৰিব। ইয়াৰ উপৰিও প্রমাণৰ প্রয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়েও অৱগত হ'ব।



কৰণ ঃ অসাধাৰণ কাৰণকেই কৰণ বোলে। ব্যাকৰণশাস্ত্ৰত যিটো সাধকতম অর্থাৎ উৎকৃষ্ট সাধক তাকেই কৰণ বোলা হয়। সহজ ভাষাত ক'ব গ'লে যিটোৱে প্ৰধানভাৱে কার্য্য হোৱাত সহায় কৰে সেইটোৱে কৰণ।

কুসুমাঞ্জলি ঃ উদয়নাচার্য্যৰ কুসুমাঞ্জলি ন্যায় দর্শনৰ ওপৰত লিখা এখন মূল্যবান গ্ৰন্থ।

অনপেক্ষ ঃ অনপেক্ষ শব্দটোৰ অর্থ হ'ল অপেক্ষা নথকা। যিটোৱে বেলেগৰ কাৰণে থাকিব নালাগে সেইটোৱে অনপেক্ষ অর্থাৎ স্বয়ংসম্পূর্ণ।

বেদান্তপৰিভাষা ঃ ধর্মৰাজাদ্ধৰীন্দ্রই লিখা বেদান্ত দর্শনৰ এখন উল্লেখযোগ্য গ্ৰন্থ। ইয়াত ৮টা অধ্যায় আছে। অধ্যায়বোৰ হ'ল ক্ৰমে— প্রত্যক্ষ, অনুমান, উপমান, আগম, অর্থাপত্তি, অনুপলব্ধি, বিষয় আৰু প্রয়োজন। অদ্বৈত দর্শনৰ প্রায়বোৰ বিষয়ৰে বিশদ আলোচনা ইয়াত পোৱা যায়।

ন্যায়সূত্র ঃ আচার্য্য গৌতমে ন্যায়দর্শনৰ ওপৰত লিখা এখন গ্ৰন্থ। ন্যায়দর্শনৰ মূল কথাবোৰ এই সূত্রসমূহত কোৱা হৈছে। সূত্র মানে হ'ল অতি সংক্ষিপ্তভাৱে সন্দেহহীন ভাৱে প্রকাশ কৰা পদ্ধতি। আচার্য্য গৌতমে তেওঁৰ প্রথমটো ন্যায়সূত্রতেই প্রমাণ শব্দটো উল্লেখ কৰিছে।

১২.৩ প্রমাণ শব্দৰ অর্থ

প্রমাৰ **কৰণক** প্রমাণ বুলি কোৱা হয়। 'প্রমা' শব্দটোৰ অর্থ হ'ল যথার্থ জ্ঞান বা সঁচা জ্ঞান। সংস্কৃতত 'প্রমাৰ' প্রসঙ্গত কোৱা হৈছে 'তদ্‌বতি তদ্‌প্রকাৰকোহনুভবঃ'। 'তদ্‌বতি' শব্দটোৰ অর্থ হ'ল 'সেইটো যেনেকুৱা' 'তদপ্রকাৰকম্' পদটোৰ অর্থ হ'ল 'সেই প্রকাৰৰ' বা 'সেই ধৰণৰ'। অর্থাৎ সেইটো যেনেকুৱা তেনেকুৱা ধৰণৰ জ্ঞানেই হ'ল প্রমা। এটা পদার্থ সচাকৈয়ে যেনেকুৱা সেই ধৰণৰ জ্ঞানেই হ'ল প্রমা বা যথার্থজ্ঞান। **কুসুমাঞ্জলিত** উদয়নে প্রমাৰ বিষয়ে কৈছে— 'যথার্থোহনুভবো মানমনপেক্ষতয়েষ্যতে'। এই বাক্যক ভাঙিলে পোৱা যায় যর্থার্থঃ - অনুভবঃ - মানম্ - অনপেক্ষতয়া-ইষতে। ইয়াৰ অর্থ হ'ল যি অনুভৱ বা জ্ঞান যথার্থ আৰু **অনপেক্ষ** সেয়াই হ'ল প্রমা। **বেদান্তপৰিভাষাত** কোৱা হৈছে— 'প্রমাত্বমনধিগতা বাধিতার্থ বিষয়জ্ঞানত্বম্'। এই বাক্যটোক ভাঙিলে এনেদৰে পোৱা যায় প্রমাত্বম্ - অনধিগত - অবাধিত - অর্থ বিষয়জ্ঞানত্বম্। অর্থাৎ অনধিগত যিটো কাৰো অধিগত নহয় অর্থাৎ অনপেক্ষ, অবাধিত - বাধাহীন - যথার্থ অর্থ বিষয়ৰ জ্ঞানেই হ'ল প্রমা। সহজ ভাষাত কব গলে এটা বস্তুৰ সঠিক জ্ঞানেই হ'ল প্রমা। ইয়াৰ বিপৰীত জ্ঞানেই হ'ল অপ্রমা বা অযথার্থজ্ঞান। তর্কসংগ্রহত অন্নংভট্টই অপ্রমাণ প্রসঙ্গত কৈছে - 'তদভাববতি তৎপ্রকাৰকোহ নুভবোহ যথার্থঃ'। বাক্যটোক ভঙিলে আমি পাওঁ— তৎ - অভাববতি - তৎপ্রকাৰকঃ - অনুভবঃ - অযথার্থঃ।অর্থাৎ সেইটোত যি অভাব আছে তেনেকুৱা ধৰণৰ জ্ঞানেই হ'ল অযথার্থজ্ঞান বা অপ্রমা। অর্থাৎ যিটো পদার্থ যেনেকুৱা নহয়, তেনেকুৱা ধৰণে হোৱা জ্ঞানক অপ্রমা বুলি কোৱা হয়। অপ্রমা সঠিক জ্ঞান নহয়। এই অপ্রমা বা অযথার্থজ্ঞানৰ উদাহৰণ হিচাপে কোৱা হয় 'ৰজ্জৌ সর্পজ্ঞানম্'। অর্থাৎ ৰচি এডাল লক্ষ্য কৰি যদি সেই ডালক সাপ বুলি ভবা হয় তেতিয়াহলে সেইটোকেই অযথার্থ জ্ঞান বা অপ্রমা বুলি কোৱা হয়। অপ্রমা বা অযথার্থ জ্ঞানৰ লগত প্রমাণৰ সম্পর্ক নাই। আনফালে যাৰ দ্বাৰা প্রমা বা যথার্থজ্ঞান সাধিত হয় সেইটোৱেই হ'ল প্রমাণ। বাস্তৱ জীৱনতো আমি প্রমাণ ব্যতিৰেকে (অবিহনে) কোনো এটা ঘটনা বা বস্তুৰ অস্তিত্ব বা অস্বিত্বহীনতাক মানি নলওঁ। অর্থাৎ কিবা এটা পদার্থৰ বিষয়ে প্রমাণ দাঙি ধৰিব পাৰিলেহে আমি বস্তুটো আছে বুলি স্বীকাৰ কৰো আৰু কিবা এটা বস্তু নথকাৰ বিষয়ে প্রমাণ দিলেহে আমি বস্তুটো নাই বুলি স্বীকাৰ কৰো। একেদৰে দর্শনশাস্ত্রতো স্বীকাৰ কৰি লোৱা পদার্থবিলাকৰ বিষয়ে সঠিক জ্ঞান প্রমাণৰ দ্বাৰাহে সম্ভৱ হয়। ন্যায়দর্শনক প্রমাণ-পৰীক্ষাৰ শাস্ত্র বুলি কোৱা হয়। **ন্যায়সূত্রত** প্রমাণক যোল্লটা পদার্থৰ এটা বুলি স্বীকাৰ কৰা হৈছে আৰু আন আন পদার্থৰ লগত প্রমাণৰ বিষয়ে হোৱা যথার্থজ্ঞানেৰে মুক্তি লাভ হয় বুলি ন্যায়সূত্রত কোৱা হৈছে। প্রকৃততে প্রমাণ শব্দটোক ভাঙিলেই ইয়াৰ প্রকৃত অর্থ বুজা যায়। 'প্র' এই উপসর্গৰ লগত 'মা' ধাতুৰ লগত ল্যুট্ প্রত্যয় সংযুক্ত কৰি প্রমাণ শব্দটো পোৱা যায়। 'প্র' এই উপসর্গটো 'প্রকৃষ্ট' অর্থাৎ 'উত্তম' এই অর্থত বুজা যায়। 'মা' ধাতুৰ অর্থ জ্ঞান। গতিকে প্রমাণ শব্দটোৰ দ্বাৰা প্রকৃত জ্ঞান বা যথার্থ জ্ঞানৰ কাৰণকেই বুজায়। এই অর্থ গ্রহণ কৰি আমি 'প্রমাকৰণং প্রমাণম্' — এইটোকেই প্রমাণৰ লক্ষণ হিচাপে স্থিৰ কৰিব পাৰোঁ।



জানি থোৱা ভাল

- ন্যায়বৈশেষিক দর্শনত জ্ঞান বা বুদ্ধিক দুটা ভাগত ভগোৱা হৈছে— স্মৃতি আৰু অনুভব। 'ভাবনা' নামৰ সংস্কাৰৰ পৰা যি জ্ঞান উৎপন্ন হয় সেইটোকেই স্মৃতি বুলি কোৱা হয়। তর্কসংগ্রহত স্মৃতিৰ লক্ষণ প্রসঙ্গত কোৱা হৈছে— 'সংস্কাৰমাত্রজন্যং জ্ঞানং স্মৃতিঃ'। স্মৃতিৰ পৰা বেলেগ জ্ঞানেই হ'ল অনুভৱ। এই অনুভৱেই যথার্থ আৰু অযথার্থ —এই দুটা ভাগত বিভক্ত। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল 'অনুভব' প্রমাণৰ পিছত উৎপন্ন হোৱা জ্ঞান। 'অনু' অর্থাৎ পিছত। অনু প্রমাণব্যাপাৰাৎ পৰং ভবতি যঃ সঃ অনুভবঃ। আনফালে স্মৃতিৰ লগত প্রমাণৰ সম্পর্ক নাই। এই স্মৃতি যথার্থ হ'লেও প্রমা নহয়।
- যদিও জ্ঞানক স্মৃতি আৰু অনুভৱ বুলি অন্নংভট্টই বিভক্ত কৰিছে কিন্তু প্রকৃততে এই দুটাতকৈ পৃথক আৰু এক ধৰণৰ জ্ঞান আছে যাক প্রত্যভিজ্ঞা বুলি কোৱা হয়। সঃ অয়ং দেবদত্তঃ (সেইজন এই দেবদত্ত) এনেদৰে প্রত্যভিজ্ঞা বুজোৱা হয়। কেৱলমাত্র সংস্কাৰৰ পৰা উৎপন্ন জ্ঞানেই হ'ল স্মৃতি, সংস্কাৰৰ দ্বাৰা উৎপন্ন নোহোৱা জ্ঞান হ'ল অনুভৱ আৰু সংস্কাৰ আৰু ইন্দ্রিয় —এই দুটাৰ পৰা উৎপন্ন জ্ঞানেই হ'ল প্রত্যভিজ্ঞা।
- পৰমাত্মাৰ এটাহে জ্ঞান। পৰমাত্মাৰ জ্ঞান বিষয়ৰ ভেদত বেলেগ নহয়। পৰমাত্মাৰ জ্ঞানত সংসাৰৰ সকলোবস্তুৰেই বিষয় হয়। কেৱল বর্তমানৰ নহয় অতীত আৰু ভবিষ্যতৰ বস্তুবোৰো এই জ্ঞানৰ বিষয় হয়। পৰমাত্মাৰ জ্ঞান প্রমাও নহয়, অপ্রমাও নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ প্রমা শব্দৰ অর্থ কি?

.....

প্রশ্ন ২ ঃ প্রমাৰ লক্ষণ কি?

.....

.....

প্রশ্ন ৩ ঃ অপ্রমাৰ লক্ষণ তর্কসংগ্রহত কেনেদৰে পোৱা যায়?

.....

.....

প্রশ্ন ৪ ঃ এটা অপ্রমাৰ উদাহৰণ দিয়ক।

.....

প্রশ্ন ৫ ঃ প্রমাণৰ লক্ষণ কি?

.....

প্রশ্ন ৬ ঃ ন্যায়সূত্র কোনে ৰচনা কৰিছিল?

.....

প্রশ্ন ৭ ঃ স্মৃতি আৰু অনুভবৰ মাজত পার্থক্য কি?

.....

.....

১২.৪ প্রমাণৰ প্রকাৰভেদ

যদিও প্রায় সকলো ভাৰতীয় দর্শনে প্রমাণৰ বিষয়ে আলোচনা কৰিছে কিন্তু বিভিন্ন দর্শনত প্রমাণৰ বিভাগক লৈ বেলেগ বেলেগ অভিমত প্রকাশ কৰা দেখা যায়। চার্ব্বাক দর্শনত কেৱলমাত্র প্রত্যক্ষক প্রমাণ হিচাপে স্বীকাৰ কৰা হৈছে। বৈশেষিক দর্শন আৰু বৌদ্ধ দর্শনত প্রত্যক্ষ আৰু অনুমান এই দুটা প্রমাণক স্বীকাৰ কৰা হৈছে। যোগ দর্শন আৰু সাংখ্য দর্শনত প্রত্যক্ষ, অনুমান আৰু শব্দ এই তিনিটা প্রমাণ স্বীকাৰ কৰা হৈছে। ন্যায় দর্শনত চাৰিটা প্রমাণ স্বীকাৰ কৰা হৈছে। যেনে— প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ। মীমাংসা দর্শনত ছটা প্রমাণ স্বীকাৰ কৰি লোৱা হৈছে। যেনে— প্রত্যক্ষ, অনুমান, উপমান, শব্দ, অর্থাপত্তি আৰু অনুপলব্ধি। বেদান্ত দর্শনেও ছটা প্রমাণক স্বীকাৰ কৰিছে। সেইকেইটা হ'ল প্রত্যক্ষ, অনুমান, উপমান, শব্দ, অর্থাপত্তি আৰু অভাৱ। এই বিষয়ে কাৰিকাত এনেদৰে পোৱা যায়—

প্রত্যক্ষমেকং চার্ব্বাকাঃ **কণাদসুগতৌ** পুনঃ।
অনুমানঞ্চ তচ্চাপি সাংখ্যাঃ শব্দঞ্চ তে পুনঃ।।
ন্যায়ৈকদেশিনোহপ্যেবমুপমানঞ্চ কেচন।
অর্থাপত্ত্যা সহৈতানি চত্বার্যাহুঃ **প্রাভাকৰাঃ**।।
অভাবষষ্ঠান্যেতানি **ভাট্টা বেদান্তিন**স্তথা।
সম্ভবৈতিহ্যযুক্তানি তানি পৌৰাণিকাস্ততঃ।।

এনেদৰে দেখা যায় যে বেলেগ বেলেগ দর্শনে নিজৰ নিজৰ দৃষ্টিভঙ্গী অনুসৰি বেলেগ বেলেগ ধৰণৰ প্রমাণক স্বীকাৰ কৰিছে। প্রত্যক্ষ প্রমাণক কিন্তু সকলো দর্শনে স্বীকাৰ কৰি লৈছে। ইন্দ্রিয় আৰু বিষয়ৰ সংযোগত পোৱা জ্ঞানেই হ'ল প্রত্যক্ষ জ্ঞান আৰু এনেকুৱা প্রত্যক্ষ জ্ঞানৰ কৰণেই হ'ল প্রত্যক্ষ প্রমাণ। তর্ক সংগ্রহত অন্নংভট্টই প্রত্যক্ষৰ প্রসঙ্গত কৈছে— 'ইন্দ্রিয়ার্থসন্নিকর্ষজন্যং জ্ঞানং প্রত্যক্ষম্'। প্রত্যক্ষশব্দটোক তিনি ধৰণে ভাঙিব পাৰি; (i) প্রতি বিষয়ং প্রতি, অক্ষম্ ইন্দ্রিয়ম্। অর্থাৎ বিষয়ং প্রতি গতম্ ইন্দ্রিয়ং যস্মৈ প্রয়োজনায় তৎ প্রত্যক্ষম্। এই বাক্যৰ সহজ অর্থ হ'ল যি প্রয়োজনৰ বাবে বিষয়ৰ লগত ইন্দ্রিয় সংযুক্ত হয় সেইটোৱে হ'ল প্রত্যক্ষ। এই অর্থ গ্রহণ কৰিলে প্রত্যক্ষ পদটোৱে জ্ঞানক সূচায় কাৰণ জ্ঞানলাভৰ বাবেহে ইন্দ্রিয়ৰ লগত বিষয়ৰ সংযোগ ঘটে। (ii) প্রতি বিষয়ং প্রতি গতম্ অক্ষম্ অর্থাৎ বিষয়সন্নিকৃষ্টম্ ইন্দ্রিয়ম্—



কণাদ ঃ কণাদ বৈশেষিক সূত্রৰ ৰচক হোৱা কাৰণে কণাদ পদেৰে বৈশেষিক দর্শনক বুজোৱা হয়।

সুগত ঃ সুগত পদেৰে বুদ্ধদেৱ আৰু সৌগত পদেৰে বৌদ্ধ দর্শনক বুজোৱা হয়।

প্রাভাকৰাঃ প্রভাকৰ পদটোৱে প্রভাকৰ মিশ্রক বুজায়। আৰু এওঁৰ মীমাংসাক অনুসৰণ কৰাবোৰেই হ'ল— প্রাভাকৰাঃ

ভাট্টা ঃ কুমাৰিলভট্টৰ মীমাংসাদর্শনৰ অনুসৰণকাৰী সকলক ভাট্টাঃ বা ভাট্টমীমাংসকাঃ বুলি কোৱা হয়।

বেদান্তিন ঃ বেদান্ত দর্শনক অনুসৰণ কৰা লোকসকলক বেদান্তিন বুলি কোৱা হয়।

এনেকুৱা অর্থ গ্ৰহণ কৰিলে প্ৰত্যক্ষ শব্দটোৰ দ্বাৰা প্ৰত্যক্ষজ্ঞানৰ কৰণক বুজোৱা হয়। (iii) প্ৰতি— যং বিষয়ং প্ৰতি গতম্ অক্ষম্ এনেকুৱা ব্যুৎপত্তি গ্ৰহণ কৰিলে যি বিষয়ৰ প্ৰতি ইন্দ্ৰিয়ই গমন কৰে সেই ইন্দ্ৰিয়সন্নিকৃষ্ট বিষয়টোকেই প্ৰত্যক্ষপদৰ দ্বাৰা বুজোৱা হয়। গতিকে প্ৰত্যক্ষ পদটোৱে প্ৰত্যক্ষ জ্ঞানক, প্ৰত্যক্ষ প্ৰমাণক আৰু প্ৰত্যক্ষ জ্ঞানৰ বিষয়কো বুজায়। প্ৰত্যক্ষ প্ৰমাণৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে তর্কসংগ্ৰহত— 'প্ৰত্যক্ষ জ্ঞানকৰণং প্ৰত্যক্ষম্'। প্ৰত্যক্ষ জ্ঞানৰ কৰণেই হ'ল প্ৰত্যক্ষ প্ৰমাণ। চকু, কাণ, নাক, জিভা, ছাল আৰু মন এই ছটা ইন্দ্ৰিয়ই হ'ল প্ৰত্যক্ষ প্ৰমাণ। কাৰণ এই ইন্দ্ৰিয়কেইটাৰ অভাৱত প্ৰত্যক্ষজ্ঞান সম্ভৱ নহয়। এই ইন্দ্ৰিয় কেইটাৰ লগত যেতিয়া বিষয়বোৰৰ সংযোগ হয় তেতিয়াহে প্ৰত্যক্ষ জ্ঞান হয়। উদাহৰণৰ দ্বাৰা বিষয়টো বুজাব পাৰি। এজন মানুহে কুঠাৰৰ দ্বাৰা গছ কাটি থকা দেখি আনজন মানুহে কলে কুঠাৰেণ বৃক্ষং ছিনত্তি অর্থাৎ কুঠাৰেৰে গছ কাটি আছে। এই ক্ষেত্ৰত মানুহজনে গছ কাটি থকা বিষয়টোৰ লগত দ্বিতীয়জনৰ চকুৰ সংযোগ হ'ল। দ্বিতীয়জনৰ চকুৰ লগত মানুহজনৰ কুঠাৰেৰে গছকাটি থকা বিষয়টোৰ সংযোগ হোৱাত দ্বিতীয়জনৰ মনত কুঠাৰেণ বৃক্ষং ছিনত্তি —এই জ্ঞানটো হ'ল। এয়াই প্ৰত্যক্ষ জ্ঞান আৰু এইক্ষেত্ৰত চকু হ'ল এই জ্ঞানৰ কৰণ —গতিকে প্ৰত্যক্ষ প্ৰমাণ। সাংখ্যকাৰিকা নামৰ গ্ৰন্থত ঈশ্বৰকৃষ্ণই প্ৰত্যক্ষপ্ৰমাণৰ ঠাইত দৃষ্ট প্ৰমাণ শব্দটো লৈছে। ইয়াতে মন কৰিবলগীয়া কথাটো হ'ল যে প্ৰত্যক্ষ শব্দটোত 'অক্ষি' শব্দটো আছে আৰু অক্ষি শব্দৰ অর্থ হ'ল চকু। দৃষ্ট পদটোত দৃশ্ ধাতু আছে যাৰ অর্থ হ'ল চোৱা বা দেখা। গতিকে দুয়োটা শব্দতেই চকুৰ প্ৰাধান্য দেখা পোৱা যায়। কিন্তু ইয়াত 'অক্ষি' পদটো বা দৃশ্ ধাতুটো আন আন ইন্দ্ৰিয়কো সামৰি লয়। সেই কাৰণে চকুৰ লগত কাণ আদি ইন্দ্ৰিয়ও প্ৰত্যক্ষত সমানে প্ৰাধান্য পায়। বেলেগ বেলেগ প্ৰমাণৰ কথা দার্শনিকসকলে স্বীকাৰ কৰিলেও সকলো ক্ষেত্ৰতেই প্ৰত্যক্ষৰ সর্বপ্ৰথমে আলোচনা কৰা হৈছে। ইয়াৰ কাৰণ হ'ল প্ৰত্যক্ষ প্ৰমাণ অনুমান আদি আন আন প্ৰমাণৰ ভেটি। আন প্ৰমাণবোৰ প্ৰত্যক্ষৰ অধীন। তদুপৰি প্ৰত্যক্ষ প্ৰমাণৰ সহায়ত যি বস্তুৰ জ্ঞান হয় তাত বস্তুটোৰ প্ৰকাশ ইমানেই স্পষ্ট হয় যে সেই বস্তুটোৰ জ্ঞানৰ কাৰণে আৰু বেলেগ প্ৰমাণৰ প্ৰয়োজন নহয়।

প্ৰত্যক্ষৰ পিছতে আহে অনুমান প্ৰমাণৰ কথা। অনুমানৰ বিষয়ে ইয়াৰ পৰবর্ত্তী অধ্যায়ত আপোনাৰ বাবে বিস্তৃত আলোচনা আগবঢ়োৱা হব। প্ৰত্যক্ষ প্ৰমাণৰ ওপৰত নির্ভৰ কৰি গঢ়ি উঠা আন এটা প্ৰমাণ হ'ল উপমান। যদিও সকলো দর্শনে উপমানক প্ৰমাণ হিচাপে স্বীকৃতি নিদিয়ে তথাপি উপমান যথেষ্ট শক্তিশালী এটি প্ৰমাণ। উপমানৰ লক্ষণ প্ৰসঙ্গত অন্নংভট্টই কৈছে— উপমিতি-কৰণম্ উপমানম্। সংজ্ঞাসংজ্ঞিসম্বন্ধজ্ঞানম্ উপমিতিঃ। তৎ কৰণং সাদৃশ্যজ্ঞানম্। ইয়াৰ অর্থ হ'ল উপমিতিজ্ঞানৰ কৰণকেই উপমান বোলে। সংজ্ঞা আৰু সংজ্ঞীৰ সম্বন্ধজ্ঞানেই হ'ল উপমিতি। ইয়াৰ কৰণ হ'ল সাদৃশ্যজ্ঞান। সহজ ভাষাত কব গলে কোনো নজনা পদার্থত যদি কোনো জনা পদার্থৰ সাদৃশ্য প্ৰত্যক্ষ হয় আৰু সেই সাদৃশ্য প্ৰত্যক্ষৰ সহায়ত যদি নজনা পদার্থৰ নামৰ লগত তাৰ সম্বন্ধৰ বিষয়ে নিশ্চিত জ্ঞান হয়, তেনেহ'লে সেই জ্ঞান বা অনুভবক উপমিতি বোলে। উদাহৰণ হিচাপে কোৱা হয় 'অয়ং গবয় শব্দ বাচ্যঃ'। অর্থাৎ গবয়ত্ব (গবয়ৰ ভাব) থকা পশুত গৰুৰ সাদৃশ্য দেখাৰ পিছত সেই সাদৃশ্য জ্ঞানৰ দ্বাৰা গবয়শব্দৰ বাচ্যত্ব স্থিৰ কৰাই উপমিতি।

বনত গবয় নামৰ এবিধ পশু থাকে। এই 'গবয়' গৰুৰ সদৃশ কিন্তু গৰু নহয়। গৰুৰ গলকম্বল থাকে কিন্তু গবয়ৰ নাথাকে, কিন্তু বাকীখিনি গৰুৰ দৰে। গবয় বনৰ ভিতৰত থাকে কাৰণে লোকালয়ত থকা মানুহৰ পক্ষে গবয়ৰ প্রত্যক্ষজ্ঞান সাধাৰণ অৱস্থাত সম্ভব নহয় যদিও তেওঁলোকে জানে যে অৰণ্যত গবয় থাকে। অর্থাৎ গবয় পদটো তেওঁলোকৰ চিনাকী কিন্তু ইয়াৰ অর্থ তেওঁলোকে নাজানে। এদিন লোকালয়ৰ মানুহ এজনে অৰণ্যবাসী এজনক গবয়ৰ বিষয়ে সোধাত অৰণ্যবাসীয়ে কলে যে 'গোসদৃশঃ গবয়ঃ' অর্থাৎ গৰুৰ নিচিনা গবয়। নগৰবাসীজনে এনেকুৱা শুনি বনত প্রবেশ কৰি গৰুৰ নিচিনা কোনো এটা পশুক প্রত্যক্ষ কৰি আগতে অৰণ্যবাসীৰ পৰা শুনা 'গোসদৃশঃ গবয়ঃ' এই বাক্য স্মৰণ কৰি চকুৰ আগত থকা পশুৰ বিষয়ে 'অয়ং গবয় পদবাচ্যঃ' অর্থাৎ 'এইটোকেই গবয় বুলি কয়' —এনেকুৱা জ্ঞান লাভ কৰে —এই জ্ঞানেই হ'ল উপমিতি। এই জ্ঞানৰ কৰণ হ'ল দেখা পোৱা পশুটোত আগতে জনা গৰুৰ সাদৃশ্যজ্ঞান আৰু তাৰ স্মৰণ। মন কৰিবলগীয়া কথাটো হ'ল যে এই ক্ষেত্রত 'গবয়' শব্দটোক সংজ্ঞা আৰু দৃশ্যমান পশুটোক সংজ্ঞী বোলে। গবয় সংজ্ঞাৰ লগত সেই পশুটোৰ সম্বন্ধৰ জ্ঞানেই হ'ল উপমিতি। উপমান প্রমাণৰ লক্ষণৰ পৰা এটা কথা স্পষ্ট যে এই প্রমানটো প্রত্যক্ষৰ ওপৰত নির্ভৰ কৰিহে হয় কাৰণ এই ক্ষেত্রত সংজ্ঞীক প্রত্যক্ষ কৰা হয় আৰু আগতে শুনা সাদৃশ্যমূলক বাক্যটোক স্মৰণ কৰা হয়। এইখিনিতে মনত ৰখা উচিত যে উপমিতি জ্ঞানটো যেনেদৰে সাদৃশ্য দেখাৰ ভিত্তিত হয়, একেদৰে ই বৈসাদৃশ্যৰ ভিত্তিতো হয়। সেই কাৰণে সাদৃশ্যজ্ঞানৰ নিচিনা বৈসাদৃশ্য জ্ঞানও উপমান প্রমাণ হয়। বৈশেষিক দর্শনত উপমানক স্বীকাৰ কৰা হোৱা নাই। এই দর্শনত উপমানক অনুমানৰ অন্তর্ভুক্ত কৰা হৈছে। এই দর্শনত কোৱা হয় যে যিহেতুকে উপমানত প্রত্যক্ষ পদার্থৰ দ্বাৰা অপ্রত্যক্ষ পদার্থৰ জ্ঞান হয় গতিকে ই অনুমিতিৰ বাহিৰে একো নহয়। **নৈয়ায়িক**সকলে বৈশেষিকসকলৰ এই মন্তব্য স্বীকাৰ নকৰে। তেওঁলোকৰ মতে উপমান প্রমাণ স্বীকাৰ কৰিবই লাগিব কাৰণ উপমানৰ দ্বাৰা অনুমানৰ জ্ঞান সিদ্ধ নহয়।



নৈয়ায়িক ঃ ন্যায় দর্শন অনুসৰণ কৰি দার্শনিক মন্তব্য আগবঢ়োৱাসকলক নৈয়ায়িক বোলে।

ইয়াৰ পিছত আহে শব্দ প্রমাণ। আমি ইতিমধ্যে পাই আহিছো যে শব্দ প্রমাণক সকলো দর্শনে স্বীকাৰ নকৰে। যেনে চার্ব্বাক দর্শনত, বৌদ্ধদর্শনত আৰু বৈশেষিক দর্শনত শব্দ প্রমাণক স্বীকাৰ কৰা হোৱা নাই। আনফালে জৈন দর্শনত, সাংখ্য দর্শনত, যোগ দর্শনত বেদান্ত দর্শনত, মীমাংসা দর্শনত আৰু ন্যায় দর্শনত শব্দকো প্রমাণ হিচাপে স্বীকাৰ কৰা হৈছে। তর্ক সংগ্রহত শব্দৰ লক্ষণ প্রসঙ্গত কোৱা হৈছে— আপ্তবাক্যং শব্দঃ —অর্থাৎ আপ্তপুৰুষৰ বাক্যই হ'ল শব্দ। আপ্তজনৰ মুখৰ পৰা ওলাই অহা বাক্যকেই শব্দ প্রমাণ বুলি ধৰা হয়। এতিয়া 'আপ্ত' শব্দটোৰ অর্থ জানিলেহে শব্দ প্রমাণৰ লক্ষণ জনা যাব। অন্নংভট্টই কৈছে— 'আপ্তস্তু যথার্থবক্তা'। অর্থাৎ আপ্তশব্দৰ অর্থ হ'ল যিজন যথার্থবক্তা বা সত্যবক্তা। সাধাৰণ ক্ষেত্রত যিজন মানুহ ভ্রম, প্রমাদ, বিপ্রলিপ্সা আৰু কৰণাপাটব —এই চাৰিবিধ দোষৰ পৰা মুক্ত সেইজনেই হ'ল আপ্ত। ভ্রম শব্দৰ অর্থ হ'ল ভ্রান্তি বা ভুল অর্থাৎ বস্তু এটাক যথাযথভাৱে নজনা। প্রমাদ শব্দৰ অর্থ হ'ল সাবধানহীনতা বা অসাবধানতা। বিপ্রলিপ্সা পদৰ অর্থ হ'ল শ্রোতাক বঞ্চনা কৰাৰ ইচ্ছা। কৰণাপাটব পদেৰে ইন্দ্রিয়ৰ দুর্বলতা বুজোৱা হয়। গতিকে যিজন মানুহে ভুলকৈ কয় বা অসাৱধান হৈ কয় অথবা

শ্ৰোতাক ঠগিব ইচ্ছা কৰে বা দুৰ্বল ইন্দ্ৰিয়যুক্ত সেইজন ব্যক্তি কেতিয়াও আপ্ত নহয়। আনফালে এই চাৰিটা দোষৰ পৰা মুক্ত পুৰুষজনকেই যথাৰ্থবক্তা বুলি কোৱা হয় আৰু তেওঁকেই আপ্ত বুলি স্বীকাৰ কৰা হয়। আপ্তজনৰ বাক্যই হ'ল শব্দপ্ৰমাণ। এই শব্দ প্ৰমাণৰ দুটা স্তৰ আছে। প্ৰথমটো হ'ল বেলেগ এটা প্ৰমাণৰ সহায়ত প্ৰকৃত পদাৰ্থ এটাৰ বিষয়ে সত্যজ্ঞান হোৱা। দ্বিতীয় স্তৰটো হ'ল সেই জ্ঞানলাভ কৰাৰ পিছত এজনে যদি আনৰ জ্ঞানলাভৰ বাবে ইচ্ছা কৰি সেই যথাৰ্থ জ্ঞানৰ বিষয়ে বাক্য উচ্চাৰণ কৰে। এই দ্বিতীয় স্তৰৰ বাক্যটোৱেই শব্দ প্ৰমাণ ৰূপে স্বীকৃত হয়। আপ্তজনৰ বাক্য শুনি শ্ৰোতাৰ মনত হোৱা যথাৰ্থ জ্ঞানক শাব্দবোধ বুলি কোৱা হয়। আচাৰ্য্য গৌতমে 'আপ্তোপদেশঃ শব্দঃ' বুলি কৈছে তেওঁৰ ন্যায়সূত্ৰত। ইয়াৰ অৰ্থ হ'ল আপ্তজনৰ উপদেশ হ'ল শব্দ। অন্নংভট্টই এই সূত্ৰটোক অনুসৰণ কৰিয়েই তেওঁৰ শব্দ প্ৰমাণৰ লক্ষণ আগবঢ়াইছে। কিন্তু **নব্যনৈয়ায়িক** সকলে এই মত গ্ৰহণ কৰা নাই। তেওঁলোকৰ মতে বাক্যৰ ভিতৰত থকা পদবিলাকৰ দ্বাৰা উৎপন্ন হোৱা জ্ঞানেই হ'ল শব্দ প্ৰমাণ। এই পদবিলাকৰ জ্ঞানেই শব্দ প্ৰমাণ ৰূপে যথাৰ্থ শাব্দবোধৰ কাৰণ হয়। **সাংখ্যকাৰিকা** নামৰ গ্ৰন্থত ঈশ্বৰকৃষ্ণই শব্দ প্ৰমাণক আপ্তবচন বুলি কৈছে। এইখন গ্ৰন্থত আপ্তবচনৰ লক্ষণ হিচাপে কোৱা হৈছে— 'আপ্তশ্ৰুতিঃ আপ্তবচনম্' এই ক্ষেত্ৰত আপ্ত শব্দটোৰ অৰ্থ কৰা হৈছে ব্ৰহ্মা আদি আচাৰ্য্যসকল আৰু শ্ৰুতি শব্দৰ অৰ্থ কৰা হৈছে বেদ। এই অৰ্থ গ্ৰহণ কৰিলে পোৱা যায় যে বেদ তথা বেদৰপৰা পোৱা স্মৃতি-ইতিহাস-পুৰাণ ইত্যাদিত থকা বাক্যৰ পৰা জ্ঞানও শব্দ প্ৰমাণ হিচাপে গৃহীত হয়। এইটো কথা ঠিক যে আপ্ত বাক্যই হ'ল শব্দ প্ৰমাণ।

জৈমিনি আদি দাৰ্শনিকে অৰ্থাপত্তি, সম্ভব, অভাব, প্ৰতিভা আৰু ঐতিহ্যকো প্ৰমাণ বুলি স্বীকাৰ কৰিছে। অৰ্থাপত্তি শব্দটোক ভাঙিলে পোৱা যায় অৰ্থস্য আপত্তিঃ অৰ্থাপত্তিঃ অৰ্থাৎ অৰ্থৰ প্ৰাপ্তি। অৰ্থাপত্তিৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে 'তত্ৰ উপপাদ্যজ্ঞানেন উপপাদক কল্পনম্ অৰ্থাপত্তিঃ' অৰ্থাৎ উপপাদ্য জ্ঞানৰ দ্বাৰা উপপাদক কল্পনাই হ'ল অৰ্থাপত্তি। উপপাদ্য পদৰ অৰ্থ হ'ল মীমাংসনীয় অৰ্থাৎ যুক্তিৰ সহায়ত যি বিষয়ৰ সমৰ্থন কৰিব লাগিব। উপপাদক পদৰ অৰ্থ হ'ল যিটো যুক্তিৰ সহায়ত সংস্থাপন কৰে অৰ্থাৎ মীমাংসক। তেতিয়া হলে অৰ্থাপত্তিৰ অৰ্থ হ'ল মীমাংসনীয় জ্ঞানৰ দ্বাৰা মীমাংসাপ্ৰতিপাদকৰ কল্পনা। এই অৰ্থাপত্তি প্ৰমাণ দুই প্ৰকাৰৰ দৃষ্ট অৰ্থাপত্তি আৰু শ্ৰুত অৰ্থাপত্তি। অৰ্থাপত্তি পদটোৰ দ্বাৰা প্ৰমা আৰু প্ৰমাণ দুটাকে বুজায়। সম্ভৱ এক প্ৰকাৰৰ সম্ভাৱনাত্মক জ্ঞান-অভাব হ'ল বস্তু এটা নাই —এনেকুৱা জ্ঞান দিয়ে। প্ৰতিভা শব্দটোক ভাঙিলে পোৱা যায় 'প্ৰতিভাতি শোভতে ইতি' প্ৰতিভা। অৰ্থাৎ যিটো প্ৰতিভাত হয় বা শোভা পায় সেইটোৱে প্ৰতিভা। জনা মানুহৰ জ্ঞানক প্ৰতিভা বোলে। যেনে বিন্ধ্য পৰ্বতৰ দক্ষিণত আৰু সহ্য নামৰ পৰ্বতটোৰ উত্তৰ ভাগত যি ভূ-ভাগ সমুদ্ৰলৈকে বিস্তীৰ্ণ, সেইটো দেখাত অত্যন্ত ধুনীয়া —এইটো কোনোবাই কলে বা এইটো শুনিলে সেই স্থানটোৰ বিষয়ে এনেকুৱা ভাব হয় যে সচাকৈয়ে ঠাইডোখৰ কি ধুনীয়া। পৰম্পৰাগতভাৱে পোৱা বা জনা বিষয়ৰ আধাৰ হ'ল ঐতিহ্য। যেনে এই গছডালত যক্ষ থাকে এনেকুৱা জ্ঞান ঐতিহ্য প্ৰমাণৰ দ্বাৰা পোৱা যায়। কিন্তু যিসকলে এইবোৰক অতিৰিক্ত প্ৰমাণ বুলি নামানে তেওঁলোকৰ মতে অৰ্থাপত্তি অনুমানৰ অন্তৰ্গত।



নব্যনৈয়ায়িক ঃ গৌতমৰ ন্যায় সূত্ৰৰ ওপৰত ভিত্তি কৰি কিছুমান ক্ষেত্ৰত ন্যায়সূত্ৰৰ পৰা আঁতৰি আহি কিছুমান ন্যায় দৰ্শনৰ পণ্ডিতে ন্যায়ৰ এক নতুন ধাৰাৰ সূচনা কৰে। এই ধাৰাটোকেই নব্য ন্যায় বোলে আৰু এই ধাৰা অনুসৰণকাৰী দাৰ্শনিকসকলক নব্যনৈয়ায়িক বোলে।

সাংখ্য-কাৰিকা ঃ ঈশ্বৰ কৃষ্ণই ৰচনা কৰা সাংখ্য দৰ্শনৰ প্ৰথম আৰু প্ৰধান প্ৰাপ্য গ্ৰন্থ। ইয়াৰ মূল আলোচ্য-বিষয় বস্তু হ'ল তিনি প্ৰকাৰৰ দুখৰ (আধ্যাত্মিক, আধিভৌতিক, আধিদৈবিক) পৰা মানুহে কেনেকৈ মুক্তি পাব পাৰে।

জৈমিনি ঃ মীমাংসা দৰ্শনৰ প্ৰণেতা। জৈমিনিৰ মীমাংসা দৰ্শনক কৰ্মমীমাংসা বা পূৰ্বমীমাংসা বোলে।

সম্ভব, অভাৱ আৰু ঐতিহ্য শব্দ প্রমাণৰ পৰা বেলেগ নহয় গতিকে শব্দ প্রমাণৰে অন্তর্ভূক্ত। এনেদৰে বিভিন্ন দর্শনত এনেকুৱা আলোচনা দেখা যায়।সাংখ্যদর্শনত তিনিবিধ প্রমাণক স্বীকাৰ কৰা হৈছে। ঈশ্বৰ কৃষ্ণই তেওঁৰ সাংখ্যকাৰিকাত স্পষ্টকৈ কৈছে যে যিহেতু সকলো প্রমাণ দৃষ্ট, অনুমান আৰু শব্দৰ ভিতৰতেই অন্তর্ভূক্ত গতিকে তিনিবিধ প্রমাণকেই স্বীকাৰ কৰা হয়— 'দৃষ্টম্ অনুমানম্ আপ্তবচনং চ সর্ব প্রমাণ সিদ্ধত্বাৎ ত্রিবিধং প্রমাণম্ ইষ্টম্'। মীমাংসা দর্শনত যি প্রত্যক্ষ আৰু অনুমানক স্বীকাৰ কৰা হৈছে তাত কিছুমান কথা আন আন দর্শনৰ পৰা বেলেগ হিচাপে গ্রহণ কৰা হৈছে। গতিকে দেখা গ'ল যে প্রমাণৰ প্রকাৰভেদ লৈ বিভিন্ন ভাৰতীয় দর্শনে বিভিন্ন ধৰণৰ মতামত আগবঢ়াইছে।



জানি থোৱা ভাল

- প্রত্যক্ষ জ্ঞানত বা প্রত্যক্ষ প্রমাণৰ ক্ষেত্রত ইন্দ্রিয়ৰ ভূমিকা অত্যন্ত গুৰুত্বপূর্ণ। ইন্দ্রিয় হ'ল শৰীৰৰ লগত যুক্ত অথচ জ্ঞানৰ সাধন। দর্শনত কোৱা হয়— 'শৰীৰ সংযুক্তং জ্ঞানসাধনম্ অতীন্দ্রিয়ম্ ইন্দ্রিয়ম্'। ইন্দ্রিয়ৰ লগত বস্তুৰ সন্নিকর্ষ বা যোগাযোগ হলেহে প্রত্যক্ষ জ্ঞান হয়। কিন্তু কেৱল মাত্র ইন্দ্রিয় আৰু বিষয়ৰ সন্নিকর্ষই প্রত্যক্ষ জ্ঞানৰ একমাত্র কাৰণ নহয়। আত্মা মনৰ লগত সংযুক্ত হয়, মন ইন্দ্রিয়ৰ লগত সংযুক্ত হয়, তাৰ পিছতহে শক্তি ইন্দ্রিয় বিষয়ৰ লগত সংযুক্ত হয়, তেতিয়া প্রত্যক্ষজ্ঞান হয়। সন্নিকর্ষ শব্দৰ অর্থ হ'ল সম্বন্ধ।
- প্রতিভাপদেৰে কাব্যশাস্ত্রত 'নব-নব-উন্মেষশালিনী প্রজ্ঞা' পদক বুজোৱা হয়। অর্থাৎ যি প্রজ্ঞা বা প্রকৃষ্ট জ্ঞানে নতুন নতুন ভাবনাৰ উন্মেষ ঘটাব পাৰে সেইটোৱে প্রতিভা। কিন্তু দর্শনত এই প্রতিভাকেই প্রমাণ হিচাপে ধৰা হয়।
- অভাৱক কিছুমান দর্শনত প্রমাণ হিচাপে স্বীকাৰ নকৰি পদার্থ হিচাপে স্বীকৃতি দিয়া হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ চার্ব্বাক দর্শনে কি প্রমাণক স্বীকাৰ কৰিছে?

.....

প্রশ্ন ৯ ঃ ন্যায় দর্শনত স্বীকাৰ কৰা প্রমাণবোৰ কি কি?

.....

.....

প্রশ্ন ১০ ঃ বৈশেষিক আৰু বৌদ্ধ দর্শনৰ মাজত কি সাদৃশ্য আছে।

.....

প্রশ্ন ১১ ঃ সাংখ্য দর্শনে স্বীকাৰ কৰা প্রমাণবোৰ কি কি?

.....

প্রশ্ন ১২ ঃ প্রত্যক্ষ প্রমাণৰ লক্ষণ কি?

.....

.....

প্রশ্ন ১৩ ঃ প্রত্যক্ষ পদেৰে কি কি বুজায়?

.....

.....

প্রশ্ন ১৪ ঃ উপমিতিৰ লক্ষণ কি?

.....

.....

প্রশ্ন ১৫ ঃ এটি উপমিতি জ্ঞানৰ উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন ১৬ ঃ উপমিতি জ্ঞানৰ কৰণ কি?

.....

প্রশ্ন ১৭ ঃ আপ্ত শব্দৰ অর্থ কি?

.....

প্রশ্ন ১৮ ঃ কোন কোন দর্শনত শব্দক প্রমাণ হিচাপে ধৰা হৈছে?

.....

.....

প্রশ্ন ১৯ ঃ জৈমিনিয়ে স্বীকাৰ কৰা অতিৰিক্ত প্রমাণবোৰ কি কি?

.....

.....

প্রশ্ন ২০ ঃ প্রতিভা প্রমাণৰ এটি উদাহৰণ দিয়ক।

.....

.....

.....

.....

১২.৫ প্রমাণৰ প্রয়োজনীয়তা

ভাৰতীয় দর্শনত প্রমাণ প্রসঙ্গ অত্যন্ত জৰুৰী। যিহেতু সত্য জ্ঞানৰ অনুসন্ধানেই হ'ল ভাৰতীয় দর্শনৰ মূল লক্ষ্য গতিকে প্রমাণৰ মাজেদিহে সত্য জ্ঞান লাভ কৰাটো সম্ভৱ হয়। সাংখ্যকাৰিকা গ্রন্থত ঈশ্বৰকৃষ্ণই খুব সুন্দৰ ভাৱে এই বিষয়টো বুজাই দি প্রমাণৰ প্রয়োজনীয়তা স্থাপন কৰিছে নিজৰ অভিমতেৰে। তেওঁ কৈছে 'প্রমেয় সিদ্ধিঃ প্রমাণাৎ হি' অর্থাৎ প্রমেয়বিলাকৰ

সিদ্ধি হয় প্রমাণৰহে দ্বাৰা। আমি বাস্তৱ জীৱনতো দেখা পাওঁ যে প্রমাণ দিব পাৰিলেহে এটা বিষয় বিশ্বাসযোগ্য হয়। আনফালে প্রমাণৰ অভাৱত বহুতো বিষয় অজ্ঞাত থাকে। গতিকে ন্যায়বৈশেষিক দর্শনত যি পদার্থ-দ্রব্য-গুণ আদিক স্বীকাৰ কৰা হৈছে অথবা সাংখ্য দর্শনত প্রকৃতি-পুৰুষ-পঞ্চ মহাভূত আদি যি পঁচিশটা তত্ত্ব স্বীকাৰ কৰা হৈছে সেই আটাইবোৰে হ'ল প্রমেয় বা প্রমাণৰ বিষয়। প্রমাণ এটা যেনেকুৱাই নহওক কিয় তাৰ প্রধান উদ্দেশ্য হ'ল প্রমেয়ৰ সিদ্ধি স্থাপন কৰা। অর্থাৎ প্রমাণেই প্রমেয়বিলাকৰ অস্তিত্বৰ জ্ঞান দিব পাৰে। এই ক্ষেত্রত বেলেগ বেলেগ দর্শনত বিভিন্ন ধৰণে দেখুওৱা হৈছে কি কি বস্তুৰ অস্তিত্ব কোন কোন প্রমাণৰ দ্বাৰা কেনেদৰে সিদ্ধ হয়। মন কৰিবলগীয়া কথাটো হ'ল যে সকলো প্রমাণৰ দ্বাৰা সকলো পদার্থৰ জ্ঞান নহয়। নির্দ্দিষ্ট এটা প্রমাণৰ দ্বাৰা বিশেষ বিশেষ পদার্থবহে জ্ঞান সম্ভৱ। সহজ ভাষাত কব গলে প্রত্যক্ষ প্রমাণৰ দ্বাৰা যি বস্তু সিদ্ধ হয় তাত অনুমান প্রমাণৰ উপস্থিতি নাথাকে, আকৌ অনুমান প্রমাণৰ দ্বাৰা যি বস্তুৰ সত্যতা প্রমাণিত হয় তাত শব্দ প্রমাণৰ অবকাশ নাথাকে। উদাহৰণ হিচাপে ক'ব পাৰি যে সাংখ্য দর্শনত স্বীকাৰ কৰা— হৈছে যে **অতীন্দ্রিয়** পদার্থবোৰৰ জ্ঞান হয় অনুমান প্রমাণৰ দ্বাৰা আৰু ব্যক্ত বা প্রকাশিত পদার্থৰ জ্ঞান হয় প্রত্যক্ষ প্রমাণৰ সহায়ত। বৈশেষিক দর্শনত বায়ু, আকাশ, কাল, দিক্, ঈশ্বৰ আদিৰ জ্ঞান প্রসঙ্গত অনুমান প্রমাণক গ্রহণ কৰা হৈছে। আনকি এই দর্শনত আত্মাৰ বিষয়েও অনুমান প্রমাণৰ বহু কথা আলোচনা কৰা হৈছে। কুমাৰিলভট্টৰ অনুগামীসকলে কয় যে প্রত্যক্ষ প্রমাণৰ দ্বাৰা অভাৱৰ যথার্থ জ্ঞান নহয়। তেওঁলোকৰ মতে অভাবক বিচাৰ কৰাৰ কাৰণে অভাৱ নামৰ প্রমাণৰ প্রয়োজনীয়তা আছে। এই কথাটো মনত ৰখা প্রয়োজন যে যত প্রত্যক্ষ ঢুকি নাপায় তাত আহে অনুমানৰ প্রসঙ্গ; য'ত অনুমানে প্রকৃত জ্ঞান দিয়াত ব্যর্থ হয় তাত আহে শব্দ প্রমাণৰ কথা। এনেদৰে বিভিন্ন প্রমাণৰ প্রাসঙ্গিঁকতা লক্ষ্য কৰা যায়। মন দি লক্ষ্য কৰিলে বুজা যায় যে প্রমাণৰ প্রয়োজনীয়তা কেৱল মাত্র দর্শনশাস্ত্রৰ বাবেই নহয়, সকলো শাস্ত্রৰ বাবেই সমান গুৰুত্বপূর্ণ। কাৰণ সকলো বিদ্যাৰ উদ্দেশ্যই হ'ল সচা জ্ঞান লাভ কৰা আৰু এই সত্যতাৰ ভেটিয়েই হ'ল প্রমাণ। এই কাৰণে ইংৰাজীত বহু প্রচলিত এটি প্রবচন আছে— Seeing is believing অর্থাৎ দর্শনতেই বিশ্বাস (হয়)। ইয়াৰ প্রকৃত অর্থ হ'ল প্রমাণেই বিশ্বাস আনে। ন্যায়শাস্ত্রত প্রমাণৰ বিষয়ে বিস্তৃত আলোচনা পোৱা যায়।



অতীন্দ্রিয় ঃ অতি + ইন্দ্রিয়। ইন্দ্রিয়ৰ অগোচৰ। য'ত ইন্দ্রিয় ঢুকি নাপায়।



জানি থোৱা ভাল

● সাংখ্য দর্শনত ২৫টা তত্ত্ব স্বীকাৰ কৰা হৈছে। এইবোৰক একেলগে 'পঞ্চবিংশতি তত্ত্বানি' বুলি কোৱা হয়। এই পঁচিশটা তত্ত্ব হ'ল— প্রকৃতি, পুৰুষ, বুদ্ধি, অহঙ্কাৰ, মন, পঞ্চজ্ঞানেন্দ্রিয় হ'ল চকু, কাণ, নাক, জিভা আৰু ছাল। পঞ্চকর্মেন্দ্রিয় হ'ল— দুই হাত, দুই ভৰি, বাক্, পায়ু আৰু উপস্থ। পঞ্চ মহাভূত হ'ল— ক্ষিতি, পানী, তেজ, মৰুৎ আৰু আকাশ। পঞ্চ তন্মাত্র হ'ল— ৰূপ, ৰস, গন্ধ, স্পর্শ আৰু শব্দ। এই পচিশটা তত্ত্বৰ যথার্থ জ্ঞানৰ বাবে বেলেগ বেলেগ প্রমাণৰ আশ্রয় লোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২১ ঃ প্রমাণৰ প্রয়োজনীয়তা এটা বাক্যত লিখক।

.....

প্রশ্ন ২২ ঃ সাংখ্যকাৰিকাত প্রমাণৰ প্রয়োজনীয়তাৰ বিষয়ে কি কোৱা হৈছে?

.....

প্রশ্ন ২৩ ঃ অভাৱ নামৰ প্রমাণ স্বীকাৰৰ প্রয়োজনীয়তা কি?

.....

.....

প্রশ্ন ২৪ ঃ সাংখ্যই স্বীকাৰ কৰা প্রকাশিত তত্ত্বকোৰ কি প্রমাণেৰে সিদ্ধ হয়?

.....

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রমাণ শব্দৰ আচল অর্থটো জানিলোঁ।
- যথার্থ জ্ঞানৰ কৰণকেই প্রমাণ বুলি কয় —এই কথা অবগত হ'লোঁ।
- অপ্রমা বা অযথার্থ জ্ঞানৰ লগত প্রমাণৰ কোনো ধৰণৰ সম্বন্ধ নাথাকে।
- স্মৃতিৰ লগতো প্রমাণৰ কোনো সম্বন্ধ নাথাকে।
- প্রমাণৰ প্রকাৰ ভেদৰ বিষয়েও সম্পূর্ণ অবগত হ'লোঁ।
- সকলো দর্শনত প্রমাণক স্বীকাৰ কৰিলেও প্রমাণৰ প্রকাৰ ভেদৰ বিষয়ে বিভিন্ন দর্শনত বিভিন্ন মত পোৱা যায়।
- কোন কোন দর্শনত কি কি প্রমাণ স্বীকাৰ কৰা হৈছে সেই বিষয়েও জানিলোঁ।
- প্রত্যক্ষ প্রমাণৰ পৰিসৰ যে বহু ডাঙৰ সেই বিষয়ে অবগত হৈছোঁ।
- সাদৃশ্য জ্ঞানৰ দ্বাৰা কেনেকৈ উপমান প্রমাণ কার্য্যকাৰী হয় জানিলোঁ।
- সাংখ্যদর্শনত কেনেকৈ তিনিবিধ প্রমাণকেই স্বীকৃতি দিয়া হৈছে সেই কথাটোও অবগত হ'লোঁ।
- প্রমাণৰ প্রয়োজনীয়তাৰ বিষয়েও আমি জানিলোঁ।



১২.৭ অধিক জানিবলৈ

১) আয়াৰ, শ্ৰী এস্. আৰ.; *তৰ্কভাষা*; বাৰাণসী ঃ চৌখম্বা পাব্লিশ্যার্ছ।
২) গোস্বামী, শ্ৰীনাৰায়ণ চন্দ্ৰ; *তৰ্কসংগ্ৰহ*; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।
৩) চক্ৰৱৰ্ত্তী, শ্ৰীসত্যজ্যোতি; *সৰ্বদৰ্শন সংগ্ৰহ*; কলিকতা ঃ সাহিত্যশ্ৰী।
৪) কৰ্ণাটক, ড° বিমলা; *সাংখ্য কাৰিকা*; বাৰাণসী ঃ চৌখম্বা ওৰিয়াণ্টালিয়া।



১.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰমা শব্দৰ অৰ্থ যথাৰ্থজ্ঞান।

২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰমা বা যথাৰ্থ জ্ঞানৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে— 'তদ্‌বতি তৎপ্ৰকাৰকঃ অনুভবঃ'

৩নং প্ৰশ্নৰ উত্তৰ ঃ বস্তুত যিটোৰ অভাব আছে সেইধৰণৰ জ্ঞানেই হ'ল অপ্ৰমা। 'তদভাববতি তৎপ্ৰকাৰকঃ অনুভবঃ অযথাৰ্থঃ'।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ৰছিডালত সাপৰ জ্ঞান হ'ল অপ্ৰমাৰ উদাহৰণ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰমাকৰণং প্ৰমাণম্। প্ৰমাৰ কৰণেই হ'ল প্ৰমাণ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ন্যায়সূত্ৰ গৌতমে ৰচনা কৰিছিল।

৭নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰমাণৰ পিছতহে অনুভবৰ উৎপত্তি হয়, আনফালে স্মৃতিৰ লগত প্ৰমাণৰ কোনো সম্বন্ধ নাই।

৮নং প্ৰশ্নৰ উত্তৰ ঃ চাৰ্ব্বাক দৰ্শনে কেৱল মাত্ৰ প্ৰত্যক্ষ প্ৰমাণক স্বীকাৰ কৰিছে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ন্যায়দৰ্শনে চাৰিটা প্ৰমাণ স্বীকাৰ কৰিছে। সেইবোৰ হ'ল - প্ৰত্যক্ষ, অনুমান, উপমান আৰু শব্দ।

১০নং প্ৰশ্নৰ উত্তৰ ঃ বৈশেষিক আৰু বৌদ্ধদৰ্শনে প্ৰত্যক্ষ আৰু অনুমান প্ৰমাণক স্বীকাৰ কৰিছে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্য দৰ্শনে স্বীকাৰ কৰা তিনিটা প্ৰমাণ হ'ল দৃষ্ট, অনুমান আৰু আপ্তবচন।

১২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যক্ষ প্ৰমাণৰ লক্ষণ হ'ল 'ইন্দ্ৰিয়ার্থ সন্নিকৰ্ষজন্যং জ্ঞানং প্ৰত্যক্ষম্', 'প্ৰত্যক্ষ জ্ঞানকৰণং প্ৰত্যক্ষম্'।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যক্ষ পদেৰে দৰ্শন শাস্ত্ৰত প্ৰত্যক্ষ প্ৰমাণ, প্ৰত্যক্ষ জ্ঞান আৰু প্ৰত্যক্ষ বিষয়— তিনিটাকে বুজায়।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ উপমানৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে— 'উপ মিতিকৰণং উপমানম্। সংজ্ঞা-সংজ্ঞি-সম্বন্ধ জ্ঞানম্ উপমিতিঃ'।

১৫নং প্ৰশ্নৰ উত্তৰ ঃ 'অয়ং গবয়পদবাচ্যঃ' এইটো উপমিতিজ্ঞান, কাৰণ গৰুৰ লগত থকা সাদৃশ্যই এই জ্ঞানৰ মূলত থাকে।

১৬নং প্ৰশ্নৰ উত্তৰ ঃ সাদৃশ্য জ্ঞানেই হ'ল উপমিতি জ্ঞানৰ কৰণ।

১৭নং প্ৰশ্নৰ উত্তৰ ঃ আপ্ত শব্দৰ অর্থ হ'ল যথার্থবক্তা।

১৮নং প্ৰশ্নৰ উত্তৰ ঃ জৈন দর্শনত, সাংখ্য দর্শনত, যোগ দর্শনত, বেদান্ত দর্শনত, মীমাংসা দর্শনত আৰু ন্যায় দর্শনত শব্দক প্ৰমাণ হিচাপে ধৰা হৈছে।

১৯নং প্ৰশ্নৰ উত্তৰ ঃ জৈমিনিয়ে স্বীকাৰ কৰা অতিৰিক্ত ছটা প্ৰমাণ হ'ল অর্থাপত্তি, সম্ভৱ, অভাৱ, প্ৰতিভা, ঐতিহ্য আৰু উপমান।

২০নং প্ৰশ্নৰ উত্তৰ ঃ বিন্ধ্য পর্বতৰ দক্ষিণফালে আৰু সহ্য পর্বতৰ উত্তৰফালে যি ভূভাগ সেইটো বৰ মনোৰম— এইটো কোৱাত বা শুনাৰ ফলত সেই ঠাইডোখৰ বৰ ধুনীয়া এনেকুৱা যি জ্ঞান হয় সেইটোকেই প্ৰতিভা-জ্ঞান বুলি কোৱা হয় আৰু এনেদৰে হোৱা জ্ঞানৰ সাধনেই হ'ল প্ৰতিভাপ্ৰমাণ।

২১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰমেয়বিলাকৰ সিদ্ধিৰ বাবেই প্ৰমাণৰ প্ৰয়োজন।

২২নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যকাৰিকাত কোৱা হৈছে— 'প্ৰমেয় সিদ্ধিঃ প্ৰমাণাৎ হি'।

২৩নং প্ৰশ্নৰ উত্তৰ ঃ যিটো বস্তুৰ অভাব আছে সেই বিষয়ে জ্ঞান লাভৰ বাবে অভাব প্ৰমাণ স্বীকাৰ কৰিছে কিছুমান দার্শনিকে।

২৪নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্য দর্শনে স্বীকাৰ কৰা ব্যক্ত বা প্ৰকাশিত তত্ত্ববোৰ প্ৰত্যক্ষ প্ৰমাণৰ দ্বাৰা সিদ্ধ হয়।



১২.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰমাণ শব্দৰ অর্থ কি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ কি কি দার্শনিক সম্প্ৰদায়ে কি কি প্ৰমাণ স্বীকাৰ কৰিছে সেই বিষয়ে এটি টোকা লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰত্যক্ষ প্ৰমাণৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ শব্দ প্ৰমাণৰ লক্ষণ ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ উপমান প্ৰমাণৰ লক্ষণ আৰু উদাহৰণ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰমাণৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ অনুমান প্রমাণ (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ অনুমানৰ অর্থ
১৩.৪ অনুমানৰ প্রকাৰভেদ
১৩.৫ প্রমাণ হিচাপে অনুমানৰ স্থিতি
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্রগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অনুমান শব্দটোৰ অর্থ জানিব পাৰিব
- অনুমান প্রমাণৰ প্রকাৰভেদ সম্পর্কে অবগত হ'ব
- বিভিন্ন প্রকাৰৰ অনুমান প্রমাণৰ লগত পৰিচিত হ'ব
- প্রমাণ হিচাপে অনুমানৰ স্থান সম্পর্কে জানিব পাৰিব।

১৩.২ পৰিচয়

আপুনি ইতিমধ্যে ভাৰতীয় দর্শন আৰু ভাৰতীয় দর্শনৰ প্রধান বিষয়বোৰৰ লগত পৰিচিত হৈছে। ভাৰতীয় দর্শনে জীৱ-জগত-বিশ্বব্রহ্মাণ্ড সম্বন্ধে সত্য জ্ঞান অন্বেষণ কৰে।এই জ্ঞান স্থাপন কৰিব যাওঁতে প্রধান সহায় আগবঢ়ায় প্রমাণবোৰে।আপুনি প্রমাণৰ প্রয়োজনীয়তা সম্বন্ধে আগৰ অধ্যায়ত সম্পূর্ণভাৱে অৱগত হৈছে। প্রত্যক্ষ প্রমাণৰ পিছতেই যিটো প্রমাণ আহে সেইটো হ'ল অনুমান। যদিও অনুমান প্রমাণক চার্ব্বাক দর্শনে স্বীকাৰ কৰা নাই তথাপিও এই প্রমাণৰ গুৰুত্ব নুই কৰা নাযায়।অনুমান প্রমাণক স্বীকাৰ নকৰিলে বহুতো বিষয়ৰ মীমাংসা কৰা সম্ভৱপৰ নহয়। সেই কাৰণে অনুমান প্রমাণৰ বিষয়ে জনাটো দর্শনৰ শিক্ষার্থীৰ বাবে অত্যন্ত জৰুৰী। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি অনুমান শব্দৰ অর্থ সম্পূর্ণভাৱে জানিব পাৰিব। বিভিন্ন দর্শনে আগবঢ়োৱা অনুমানৰ প্রকাৰবোৰৰ বিষয়েও আপুনি অবগত হ'ব। অনুমান প্রমাণৰ বিভিন্ন প্রকাৰৰ উদাহৰণৰ সৈতেও আপোনাৰ পৰিচয় হ'ব। তদুপৰি সামগ্রিকভাৱে অনুমান প্রমাণৰ উপযোগিতাৰ বিষয়ে জানিব পাৰিব। প্রমাণ হিচাপে অনুমানৰ স্থিতি সম্পর্কেও আপুনি ভালদৰে অৱগত হ'ব।

১৩.৩ অনুমানৰ অর্থ

অনুমান শব্দটোত দুটা পদ আছে অনু আৰু মান। অনু পদটো এটা **উপসর্গ** আৰু ইয়াৰ অর্থ হ'ল পিছত। মান পদৰ অর্থ হ'ল প্রমাণ বা জ্ঞান। গতিকে অনুমান পদৰ অর্থ হ'ল পিছত হোৱা প্রমাণ বা জ্ঞান। এই অর্থ পোৱাৰ লগে লগে মনত প্রশ্ন আহে কাৰ পিছত? অর্থাৎ কাৰ পিছৰ জ্ঞানক অনুমান বোলে? ইয়াৰ উত্তৰ হিচাপে ক'ব পাৰি যে প্রত্যক্ষ জ্ঞানৰ পিছত হোৱা প্রমাণক অনুমান বোলা হয়। একেদৰে 'অনু' —পিছত অর্থাৎ কোনো এটি পদার্থ বিষয়ক জ্ঞানৰ পিছত পোৱা 'মিতি' বা জ্ঞানক অনুমিতি বুলি কোৱা হয়। অনুমান প্রমাণৰ ফল হ'ল এই অনুমিতি। অনুমিতি জ্ঞানৰ সাধনেই হ'ল অনুমান।

অনুমানে **পৰামর্শৰ** দ্বাৰা অনুমিতি জ্ঞান উৎপন্ন কৰে। সেই কাৰণে অনুমিতি পৰামর্শৰ ওপৰত আশ্রিত বুলিও কোৱা হয়। উচিত পৰামর্শ উৎপন্ন হোৱাৰ পিছতেই অনুমিতিৰ উৎপত্তি হয়। সেই কাৰণে অনুমিতি জ্ঞানৰ ক্ষেত্রত পৰামর্শক **ব্যাপাৰ** বুলি কোৱা হয়। নব্যন্যায় মতে পৰামর্শক অনুমিতিৰ কৰণ বুলিও কোৱা হয়। অনুমান প্রক্রিয়াত যি তিনিটা বস্তুৰ উপস্থিতি থাকিবই লাগে সেই কেইটা হ'ল হেতু, সাধ্য আৰু ব্যাপ্তি অর্থাৎ হেতু আৰু সাধ্যৰ সাহচর্য্য বা একেলগে থকা। সাধ্য হ'ল অনুমানৰ ফল কাৰণ সাধ্যৰ সিদ্ধিৰ বাবেহে অনুমানৰ আশ্রয় লোৱা হয়। হেতু বা লিঙ্গ হ'ল সেইটো, যিটো সাধ্যৰ লগত নিয়ত ৰূপত থাকে। গতিকে অনুমান প্রমাণৰ ক্ষেত্রত তিনিটা বস্তুৰ উপস্থিতিৰ বিষয়ে জানিব লাগে। আমি তলত দিয়া ধৰণে বিষয়টো সহজে বুজিব পাৰো।

হেতু সাধ্যত নিয়ত ৰূপত থাকে।

ব্যাপ্তি হেতু আৰু সাধ্যৰ সাহচর্য্য।

সাধ্য হ'ল অনুমানৰ ফল।

এৰিষ্টটলৰ ন্যায়বাক্যক সিলজিজম্ (Syllogism) বোলে। ইয়াত দুটা বাক্য গ্রহণ কৰা হয় যাৰ এটা হ'ল Major Premise আৰু আনটো হ'ল Minor Premise। এই দুটা বাক্যৰ সংযোগকাৰী হ'ল Middle Term যিটো দুটা বাক্যতেই থাকে। কিন্তু এৰিষ্টটলৰ ন্যায়বাক্য বা ন্যায় প্রক্রিয়াৰ লগত ন্যায়শাস্ত্রৰ অনুমানৰ যথেষ্ট পার্থক্য দেখা যায়। দার্শনিক কেশৰ মিশ্রৰ মতে যিটোৰ দ্বাৰা অনুমিতি জ্ঞান লাভ হয় সেইটোৱেই অনুমান। আচার্য্য বাৎস্যায়নৰ মতে জনা হেতুৰ আধাৰত সাধ্যৰ জ্ঞানেই হ'ল অনুমান। এই প্রসঙ্গত লিঙ্গ আৰু লিঙ্গী এই পদ দুটাৰ অর্থ জনাটো প্রয়োজনীয়। লিঙ্গ পদৰ অর্থ হ'ল চিন। সেইটো যাৰ থাকে তাকেই কোৱা হয় লিঙ্গী। লিঙ্গ আৰু লিঙ্গীৰ সম্বন্ধৰ ওপৰত ভিত্তি কৰি প্রত্যক্ষৰ সহায়ত অপ্রত্যক্ষক দর্শন কৰাটোৱেই হ'ল অনুমান। সাংখ্যকাৰিতাত অনুমান সম্বন্ধে ঈশ্বৰ কৃষ্ণই কৈছে— 'তল্লিঙ্গলিঙ্গী পূর্বকম্'। অর্থাৎ অনুমান 'লিঙ্গপূর্বকো' হয় লিঙ্গিপূর্বকো' হয়। য'ত লিঙ্গ চাই লিঙ্গ বিশিষ্ট লিঙ্গীৰ অনুমান কৰা হয় তাকেই লিঙ্গ পূর্বক অনুমান বোলে। ইয়াৰ উদাহৰণ হিচাপে কোৱা হৈছে 'দণ্ডেন যতিঃ'। 'দণ্ড' অর্থাৎ লাঠি প্রত্যক্ষ কৰি এইজনক তপস্বী বা সন্ন্যাসী বুলি অনুমান কৰা হয়। 'দণ্ড'



উপসর্গ ঃ প্র, পৰা, অপ, সম্, অনু, অব, নিঃ, দুঃ, অভি, বি, অধি, সু, উৎ, অতি, নি, প্রতি, পৰি, অপি, উপ, আ। এই উপসর্গবোৰ ধাতুৰ আগত বহি ধাতুৰ অর্থ পৰিবর্তন কৰিব পাৰে। যেনে— গমন মানে যোৱা, কিন্তু এই পদৰ লগত যদি 'আ' এই উপসর্গ যুক্ত হয় তেনেহ'লে আগমন পদটো পোৱা যায়, যাৰ অর্থ হ'ল আহা।

পৰামর্শ ঃ হেতু আৰু ব্যাপ্তিৰ সমন্বয়েই হ'ল পৰামর্শ। এই অংশত ব্যাপ্তিক বিশেষণ ৰূপত আৰু হেতুক বিশেষ্য ৰূপত ৰখা হয়।

ব্যাপাৰ ঃ যিটো কাৰণৰ দ্বাৰা উৎপন্ন হয় আৰু সেই কাৰণৰ দ্বাৰা উৎপন্ন হোৱা কার্য্যৰ জনক হয়, সেয়াই ব্যাপাৰ। (তজ্জন্যত্বে সতি তজ্জন্যজনকম্)

এৰিষ্টটল ঃ প্রখ্যাত গ্রীক্ দার্শনিক। তেওঁ যীচুখ্রীষ্টৰ জন্মৰ চাৰিশ বছৰ পূর্বে জন্মিছিল। তেওঁ দর্শনৰ বিষয়ে গভীৰ অধ্যয়ন কৰিছিল আৰু প্লেটো নামৰ আন এজন দার্শনিকৰ সমসাময়িক আছিল। এৰিষ্টটলৰ দর্শন সমগ্র পৃথিৱীতেই বিখ্যাত।



ত্রিদণ্ড ঃ তিনিটা দণ্ড। বাক অর্থাৎ বাক্য, মনঃ আৰু কার্য্য অর্থাৎ কর্মক একেলগে ত্রিদণ্ড বুলি কোৱা হয়।

ইয়াত লিঙ্গ বা চিন আৰু 'যতি' মানে হ'ল লিঙ্গী। ইয়াত লিঙ্গ প্রত্যক্ষ কৰি লিঙ্গীৰ বিষয়ে অনুমান কৰা হ'ল। আনফালে যত লিঙ্গীক প্রত্যক্ষ কৰি লিঙ্গৰ বিষয়ে অনুমান কৰা হয় তাকেই বোলে লিঙ্গীপূর্বক অনুমান। ইয়াৰ উদাহৰণ হিচাপে কোৱা হৈছে 'দৃষ্ট্বা যতিম্ অস্য ইদং **ত্রিদণ্ডম্**' অর্থাৎ যতি অর্থাৎ সন্ন্যাসীক প্রত্যক্ষ কৰি এয়া তেওঁৰ ত্রিদণ্ড —এনেকুৱা অনুমান কৰা হ'ল। এই ক্ষেত্রত প্রথমতে যতি বা লিঙ্গীৰ বিষয়ে প্রত্যক্ষ জ্ঞান হয় আৰু এই প্রত্যক্ষ জ্ঞানৰ ওপৰত ভিত্তি কৰি 'ত্রিদণ্ড' —এই লিঙ্গৰ বিষয়ে অনুমান কৰা হয়। এনেদৰে অনুমান প্রমাণৰ বিষয়ে বিভিন্ন ব্যাখ্যা দার্শনিকসকলে আগবঢ়াইছে।



জানি থোৱা ভাল

● পাশ্চাত্ত্য দর্শনত পোৱা Syllogismতো সাধ্য (Major Term), পক্ষ (Minor Term) আৰু হেতু (Middle Term) থাকে। কিন্তু এই ক্ষেত্রত শেষত সিদ্ধান্ত বাক্যত কেৱল মাত্র পক্ষ আৰু সাধ্য থাকে কিন্তু হেতু নাথাকে। এটা উদাহৰণেৰে বিষয়টো বুজাব পাৰি।

মানুহ মৰণশীল। (Major Premise)

ৰাম মানুহ। (Minor Premise)

∴ ৰাম মৰণশীল। (Conclusion)

এই ন্যায় বাক্যত 'মানুহ' পদটো হেতু বা Middle Term, মৰণশীল পদটো সাধ্য বা Major Term আৰু ৰাম পদটো পক্ষ বা Minor Term। সাধ্য য'ত থাকে সেইটোৱে Major Premise আৰু পক্ষ য'ত থাকে সেইটো Minor Premise। এই ক্ষেত্রত আমি যদি প্রতিজ্ঞা- হেতু - উদাহৰণ - উপনয় - নিগমন এই ৰূপটো অবয়বযুক্ত ন্যায়বাক্যক গ্রহণ কৰোঁ তেতিয়া হ'লে দেখা যায় যে উদাহৰণটোক Major Premise হিচাপে, হেতুক Minor Premise হিচাপে আৰু প্রতিজ্ঞাক Conclusion হিচাপে লোৱা হৈছে উক্ত ন্যায়বাক্যত।

● গঙ্গেশ উপাধ্যায়, পক্ষধৰ মিশ্র আদিৰ যুক্তিক নব্যন্যায় বুলি কোৱা হয়। গৌতম আৰু কণাদৰ ন্যায় আৰু বৈশেষিক দর্শনক অবলম্বন কৰি চতুর্দশ শতাব্দীমানত গঙ্গেশ উপাধ্যায়ে নব্য ন্যায়ৰ প্রৱর্তন কৰে। গঙ্গেশ উপাধ্যায়ৰ মূল্যবান গ্রন্থ হ'ল তত্ত্বচিন্তামনি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ অনুমান শব্দৰ অর্থ কি?

.....

.....

প্রশ্ন ২ ঃ অনুমান প্রমাণৰ ভেটি কি?

.....

প্রশ্ন ৩ ঃ পৰামর্শত কোনটো বিশেষ্য আৰু কোনটো বিশেষণৰূপত থাকে?

.....

প্রশ্ন ৪ ঃ এৰিষ্টটল কোন আছিল?

.....

প্রশ্ন ৫ ঃ বাৎস্যায়নৰ মতে অনুমান কি?

.....

প্রশ্ন ৬ ঃ লিঙ্গ আৰু লিঙ্গী পদেৰে কি বুজায়?

.....

প্রশ্ন ৭ ঃ লিঙ্গপূর্বক অনুমানৰ এটি উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন ৮ ঃ লিঙ্গীপূর্বক অনুমানৰ এটি উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন ৯ ঃ অনুমিতিৰ সাধন বা কৰণ কি?

.....


১৩.৪ অনুমানৰ প্রকাৰভেদ

অনুমানৰ প্রকাৰভেদ বিভিন্ন ধৰণে কৰিছে দার্শনিক সকলে। ন্যায়শাস্ত্রৰ প্রাচীন পৰম্পৰা মতে অনুমান তিনি প্রকাৰৰ। যেনে— পূর্ব্ববৎ, শেষবৎ আৰু সামান্যতো দৃষ্ট। **সাংখ্যকাৰিকা** গ্রন্থত ঈশ্বৰ কৃষ্ণই কৈছে—'ত্রিবিধম্ অনুমানম্ আখ্যাতম্' অর্থাৎ তিনিবিধ অনুমান কোৱা হৈছে। এই তিনিবিধ অনুমান হ'ল পূর্ব্ববৎ, শেষবৎ আৰু সামান্যতো দৃষ্ট। এই ক্ষেত্রত আমি ন্যায়-শাস্ত্রৰ প্রাচীন পৰম্পৰা আৰু সাংখ্য দর্শনৰ মাজত সম্পূর্ণ সাদৃশ্য দেখা পাওঁ। এতিয়া অনুমানৰ ভাগবোৰৰ সম্বন্ধে বিস্তৃত আলোচনা কৰা হ'ব। পূর্ব্ববৎ অনুমান সম্বন্ধে কোৱা হৈছে— 'তত্রৈকং দৃষ্ট - স্বলক্ষণ - সামান্য বিষয়ং যৎ তৎ পূর্ব্ববৎ' অর্থাৎ প্রত্যক্ষ কৰা লক্ষণ বা কাৰণৰ সামান্য বিষয় যিটো হয় সেইটোৱেই পূর্ব্ববৎ অনুমান। সহজ ভাষাত কোৱা যায় যে কাৰণ লক্ষ্য কৰি কার্য্যৰ বিষয়ে অনুমান কৰা হ'লে তাক পূর্ব্ববৎ অনুমান বোলে। 'পূর্ব্ববৎ' শব্দটোৰ পৰাই জনা যায় যে এই অনুমানত আগতে প্রত্যক্ষ কৰা কার্য্যকাৰণ সম্বন্ধৰ ভিত্তিত এতিয়া সেই কাৰণ চাই একে কার্য্যৰ অনুমান কৰা হয়। উদাহৰণ হিচাপে ক'ব পাৰি যে আকাশত ডাৱৰ লক্ষ্য কৰি অনুমান কৰা হয় যে বৰষুণ দিব। ইয়াৰ ভেটি হ'ল আগতে প্রত্যক্ষ কৰা হৈছে আকাশত ডাৱৰ থাকিলে বৰষুণ হয়। এনেকুৱা অনুমানবোৰক পূর্ব্ববৎ অনুমান বোলা হয়। শেষবৎ অনুমান ঠিক ইয়াৰ বিপৰীত এক অনুমান।



সাংখ্যকাৰিকা ঃ ঈশ্বৰ কৃষ্ণই ৰচনা কৰা সাংখ্য দর্শনৰ এক বিখ্যাত গ্রন্থ। সম্পূর্ণ কিতাপখন কাৰিকাত ৰচনা কৰা হৈছে। এই গ্রন্থৰ বর্তমান চৌখম্বা সংস্কৰণত মুঠ ৭২টা কাৰিকা আছে। ইয়াতে অতি সহজ ভাষাত সাংখ্যদর্শনৰ মূল তত্ত্ববোৰৰ আলোচনা কৰা হৈছে।

শেষ শব্দৰ অর্থ হ'ল পৰিশিষ্ট বা অৱশিষ্ট। শিষ্যতে পৰিশিষ্যতে ইতি শেষঃ। যিটো থাকি যায় সেইটোৱেই শেষ। সাধাৰণভাৱে শেষ শব্দৰ অর্থ সমাপ্তি বুজালেও ইয়াৰ প্ৰকৃত অর্থ হ'ল বৈ যোৱা অংশ। এটি অংশৰ প্ৰত্যক্ষ জ্ঞানেৰে যদি অৱশিষ্ট অংশৰ বিষয়েও তেনেকুৱা জ্ঞান অনুমান কৰা হয় তেনেহ'লে তাকেই শেষবৎ অনুমান বোলে। মন কৰিবলগীয়া কথাটো হ'ল শেষবৎ অনুমানত কার্য্যৰ পৰা কাৰণৰ অনুমান হয়। উদাহৰণ হিচাপে ক'ব পাৰি যে সমুদ্ৰৰ পৰা এক টোপাল পানী লৈ জিভাত দি জনা গ'ল যে লুণীয়া আৰু লগে লগে সমুদ্ৰৰ বাকী পানীখিনিৰ বাবেও একে সোৱাদৰ অনুমান কৰি কোৱা হ'ল সমুদ্ৰৰ পানী লুণীয়া। ইয়াত সমুদ্ৰৰ পানীৰ এটি অংশৰ সোৱাদৰ সহায়ত অৱশিষ্ট অংশৰ সোৱাদৰ অনুমান কৰা হ'ল। সামান্যতো দৃষ্ট অনুমানত কার্য্য বা কাৰণৰ পৰা বেলেগ কোনো সাধন বা লিঙ্গ বা চিনৰ দ্বাৰা অনুমান কৰা হয়। অর্থাৎ এই অনুমানত কার্য্য-কাৰণৰ সম্বন্ধৰ ভিত্তিত অনুমান কৰা নহয়। কার্য্য কাৰণতকৈ অতিৰিক্ত এটি সাধন থাকে। উদাহৰণ হিচাপে কব পাৰি যে এজোপা আমগছত মল অহা চাই অনুমান কৰা যায় যে আন আন আমগছতো মল আহিছে। এয়া এক **সামান্য** অনুমিতি জ্ঞান আৰু এইটো পোৱা যায় সামান্যতো দৃষ্ট অনুমানৰ পৰা। ইয়াত কার্য্য-কাৰণৰ কথা নাই। সাংখ্য দার্শনিক বাচস্পতি মিশ্রই তেওঁৰ সাংখ্যতত্ত্বকৌমুদী নামৰ গ্ৰন্থত এই তিনিটা অনুমানক আকৌ বীত আৰু অবীত নামৰ অনুমানৰ ভেদ দুটাৰ ভিতৰত গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত দেখা যায় যে পূর্ব্ববৎ অনুমান আৰু সামান্যতো দৃষ্ট অনুমান বীত ভাগত পৰে আৰু শেষবৎ অনুমান অবীত ভাগত পৰে। বীত ভাগটো অন্বয় সম্বন্ধৰ ভিত্তিত হয় আৰু অবীত ভাগটো ব্যতিৰেক সম্বন্ধৰ ভিত্তিত হয়। এইটো থাকিলে সেইটো থাকে —এনেকুৱা সম্বন্ধ হ'ল অন্বয়। এইটো নাথাকিলে সেইটো নাথাকে —এনেকুৱা সম্বন্ধ হ'ল ব্যতিৰেক। গতিকে এই ফালৰ পৰা অনুমান প্ৰমাণৰ ভাগবোৰক এনেদৰে দেখুৱাব পাৰি—



আচার্য্য গৌতমে অনুমানৰ তিনিটা ভাগ স্বীকাৰ কৰিছে কিন্তু বাচস্পতি মিশ্রই দিয়া পূর্ব্ববৎ আৰু শেষবৎ অনুমানৰ ধাৰণা ন্যায়সূত্ৰত দিয়া ধাৰণাৰ পৰা অলপ বেলেগ। আচার্য্য গৌতমে ৰচনা কৰা ন্যায়সূত্ৰৰ **ভাষ্যকাৰ** বাৎস্যায়নেও পূর্ব্ববৎ, শেষবৎ আৰু সামান্যতোদৃষ্ট অনুমানৰ ব্যাখ্যা সুকীয়া ধৰণে দিছে। তেওঁৰ মতে, পূর্ব জ্ঞানৰ সমান অন্বয়ব্যাপ্তিৰ (অন্বয় সম্বন্ধৰ বিস্তৃতিৰ) দ্বাৰা জ্ঞানৰ প্ৰাপ্তিয়েই পূর্ব্ববৎ অনুমান। অর্থাৎ আগতেই পোৱা জ্ঞান এটাৰ অন্বয় (এইটো থাকিলে সেইটো থাকে) সম্বন্ধৰ বিস্তৃতিৰ জৰিয়তে পোৱা জ্ঞানৰ প্ৰক্ৰিয়াটোৱেই হ'ল

সামান্য ঃ দর্শন শাস্ত্রত ব্যৱহাৰ হোৱা এটি গুৰুত্বপূর্ণ শব্দ হ'ল সামান্য। ইয়াৰ বিপৰীত হ'ল বিশেষ। সামান্য শব্দৰ অর্থ হ'ল ব্যাপক —যিটো বেচি পৰিধি গ্ৰহণ কৰে। একেদৰে বিশেষ শব্দৰ অর্থ হ'ল যিটো কম পৰিধি গ্ৰহণ কৰে। যেনে, সকলো প্ৰাণীৰ বিষয়ে হোৱা জ্ঞানটো সামান্য জ্ঞান কিন্তু নির্দ্দিষ্ট এটি প্ৰাণীৰ বিষয়ে হোৱা জ্ঞানটো বিশেষ জ্ঞান।

ভাষ্যকাৰ ঃ যি গ্ৰন্থত সূত্ৰৰ অর্থ বর্ণনা কৰা হয় আৰু সূত্ৰ অনুসৰি বেলেগ বাক্যৰ উপস্থাপনা কৰি তথা নতুন পদ প্ৰয়োগ কৰি সূত্ৰৰ অর্থ বিশ্লেষণ কৰা হয় তাকেই ভাষ্য বোলে আৰু ভাষ্য ৰচনা কৰোতাক ভাষ্যকাৰ বোলা হয়। কোৱা হয়— সূত্রার্থো বর্ণ্যতে যত্র বাক্যৈঃ সূত্রানুসারিভিঃ। স্বপদানি চ বর্ণ্যন্তে ভাষ্যং ভাষ্যবিদো বিদুঃ।

পূর্ব্ববৎ অনুমান। ইয়াৰ উদাহৰণ হিচাপে কোৱা হৈছে ধোৱাৰ পৰা জুইৰ (উপস্থিতিৰ) অনুমান। এনেদৰে শেষবৎ আৰু সামান্যতোদৃষ্ট অনুমানৰ কথাও ভাষ্যত বাৎস্যায়নে পৃথকভাৱে ব্যক্ত কৰিছে। কিন্তু বৌদ্ধ দর্শন আৰু নব্যন্যায় দর্শনত অনুমানক ওপৰত কোৱা ধৰণে ভাগ নকৰি সম্পূর্ণ বেলেগ দুটা ভাগত ভগোৱা হৈছে। এই ক্ষেত্রত কোৱা হৈছে যে অনুমানৰ ভাগ দুটা হ'ল স্বার্থানুমান আৰু পৰার্থানুমান। এই বিভাজন কিন্তু হেতু অথবা ব্যাপ্তিৰ কোনো বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি নির্ধাৰণ কৰা হোৱা নাই। অর্থাৎ পূর্ব্ববৎ, শেষবৎ আৰু সামান্যতো দৃষ্ট অনুমানৰ ভেটি হিচাপে লোৱা হয় ব্যাপ্তি বা হেতুৰ বৈশিষ্ট্যক; কিন্তু বর্তমানে আলোচনা কৰিব লোৱা স্বার্থানুমান আৰু পৰার্থানুমান-অনুমানৰ এই ভাগ দুটাৰ ক্ষেত্রত বাক্য যোজনা বা বাক্য ব্যৱহাৰৰ প্রক্রিয়াটোৰ ওপৰতহে গুৰুত্ব দিয়া হয়। বাক্য গঠন আৰু বাক্য ব্যৱহাৰ কৰা নকৰাৰ ওপৰত ভিত্তি কৰি পৰার্থানুমান আৰু স্বার্থানুমান বিবেচনা কৰা হয়। ব্যাখ্যা কৰিলে বিষয়টো সহজ হৈ পৰিব। স্বার্থানুমান নিজৰ জ্ঞানৰ কাৰণে কৰা হয় গতিকে এই ক্ষেত্রত বাক্য গঠন বা বাক্য যোজনাৰ প্রয়োজন নাথাকে। কিন্তু নিজে জনাৰ পিছত বেলেগৰ জ্ঞানৰ বাবে পৰার্থানুমান কৰা হয় কাৰণে ইয়াত বিশেষ ধৰণে বাক্য গঠন বা বাক্য যোজনাৰ প্রয়োজন হয়। এই ক্ষেত্রত বাক্যযোজনা বা বাক্য গঠনত ভুল হ'লে পৰার্থানুমান —এই শব্দ দুটাৰ ভাঙনি কৰিলেই অর্থ সহজ হৈ পৰে। স্বস্য অর্থঃ প্রয়োজনং যস্মাৎ তৎ স্বার্থানুমানম্। অর্থাৎ নিজৰ প্রয়োজন (সিদ্ধ হয়) যি অনুমানত সেইটো স্বার্থানুমান। যি অনুমান নিজৰ জ্ঞানৰ কাৰণে কৰা হয় সেইটোৱে স্বার্থানুমান। আনফালে পৰস্য অর্থঃ প্রয়োজনং যস্মাৎ তৎ পৰার্থানুমানম্ এই ব্যুৎপত্তি অনুসৰি বেলেগৰ প্রয়োজন (সিদ্ধ হয়) যি অনুমানত সেইটোৱে পৰার্থানুমান। অর্থাৎ যি অনুমানৰ প্রয়োগ বেলেগৰ প্রয়োজনৰ কাৰণে কৰা হয় সেইটো হ'ল পৰার্থানুমান। কিছুমান পণ্ডিতে স্বার্থানুমান আৰু পৰার্থানুমানক যথাক্রমে প্রাথমিক আৰু দ্বিতীয় অনুমান বুলি কয়। আকৌ স্বার্থানুমানক পৰম্পৰাৰহিত আৰু পৰার্থানুমানক পৰম্পৰাযুক্ত বুলিও সম্বোধন কৰা হয়। অর্থাৎ দার্শনিকসকলৰ দৃষ্টিভঙ্গীৰ ভিত্তিত এই অনুমান দুটাৰ বেলেগ বেলেগ নামকৰণ কৰা দেখা পোৱা যায়। ইয়াতেই মন কৰিবলগীয়া কথাটো হ'ল যে স্বার্থানুমানত কোনো ধৰণৰ বাক্যৰ পৰম্পৰা নাথাকে। কাৰণ স্বার্থানুমান কেৱল মাত্র স্বকীয় জ্ঞানাত্মক হয় কিন্তু পৰার্থানুমানত এটি সুগঠিত বাক্যপৰম্পৰাৰ প্রয়োগ কৰিব লাগে।

অনুমানক স্বার্থানুমান আৰু পৰার্থানুমান এই দুই ভাগত বিভক্ত কৰা বিষয়টো গৌতমৰ ন্যায়সূত্রত বা কণাদৰ বৈশেষিক সূত্রত পোৱা নাযায়। প্রশস্তপাদৰ ভাষ্যতেই এই কথাটো পোনপ্রথমবাৰৰ বাবে লক্ষ্য কৰা যায়। যদিও প্রশস্তপাদে তেওঁৰ ভাষ্যত স্বার্থানুমানৰ প্রয়োগ কৰা নাই কিন্তু পৰার্থানুমানৰ বিষয়ে কোৱা তেওঁৰ আলোচনাৰ পৰা সহজেই অনুমান কৰা যায় যে তেওঁ অনুমানক স্বার্থানুমান আৰু পৰার্থানুমান এই দুই ভাগত বিভক্ত কৰিব বিচাৰিছিল। গোবর্ধন পণ্ডিতে ন্যায়বোধিনীত কৈছে যে যি অনুমানৰ বাবে ন্যায় অর্থাৎ পাঁচটা অৱয়ৱ যুক্ত বাক্যৰ প্রয়োগ হয় তাকেই পৰার্থানুমান বোলে আনফালে যি অনুমানত ন্যায়ৰ প্রয়োগ নহয় তাক স্বার্থানুমান বোলা হয়। ন্যায়বিন্দু গ্রন্থৰ **টীকা**কাৰ শ্রীধর্মোত্তৰাচার্য্যই কয় যে পৰার্থানুমান **শব্দাত্মক** অর্থাৎ শব্দৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে আনফালে স্বার্থানুমান **জ্ঞানাত্মক** অর্থাৎ জ্ঞানৰ ওপৰত




টীকা ঃ মূল গ্রন্থৰ বিষয় বস্তুৰ ব্যাখ্যানমূলক আলোচনা। টীকাৰ ৰচকক টীকাকাৰ বুলি কোৱা হয়।

শব্দাত্মক ঃ শব্দৰূপী, শব্দৰ ৰূপত যিটো প্রকাশ পায়।

জ্ঞানাত্মক ঃ জ্ঞানৰূপী, জ্ঞানৰ ৰূপত যিটো প্রকাশ পায়।

ভিত্তি কৰি এই অনুমানৰ স্থিতি হয়। আচার্য্য প্রশস্তপাদৰ ভাষ্য আলোচনা কৰিলে দেখা যায় যে তেওঁৰ মতে পাঁচটা অৱয়বযুক্ত বাক্যৰ সহায়ত নিজে নিশ্চিত কৰা অর্থৰ প্রতিপাদন কৰাই হ'ল পৰার্থানুমান। এই ক্ষেত্রত অনুমানৰ বিভাগক আমি তলত দিয়া ধৰণে দেখুৱাব পাৰোঁ।



ইয়াত মন কৰিবলগীয়া কথাটো হ'ল এয়ে যে কিছুমান পণ্ডিতৰ মতে অনুমানৰ লক্ষণ কেৱলমাত্র স্বার্থানুমানতহে পোৱা যায়। কিন্তু পৰার্থানুমানত অনুমানৰ লক্ষণ সম্পূর্ণভাৱে প্রযুক্ত নহয়। তেওঁলোকে কয় যে অনুমানৰ কৰণ বা সাধন ব্যাপ্তি জ্ঞানেই হওঁক বা লিঙ্গজ্ঞানেই হওঁক অথবা পৰামর্শজ্ঞানেই হওঁক, এই তিনিটা বিষয়েই জ্ঞানাত্মক আৰু সেই কাৰণে এই কৰণে জ্ঞানাত্মক যি স্বার্থানুমান তাকেই উৎপন্ন কৰে। আনফালে তেওঁলোকৰ মতে পৰার্থানুমান শব্দাত্মক হোৱা কাৰণে শব্দ প্রমাণৰ অন্তর্গত হোৱা উচিত, কিন্তু সুবিধাৰ কাৰণে ইয়াক অনুমানৰ অন্তর্গত কৰা হৈছে। আকৌ কিছুমান পণ্ডিতে কৈছে যে পৰার্থানুমানত যি অনুমিতি জ্ঞান হয় সেইটো পৰার্থ বা বেলগৰ বাবে নহয়, কিন্তু শব্দ প্রয়োগৰ বা বাক্যগঠনৰ প্রক্রিয়াটো পৰার্থ হয়।



জানি থোৱা ভাল

- সূত্র হ'ল বিষয় উপস্থাপনাৰ এটি বিশেষ লিখনপদ্ধতি। সূত্রকাৰ বা সূত্রৰচয়িতাসকলে অতি চমুকৈ সূত্রৰ মাজেদি তেওঁলোকৰ মত দাঙি ধৰিছে। কিন্তু সূত্রবোৰ অতি সংক্ষিপ্ত হোৱা বাবে পৰৱর্তী কালত পণ্ডিতসকলে বিদ্যার্থীৰ সুবিধাৰ বাবে ভাষ্য, টীকা, টিপ্পনী আদি ব্যাখ্যামূলক পদ্ধতি গ্রহণ কৰি সূত্রবোৰৰ অর্থ বিশ্লেষণ কৰিছে। বর্তমান কালত এই ভাষ্য, টীকা, টিপ্পনীবোৰ ইমানেই প্রয়োজনীয় হৈ পৰিছে যে এইবোৰ নাথাকিলে সূত্রৰ আচল অর্থটো সহজে বুজা নাযায়। সেই কাৰণে সূত্র গ্রন্থবোৰৰ লগতে ভাষ্য, টীকা, টিপ্পনীবোৰৰ গুৰুত্ব সমপর্য্যায়ৰ।
- কার্য্য-কাৰণবাদ অর্থাৎ কার্য্য-কাৰণৰ নিত্যসম্বন্ধ সকলোৱেই স্বীকাৰ কৰিছে। কার্য্য থাকিলে কাৰণ থাকিব, কাৰণ থাকিলে কার্য্য থাকিব— এনেকুৱা জ্ঞানৰ ভিত্তিত কার্য্য-কাৰণৰ সম্বন্ধ স্বীকাৰ কৰা হয়। পণ্ডিতসকলে এই ক্ষেত্রত দুটা বিশেষ সম্বন্ধৰ

কথা কৈছে। সেই দুটা হ'ল অন্বয় আৰু ব্যতিৰেক। অন্বয় আৰু ব্যতিৰেক হ'ল সম্পূর্ণ পাৰিভাষিক শব্দ (Technical Term)। অন্বয় সম্বন্ধক বুজোৱাৰ কাৰণে কোৱা হয় 'তৎসত্ত্বে তৎসত্তা'। অর্থাৎ সেইটো থাকিলে সেইটো থাকে। দুটা ঘটনা বা বিষয়ৰ মাজত যদি দেখা যায় যে এটা থাকিলে আনটো থাকে তেতিয়া হলে সেই দুটাৰ মাজত অন্বয় সম্বন্ধ আছে বুলি ধৰা হয়। আনফালে ব্যতিৰেক সম্বন্ধৰ বিষয়ে কোৱা হৈছে 'তদসত্ত্বে তদসত্তা'। অর্থাৎ সেইটো নাথাকিলে সেইটো নাথাকে। দুটা বিষয় বা ঘটনাৰ মাজত যদি দেখা যায় যে এটা নাথাকিলে আনটো নাথাকে তেতিয়া হ'লে সেই বিষয় দুটাৰ মাজত ব্যতিৰেক সম্বন্ধ থকা বুলি স্বীকাৰ কৰা হয়। এই অন্বয় আৰু ব্যতিৰেক সম্বন্ধৰ ভিত্তিত দর্শন আদি ক্ষেত্রত বিভিন্ন বিষয়ৰ আলোচনা কৰা দেখা যায়। অলঙ্কাৰ শাস্ত্রতো (Rhetorics) অন্বয় ব্যতিৰেক সম্বন্ধ কেন্দ্র কৰি বহু বিষয়ৰ আলোচনা কৰিছে পণ্ডিতসকলে।

- ব্যাপ্তি হ'ল সাহচর্য্য নিয়ম অর্থাৎ একেলগে থকাৰ বিধি। য'ত য'ত ধোঁৱা আছে তাত জুই আছে —এয়াই হ'ল ব্যাপ্তি। ইয়াক ব্যাপ্য-ব্যাপক ভাব বুলিও কোৱা হয়। যেনে ধোঁৱা আৰু জুইৰ ক্ষেত্রত কব পাৰি যে ধোঁৱা হ'ল জুইৰ ব্যাপ্য আৰু জুই হ'ল ব্যাপক। এই ক্ষেত্রত ক'ব পাৰি যে জুইৰ ব্যাপ্য ধোঁৱা যদি পর্বতত থাকে তেনেহ'লে ব্যাপক জুইও পর্বতত থাকিবই —এনেকুৱা জ্ঞানক পৰামর্শ বোলে। অনুমানৰ ক্ষেত্রত বহ্নিব্যাপ্য ধূমবান্ অয়ং পর্বতঃ —এনেকুৱা জ্ঞান হ'ল পৰামর্শ। লিঙ্গ হ'ল হেতু। ব্যাপ্তি সম্বন্ধৰ জৰিয়তে লিঙ্গক বুজা যায়। অনুমানৰ ক্ষেত্রত পণ্ডিতসকলে কেতিয়াবা ব্যাপ্তিৰ জ্ঞানক, কেতিয়াবা লিঙ্গৰ জ্ঞানক কেতিয়াবা আকৌ পৰামর্শজ্ঞানক কৰণ বা সাধন বুলি কৈছে।
- পঞ্চাবয়ব বাক্য বুলি কলে প্রতিজ্ঞা-হেতু-উদাহৰণ-উপনয়-নিগমনক বুজোৱা হৈছে। এই প্রসঙ্গত তর্কসংগ্রহ (অনুমানখণ্ড) নামৰ অধ্যায়টোত বিশদ আলোচনা কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১০ ঃ সাংখ্যকাৰিকাত ঈশ্বৰ কৃষ্ণই অনুমানৰ প্রকাৰ ভেদ কেনেদৰে কৰিছে?

.....

.....

প্রশ্ন ১১ ঃ পূর্ব্ববৎ অনুমানৰ লক্ষণ কি?

.....

.....

প্রশ্ন ১২ ঃ শেষবৎ অনুমানৰ উদাহৰণ দিয়ক।

.....

.....

.....

প্রশ্ন ১৩ ঃ পূর্ব্ববৎ অনুমানৰ এটি উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন ১৪ ঃ সামান্যতোদৃষ্ট অনুমানৰ উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন ১৫ ঃ অন্বয় সম্বন্ধ কেনেকুৱা?

.....

.....

প্রশ্ন ১৬ ঃ ব্যতিৰেক সম্বন্ধ কি?

.....

.....

প্রশ্ন ১৭ ঃ বাৎস্যায়নে অনুমানৰ প্রকাৰভেদ কিদৰে কৰিছে?

.....

.....

প্রশ্ন ১৮ ঃ বাচস্পতি মিশ্রই অনুমানক কেনেদৰে ভাগ কৰিছে?

.....

.....

.....

প্রশ্ন ১৯ ঃ নব্য ন্যায়ত অনুমানৰ প্রকাৰভেদ কেনেদৰে দেখুওৱা হৈছে?

.....

.....

প্রশ্ন ২০ ঃ স্বার্থানুমান পদটোৰ ভাঙনি লিখক।

.....

.....

প্রশ্ন ২১ ঃ পৰার্থানুমান কাক বোলে?

.....

.....

প্রশ্ন ২২ ঃ পৰার্থানুমান প্রকাশৰ উপায় কি?

.....

প্রশ্ন ২৩ ঃ পৰার্থানুমানক পৰম্পৰাযুক্ত বুলি কিয় কোৱা হয়?

.....

.....

প্রশ্ন ২৪ ঃ স্বার্থানুমানক কিয় জ্ঞানাত্মক বুলি কোৱা হয়?

.....

.....

প্রশ্ন ২৫ ঃ কোনে অনুমানক পোনপ্রথমবাৰৰ বাবে স্বার্থানুমান আৰু পৰার্থানুমান —এই ভাগত প্রকাশ কৰে?

.....

.....

.....

.....

১৩.৫ প্রমাণ হিচাপে অনুমানৰ স্থিতি

আপুনি ইতিমধ্যে জানিব পাৰিছে যে অনুমান প্রমাণত জ্ঞান প্রত্যক্ষৰ পিছতহে আহে কাৰণ 'অনু' পদৰ অর্থ পিছত আৰু মান পদৰ অর্থ প্রমাণ। যিসকল দার্শনিকে কেৱল মাত্র প্রত্যক্ষ প্রমাণকহে স্বীকাৰ কৰে তেওঁলোকৰ মতে অনুমান যিহেতু প্রত্যক্ষৰ ওপৰত নির্ভৰশীল, সেইকাৰণে অনুমানৰ নিজা স্থিতি নাই। প্রত্যক্ষৰ ওপৰত আশ্রয় কৰি গঢ়ি উঠা কাৰণে প্রত্যক্ষৰ অভাবত অনুমানৰ প্রামাণ্য সন্দেহজনক হয় বুলি তেওঁলোকে অভিমত দিয়ে। কিন্তু অনুমানক বিশ্লেষণ কৰি চালে এই মতবাদক স্বীকাৰ কৰা নাযায়। অনুমানক অস্বীকাৰ কৰিলে বহুতো ধাৰণাৰ জ্ঞান সম্পূর্ণ নহয়। সেই কাৰণে চার্ব্বাকৰ বাহিৰে আন সকলো দর্শনেই অনুমানক প্রমাণ হিচাপে স্বীকাৰ কৰিছে। অনুমানৰ ক্ষেত্রত মন কৰিবলগীয়া কথাটো হ'ল যে প্রত্যক্ষ প্রমাণ হ'ল অনুমানৰ উপজীব্য অর্থাৎ প্রত্যক্ষৰ ভিত্তিতহে অনুমান প্রক্রিয়া চলে। সেই কাৰণে অনুমানক প্রত্যক্ষৰ উপজীৱক বুলি কোৱা হয়। এই উপজীব্য-উপজীৱক ভাবৰ ওপৰত নির্ভৰ কৰিহে প্রত্যক্ষৰ পিছত অনুমানক স্থান দিয়া হয়। প্রত্যক্ষ প্রমাণৰ দ্বাৰা এটি পদার্থক জনাৰ পিছত সেই সম্বন্ধীয় আন এটা পদার্থৰ জ্ঞানেই হ'ল অনুমিতি আৰু এই প্রমানটো হ'ল অনুমান। সেই কাৰণে অনুমান প্রমাণৰ আগত প্রত্যক্ষ থাকিবই লাগিব। ৰাতিপুৱা উঠি চোতালখন তিতি থকা দেখি অনুমান কৰা যায় যে ৰাতি বৰষুণ দিছিল। এই ক্ষেত্রত ৰাতি বৰষুণ দিয়াটো প্রত্যক্ষ হোৱা নাই কিন্তু ৰাতিপুৱা চোতাল তিতি থকা ৰূপটো প্রত্যক্ষ হৈছিল। এই প্রত্যক্ষৰ ভিত্তিত ৰাতি অপ্রত্যক্ষ হোৱা এটা পদার্থৰ অর্থাৎ বৰষুণ দিয়াৰ বিষয়ে জ্ঞান হল। য'ত প্রত্যক্ষ প্রমাণ ঢুকি নাপায় তাত অনুমান প্রমাণ প্রয়োগ কৰা হয়। সাংখ্যকাৰিকা গ্রন্থত ঈশ্বৰ কৃষ্ণই অনুমান প্রমাণৰ স্থিতি সম্বন্ধে অতি সহজভাৱে ব্যক্ত কৰি কৈছে—



পৰোক্ষম্ ঃ অক্ষ্ণোঃ পৰম্, পৰোক্ষম্ অর্থাৎ চকুৰ বাহিৰত যিটো সেইটোৱে পৰোক্ষ। ইয়াত চকুৰ কথা কোৱা হলেও যিটো ইন্দ্রিয়জ্ঞানৰ বাহিৰত সেইটোৱে পৰোক্ষ। যিটোক সাক্ষাৎ কৰা নাযায় সেইটোৱে পৰোক্ষ।

অতীন্দ্রিয় ঃ যিটো ইন্দ্রিয়ক অতিক্রম কৰে সেইটোৱেই হ'ল অতীন্দ্রিয়। ইন্দ্রিয়ম্ অতিক্রান্তম্ অতীন্দ্রিয়ম্। অর্থাৎ যিটোক ইন্দ্রিয়ৰ দ্বাৰা প্রত্যক্ষ কৰা নাযায় সেইটোৱে অতীন্দ্রিয়।

সামান্যতস্তু দৃষ্টাদতীন্দ্রিয়াণাং প্রসিদ্ধিৰনুমানাৎ।
তস্মাদপি চাসিদ্ধং **পৰোক্ষম্** আপ্তাগমাৎ সিদ্ধম্।।

ইয়াৰ অর্থ হ'ল যি পদার্থ **অতীন্দ্রিয়,** সেইটোৰ জ্ঞান সামান্যতো দৃষ্ট অনুমানৰ দ্বাৰা হয়। এই অনুমানৰ দ্বাৰা যিটো অসিদ্ধ অর্থাৎ জ্ঞাত নহয় সেই পৰোক্ষ পদার্থবোৰ আপ্তবচন বা আগম প্রমাণৰ দ্বাৰা সিদ্ধ হয়। সাংখ্যদর্শনৰ মতে প্রধান আৰু পুৰুষ নামৰ তত্ত্ব দুটা প্রত্যক্ষ গম্য নহয় অর্থাৎ প্রত্যক্ষৰ দ্বাৰা এই দুটাক জনা নাযায়। অতীন্দ্রিয় হোৱা কাৰণে প্রত্যক্ষই এই তত্ত্ব দুটাক ঢুকি নাপায়, কিন্তু এই দুটা তত্ত্ব অনুমানগম্য। অনুমান প্রমাণৰ দ্বাৰা প্রধান আৰু পুৰুষ —এই তত্ত্ব দুটাক জনা যায়। এই ক্ষেত্রত কোৱা হয় যে যেনেকৈ পুত্রক দেখি পুত্রৰ পিতাৰ বিষয়ে অনুমান কৰা হয় সেইদৰে প্রধান তত্ত্বৰ কার্য্য প্রত্যক্ষ কৰি প্রধানৰ বিষয়ে অনুমান কৰা হয়। এনেদৰে য'ত প্রত্যক্ষৰ দ্বাৰা জ্ঞান পোৱা সম্ভৱপৰ নহয় তাত অনুমান ব্যৱহাৰ কৰা হয়।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যদিও অনুমান প্রমাণ প্রত্যক্ষ প্রমাণৰ আশ্রিত আৰু প্রত্যক্ষ প্রমাণৰ অভাব থাকিলে সেই সম্পর্কত দিয়া অনুমান জ্ঞানৰ বিষয়ে সন্দেহ থাকি যায় কিন্তু ন্যায়দর্শনত অনুমান প্রমাণক এক গুৰুত্বপূর্ণ স্থান দিয়া হৈছে। নৈয়ায়িকসকলৰ বিভিন্ন আলোচনাৰ পৰা জনা যায় যে তেওঁলোকে বহুক্ষেত্রত প্রত্যক্ষতকৈ অনুমানক অধিক গুৰুত্ব প্রদান কৰিছে। দর্শনৰ ক্ষেত্রত অত্যন্ত প্রচলিত এটা বাক্য হ'ল যে তর্ক ভালপোৱা নৈয়ায়িকে প্রত্যক্ষ প্রমাণৰ দ্বাৰা জনা বিষয়টোকো অনুমানৰ দ্বাৰা সিদ্ধ কৰাৰ বাবে যত্ন কৰে।

বৈশেষিক দর্শনত উপমানক অনুমানৰ অন্তর্ভুক্ত কৰা হৈছে। কিন্তু নৈয়ায়িকসকলে বৈশেষিক দর্শনৰ এই অভিমত স্বীকাৰ কৰা নাই।



জানি থোৱা ভাল

- সাংখ্য দর্শনৰ মতে ব্যক্ত তত্ত্ববোৰ প্রত্যক্ষৰ দ্বাৰা, ইন্দ্রিয়ৰ অগোচৰ পদার্থবোৰ অনুমানৰ দ্বাৰা সিদ্ধ হয়। যিবোৰক অনুমানৰ দ্বাৰাও জনা নাযায় সেই পৰোক্ষতত্ত্ববোৰ আপ্তবচনৰ দ্বাৰা সিদ্ধ হয়।
- উপমান প্রমাণত কিছু ক্ষেত্রত অনুমানৰ লগত সাদৃশ্য থাকিলেও ই অনুমানৰ পৰা বেলেগ। বৈশেষিক দর্শনে এইটো স্বীকাৰ নকৰিলেও নৈয়ায়িকসকলে এই ক্ষেত্রত তেওঁলোকৰ মত স্পষ্টভাৱে দাঙি ধৰিছে।
- কিছুমান পণ্ডিতৰ মতে, আত্মা হ'ল অনুমানগ্রাহ্য, সুখ-দুখ, জ্ঞান ইচ্ছা আদি গুণবোৰ এই ক্ষেত্রত ব্যৱহাৰ হোৱা অনুমানৰ হেতু। আকৌ এই গুণবোৰ যি দ্রব্যত আশ্রিত সেই দ্রব্যই হ'ল আত্মা —এনেদৰে কিছুমান পণ্ডিতে আত্মাৰ অনুমান গ্রাহ্যত্ব স্বীকাৰ কৰিছে। আনহাতে, কিছুমান পণ্ডিতৰ মতে আত্মা প্রত্যক্ষ গ্রাহ্য। মই সুখী এনেকুৱা জ্ঞানত যেনেদৰে সুখ-দুখ জ্ঞানৰ বিষয় হয় সেইদৰে সেইবোৰৰ আশ্রয় আত্মাও জ্ঞানৰ বিষয় হয় আৰু এই জ্ঞানক প্রত্যক্ষ জ্ঞান বোলে। ন্যায়-বৈশেষিক দর্শনৰ মতে আত্মা জ্ঞানৰ স্বৰূপ নহয় কিন্তু জ্ঞান নামৰ আশ্রিত গুণৰ দ্বাৰা আত্মা প্রকাশিত হয়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ২৬ ঃ অনুমান প্ৰমাণ কিহৰ আশ্ৰিত?

.....

প্ৰশ্ন ২৭ ঃ অনুমানক কিয় উপজীৱক বোলে?

.....

.....

প্ৰশ্ন ২৮ ঃ প্ৰত্যক্ষ কাৰ উপজীব্য?

.....

.....

প্ৰশ্ন ২৯ ঃ অনুমানৰ দ্বাৰা কেনেকুৱা পদাৰ্থৰ জ্ঞান হয়?

.....

প্ৰশ্ন ৩০ ঃ কোনটো দৰ্শনত উপমানক অনুমানৰ অন্তৰ্গত বুলি কোৱা হয়?

.....

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অনুমান প্ৰমাণৰ বিষয়ে বিশদভাৱে জানিব পাৰিলোঁ। অনুমান শব্দটোৰ প্ৰকৃত অৰ্থ তথা কেনেকৈ অনুমান প্ৰমাণত জ্ঞানৰ প্ৰক্ৰিয়া চলে সেই বিষয়েও জানিব পাৰিলোঁ।
- অনুমান প্ৰত্যক্ষৰ ওপৰত নিৰ্ভৰশীল কাৰণ এটা প্ৰত্যক্ষ জ্ঞানৰ ভিত্তিতহে সেই সম্বন্ধীয় অনুমান জ্ঞান লাভ কৰাটো সম্ভৱ হয়।
- অনুমানক প্ৰত্যক্ষৰ আশ্ৰিত বুলি কোৱা হয়।
- অনুমানৰ বিভিন্ন প্ৰকাৰভেদৰ বিষয়েও জানিলোঁ।
- বিভিন্ন দাৰ্শনিকে বেলেগ বেলেগ ধৰণে অনুমানক ভাগ কৰিছে।
- বাচস্পতিমিশ্ৰই অনুমানক বীত আৰু অবীত ৰূপত ভগাইছে।
- কিছুমান দাৰ্শনিকে অনুমানক পূৰ্ব্ববৎ, শেষবৎ আৰু সামান্যতো দৃষ্ট বুলি তিনিটা ভাগত ভগাইছে।
- প্ৰশস্তপাদে অনুমানক স্বাৰ্থানুমান আৰু পৰাৰ্থানুমান— এই দুটা ভাগত বিভক্ত কৰিছে। এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ উদাহৰণৰ লগতো পৰিচিত হ'লোঁ।
- প্ৰমাণ হিচাপে অনুমানৰ স্থিতি কি সেই বিষয়েও অবগত হ'লোঁ।



১৩.৭ অধিক জানিবলৈ

১) অৱস্থী, ড° ব্ৰহ্মমিশ্ৰ; *ভাৰতীয় ন্যায়শাস্ত্ৰ এক অধ্যয়ন*; দিল্লী ঃ ইন্দু প্ৰকাশন।

২) আয়াৰ, এছ. আৰ.; *তৰ্কভাষা*; বাৰাণসী ঃ চৌখম্বা পাব্লিশ্যাৰ্ছ।

৩) গোস্বামী, নাৰায়ণ চন্দ্ৰ; *তৰ্কসংগ্ৰহ*; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৪) কৰ্ণাটক, ড° বিমলা; *সাংখ্যকাৰিকা*; দিল্লী ঃ চৌখম্বা অৰিয়েণ্টালিয়া।



১৩.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ অনুমান শব্দৰ অৰ্থ হ'ল পিছত হোৱা জ্ঞান বা প্ৰমাণ অৰ্থাৎ প্ৰত্যক্ষ প্ৰমাণৰ পিছত অনুমানৰ জ্ঞান হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যক্ষই হ'ল অনুমান প্ৰমাণৰ ভেটি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পৰামৰ্শত ব্যাপ্তি বিশেষণ ৰূপত আৰু হেতু বিশেষ্য ৰূপত থাকে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্টটল এজন প্ৰখ্যাত গ্ৰীক দাৰ্শনিক আছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ বাৎস্যায়নৰ মতে জনা হেতুৰ আধাৰত সাধ্যৰ জ্ঞানেই হ'ল অনুমান।

৬নং প্ৰশ্নৰ উত্তৰ ঃ লিঙ্গ পদৰ অৰ্থ হ'ল চিন। সেইটো যাৰ থাকে তাকেই লিঙ্গী বোলে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ লিঙ্গ পূৰ্বক অনুমানৰ উদাহৰণ হ'ল 'দণ্ডেন যতিঃ' অৰ্থাৎ দণ্ড বা লাঠি চাই মানুহজনক তপস্বী বুলি অনুমান কৰা হয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ লিঙ্গিপূৰ্বক অনুমানৰ উদাহৰণ হ'ল 'দৃষ্ট্বা যতিম্ অস্য ইদং ত্ৰিদণ্ডম্'। অৰ্থাৎ সন্ন্যাসীক প্ৰত্যক্ষ কৰি তেওঁৰ ত্ৰিদণ্ডৰ বিষয়ে অনুমান কৰা হ'ল।

৯নং প্ৰশ্নৰ উত্তৰ ঃ নব্যন্যায় মতে, পৰামৰ্শই অনুমানৰ কৰণ।

১০নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যকাৰিকাত অনুমানক পূৰ্ব্ববৎ, শেষবৎ আৰু সামান্যতো দৃষ্ট —এই তিনিটা ভাগত ভগোৱা হৈছে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্ব্ববৎ অনুমানৰ লক্ষণ হ'ল দৃষ্ট-স্বলক্ষণ-সামান্য বিষয়ং যৎ তৎ পূৰ্ব্ববৎ। অৰ্থাৎ প্ৰত্যক্ষ কৰা লক্ষণ বা কাৰণৰ সামান্য বিষয় যিটো হয় সেইটোৱেই পূৰ্ব্ববৎ অনুমান।

১২নং প্ৰশ্নৰ উত্তৰ ঃ সমুদ্ৰৰ পৰা এক টোপাল পানী লৈ জিভাত দি জনা গ'ল যে সেইখিনি লুণীয়া আৰু লগে লগে সমুদ্ৰৰ বাকী পানীখিনিও লুণীয়া বুলি অনুমান কৰা হ'ল — এইটোৱে শেষবৎ অনুমানৰ উদাহৰণ।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্ব্ববৎ অনুমানৰ উদাহৰণ হ'ল— আকাশত ডাৰৰ লক্ষ্য কৰি বৰষুণ হব বুলি অনুমান কৰা হয়।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ এজোপা আমগছত মল অহা চাই অনুমান কৰিব পাৰি যে আন আন আমগছতো মল আহিছে —এইটো সামান্যতো দৃষ্ট অনুমানৰ উদাহৰণ।

১৫নং প্রশ্নৰ উত্তৰ ঃ তৎসত্ত্বে তৎসত্তা —এইটো হ'ল অন্বয় সম্বন্ধ। অর্থাৎ এইটো থাকিলে সেইটো থাকে —এনেকুৱা সম্বন্ধই হ'ল অন্বয় সম্বন্ধ।

১৬নং প্রশ্নৰ উত্তৰ ঃ তদসত্ত্বে তদসত্তা —এইটো হ'ল ব্যতিৰেক সম্বন্ধ। অর্থাৎ এইটো নাথাকিলে সেইটো নাথাকে —এনেকুৱা সম্বন্ধ হ'ল ব্যতিৰেক সম্বন্ধ।

১৭নং প্রশ্নৰ উত্তৰ ঃ বাৎস্যায়নে অনুমানক পূর্ব্ববৎ, শেষবৎ আৰু সামান্যতোদৃষ্ট —এই তিনিটা ভাগত ভগাইছে।

১৮নং প্রশ্নৰ উত্তৰ ঃ বাচস্পতিমিশ্রই অনুমানক বীত আৰু অবীত এই দুটা ভাগত ভগাই লৈ বীত অনুমানক পূর্ব্ববৎ আৰু শেষবৎ এই দুটা ভাগত বিভক্ত কৰিছে আৰু অবীত ভাগটোক শেষবৎ বুলিও কৈছে।

১৯নং প্রশ্নৰ উত্তৰ ঃ নব্যন্যায়ত অনুমানক স্বার্থানুমান আৰু পৰার্থানুমানম্ —এই দুটা ভাগত ভগোৱা হৈছে।

২০নং প্রশ্নৰ উত্তৰ ঃ স্বস্য অর্থঃ প্রয়োজনং যস্মাৎ তৎ স্বার্থানুমানম্। অর্থাৎ নিজৰ প্রয়োজন সিদ্ধ হয় যি অনুমানত সেইটো স্বার্থানুমান।

২১নং প্রশ্নৰ উত্তৰ ঃ পৰস্য অর্থঃ প্রয়োজনং যস্মাৎ তৎ পৰার্থানুমানম্। অর্থাৎ বেলেগৰ প্রয়োজন সিদ্ধ হয় যি অনুমানত সেইটোৱে পৰার্থানুমান।

২২নং প্রশ্নৰ উত্তৰ ঃ পঞ্চাবয়ব বাক্যৰ সহায়ত পৰার্থানুমান প্রকাশ কৰা হয়।

২৩নং প্রশ্নৰ উত্তৰ ঃ পৰার্থানুমানত বাক্যৰ এটি বিশেষ পৰম্পৰা থাকে কাৰণে ইয়াক পৰম্পৰাযুক্ত বুলি কোৱা হয়।

২৪নং প্রশ্নৰ উত্তৰ ঃ স্বার্থানুমানত নিজৰ জ্ঞান হয় আৰু এই জ্ঞানক প্রকাশ কৰাৰ কাৰণে বাক্যৰ পৰম্পৰা ব্যৱহাৰ নহয় কাৰণে ইয়াক জ্ঞানাত্মক বুলি কোৱা হয়।

২৫নং প্রশ্নৰ উত্তৰ ঃ প্রশাস্তপাদে পোন প্রথমবাৰৰ বাবে স্বার্থানুমান আৰু পৰার্থানুমান এই ভাগৰ কথা বুজাই দিয়ে যদিও স্বার্থানুমানৰ বিষয়ে তেওঁ তেওঁৰ ভাষ্যত স্পষ্টকৈ ব্যক্ত কৰা নাছিল। কিন্তু পৰার্থানুমানৰ বিষয়ে দিয়া তেওঁৰ অভিমতৰ ভিত্তিত স্বার্থানুমানৰ বিষয়ে কল্পনা কৰা হয়।

২৬নং প্রশ্নৰ উত্তৰ ঃ অনুমান প্রমাণ প্রত্যক্ষৰ ওপৰত আশ্রিত।

২৭নং প্রশ্নৰ উত্তৰ ঃ অনুমান প্রত্যক্ষৰ আশ্রিত হোৱা কাৰণে ইয়াক প্রত্যক্ষৰ উপজীৱক বুলি কোৱা হয়।

২৮নং প্রশ্নৰ উত্তৰ ঃ অনুমান প্রত্যক্ষ অবিহনে স্থিতি নাপায়, সেই কাৰণে প্রত্যক্ষ অনুমানৰ উপজীব্য হয়।

২৯নং প্রশ্নৰ উত্তৰ ঃ অনুমানৰ দ্বাৰা অতীন্দ্রিয় পদার্থৰ জ্ঞান হয়।

৩০নং প্রশ্নৰ উত্তৰ ঃ বৈশেষিক দর্শনত উপমানক অনুমানৰ অন্তর্ভূক্ত কৰিব পাৰি বুলি কোৱা হৈছে।



১৩.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অনুমান শব্দৰ অৰ্থ বিশ্লেষণ কৰক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অনুমান প্ৰমাণৰ প্ৰকাৰভেদ বিশ্লেষণ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰমাণ হিচাপে অনুমানৰ স্থিতি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অনুমান প্ৰমাণৰ লক্ষণ দি ইয়াৰ ভাগবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ তর্কসংগ্রহ (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ তর্কসংগ্রহ গ্রন্থৰ ৰচয়িতা
১৪.৪ তর্কসংগ্রহ শব্দৰ অর্থ
১৪.৫ তর্কসংগ্রহৰ বিষয়বস্তু
১৪.৬ তর্কসংগ্রহৰ বৈশিষ্ট্য
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিঁলো
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্রগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তর্কসংগ্রহ নামৰ গ্রন্থখনৰ ৰচয়িতা অন্নংভট্টৰ বিষয়ে জানিব পাৰিব
- তর্কসংগ্রহ শব্দৰ অর্থৰ বিষয়ে অৱগত হ'ব
- তর্কসংগ্রহ গ্রন্থৰ বিষয়বস্তু জানিব পাৰিব
- ভাৰতীয় দর্শনত তর্কসংগ্রহ গ্রন্থই কেনেকুৱা স্থান অধিকাৰ কৰি আছে সেই বিষয়েও অৱগত হ'ব।

১৪.২ পৰিচয়

আপুনি ইতিমধ্যে ভাৰতীয় দর্শনৰ লগত পৰিচিত হৈছে। সমগ্র পৃথিৱীৰ ভিতৰতেই ভাৰতীয় দর্শনে এটি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। ভাৰতীয় দর্শনৰ দুটা মূল শাখা হ'ল আস্তিক আৰু নাস্তিক। যি দর্শনে বেদৰ অস্তিত্ব স্বীকাৰ কৰে সেইটোৱেই আস্তিক দর্শন আৰু যি দর্শনে বেদৰ অস্তিত্ব মানি নলয় তাকে নাস্তিক দর্শন বোলে। আস্তিক দর্শনৰ ছটা শাখাৰ ভিতৰত দুটা গুৰুত্বপূর্ণ শাখা হ'ল ন্যায় আৰু বৈশেষিক। এই দুটা দর্শনৰ ভিতৰত কিছুমান পার্থক্য থাকিলেও কেইটামান মূল বিষয়ত এইবোৰৰ সাদৃশ্য মন কৰিবলগীয়া। এই দুই দর্শনৰ মূল বিষয়বোৰ একত্রিত কৰি এটি নতুন দার্শনিক ধাৰাৰ সৃষ্টি কৰিছে পৰৱর্তীকালৰ পণ্ডিতসকলে। এই ধাৰাটোক ন্যায়-বৈশেষিক বুলি আখ্যা দিয়া হৈছে। ন্যায়-বৈশেষিক দর্শনৰ এখন অতি মহত্বপূর্ণ গ্রন্থ হ'ল 'তর্কসংগ্রহ'। তর্কসংগ্রহ গ্রন্থখনত বহুতো জটিল বিষয় অতি সহজ-সৰল ভাষাত প্রকাশ

কৰা হৈছে আৰু সেইকাৰণেই এই গ্ৰন্থখন ন্যায়-বৈশেষিক দৰ্শনৰ শিক্ষাৰ্থীৰ বাবে সহজবোধ্য আৰু অতি প্ৰয়োজনীয় বুলি বিবেচনা কৰা হৈছে। এই গ্ৰন্থখন পঢ়িলে বিশ্ব-ব্ৰহ্মাণ্ড-মুক্তি আদিৰ বিষয়ে বহুতো কথা জানিব পাৰি। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি 'তর্কসংগ্রহ' গ্ৰন্থখনৰ ৰচয়িতাৰ বিষয়ে জানিব পাৰিব আৰু 'তর্কসংগ্রহ' শব্দটোৰ অর্থৰ বিষয়েও অৱগত হব। তদুপৰি 'তর্কসংগ্রহ' গ্ৰন্থখনৰ বিষয়বস্তুৰ বিষয়ে আৰু ভাৰতীয় দৰ্শনত এই গ্ৰন্থখনৰ কেনেকুৱা ভূমিকা সেই বিষয়েও আপুনি সবিশেষ জানিব পাৰিব।

১৪.৩ তর্কসংগ্রহ গ্রন্থৰ ৰচয়িতা

তর্কসংগ্রহ গ্ৰন্থৰ ৰচয়িতা হ'ল অন্নংভট্ট। তর্কসংগ্রহ গ্ৰন্থৰ শেষত গ্ৰন্থকাৰে নিজেই কৈছে—

কণাদন্যায়মতয়োর্বালব্যুৎপত্তি সিদ্ধয়ে।
অন্নংভট্টেন বিদুষা ৰচিতস্তর্কসংগ্রহঃ।

অর্থাৎ ল'ৰাহতৰ জ্ঞান লাভৰ বাবে কণাদৰ মত আৰু ন্যায়মত অনুসৰি বিদ্বান অন্নংভট্টই তর্কসংগ্রহ গ্ৰন্থখন ৰচনা কৰিছে। কিন্তু সম্পূৰ্ণ তর্কসংগ্রহ গ্ৰন্থত এই নাম-উচ্চাৰণৰ বাহিৰে অন্নংভট্টই নিজৰ বিষয়ে একো কথাই প্ৰকাশ কৰা নাই। গতিকে এইজন পণ্ডিতৰ ব্যক্তিগত জীৱনৰ বিষয়ে প্ৰমাণভিত্তিক একো সিদ্ধান্ত গ্ৰহণ কৰা নাযায়। তথাপিও বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে এইজন দার্শনিকৰ বিষয়ে বেলেগ বেলেগ অভিমত ব্যক্ত কৰিছে। এই অভিমতবোৰৰ সৰহভাগেই কিংবদন্তীৰ ওপৰত নির্ভৰশীল। কিন্তু **কিংবদন্তী** হলেও এইবোৰৰ ভিতৰত কিছুমান অভিমতক পৰবর্ত্তীকালৰ পণ্ডিতসকলে গ্ৰহণ কৰিছে। এই মতামত অনুসৰি অন্ধ্ৰদেশৰ তিৰুমলাচার্য্যৰ পুত্ৰ আছিল অন্নংভট্ট। খ্ৰীষ্টীয় ষোড়শ শতাব্দীৰ পৰা অষ্টাদশ শতাব্দীৰ প্ৰথম ভাগৰ ভিতৰত অন্নংভট্টৰ আৰির্ভাৱ হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে। তেওঁৰ পিতৃৰ নাম জনা গ'লেও তেওঁৰ মাতৃৰ নাম আজিলৈকে অজ্ঞাত হৈ আছে। তেওঁ কাশী নামৰ ঠাইত অধ্যয়ন কৰা বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। আকৌ এটা দলে কৈছে যে অন্নংভট্টই কৌণ্ডিন্যপুৰ নামৰ ঠাইত অধ্যয়ন কৰিছিল। কিন্তু কাশী নামৰ ঠাইখনক লৈ অন্নংভট্টক সামৰি এষাৰ বাক্য সংস্কৃত ভাষাত প্ৰচলিত। সেই বাক্যটো হ'ল— 'কাশীগমনমাত্ৰেন নান্নংভট্টায়তে দ্বিজঃ'। অর্থাৎ কাশী গলেই ব্ৰাহ্মণ এজন অন্নংভট্টৰ নিচিনা হৈ নাযায়। এই কথাষাৰে কাশীৰ লগত অন্নংভট্টৰ এটা যোগসূত্ৰ থকা সূচায়। পণ্ডিতসকলৰ মতে এইজন দার্শনিকে দর্শন-শাস্ত্ৰৰ বিভিন্ন শাখা তথা পাণিনীয় ব্যাকৰণত অশেষ জ্ঞান লাভ কৰিছিল আৰু বিভিন্ন বিষয়ত দখল থকা এইজন বিদ্বানে শিষ্যসকলক প্ৰচুৰ পৰিমাণে জ্ঞানদান কৰিছিল। ন্যায়দর্শন, বেদান্তদর্শন আৰু পাণিনিৰ ব্যাকৰণৰ ওপৰত অন্নংভট্টই গ্ৰন্থ ৰচনা কৰিছিল বুলি অভিমত পোষণ কৰা হয়। তেওঁৰ ৰচিত গ্ৰন্থসমূহ হ'ল ন্যায়পৰিশিষ্ট প্ৰকাশ, তত্ত্বচিন্তামন্যালোকসিদ্ধাঞ্জন, ব্ৰহ্মসূত্ৰবৃত্তি, মিতাক্ষৰা, ভাষ্যপ্ৰদীপোদ্যোতন, সুবোধিনী-সুধা-সাৰ, তত্ত্ববোধিনী, তর্কসংগ্রহঃ আৰু তর্কদীপিকা। যদিও বাকীগ্ৰন্থসমূহৰ বিষয়ে সবিশেষ জনা নাযায় কিন্তু অন্নংভট্টৰ 'তর্কসংগ্রহ' আৰু 'তর্কদীপিকা' ই তেওঁৰ অগাধ জ্ঞানৰ পৰিচয় দিয়ে। দর্শনৰ বিভিন্ন সূক্ষ্ম বিষয়ৰ ওপৰত দিয়া ধাৰণাই অন্নংভট্টৰ দার্শনিক ক্ষেত্ৰত থকা জ্ঞানৰ

কিংবদন্তী ঃ মানুহৰ মুখে মুখে চলি থকা গল্প, কাহিনী আদিক কিংবদন্তী বুলি কোৱা হয়।

গভীৰতাক প্ৰকাশ কৰে। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে সচাকৈয়ে এইজন দাৰ্শনিক প্ৰকৃত অৰ্থত বিদ্বান আছিল।



জানি থোৱা ভাল

- অন্নংভট্ট নামটোত 'অন্নং' শব্দটো সংস্কৃত শব্দ। এই নামটো 'অন্নভট্ট' এনেকৈও লিখিব পাৰি কিন্তু তর্কসংগ্রহ গ্রন্থত গ্রন্থকাৰে নিজেই 'অন্নংভট্ট' ৰূপটো ব্যৱহাৰ কৰা কাৰণে এই ৰূপটোৱে প্রচলিত হৈছে।
- অন্নংভট্টই ৰচনা কৰা তর্কদীপিকা নামৰ টীকাক 'বালগদাধৰী' বুলিও কোৱা হয়।
- তর্কসংগ্রহৰ ভাষা সহজ হ'লেও তর্ক দীপিকাৰ ভাষা তেনেকুৱা সহজ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ অন্নংভট্ট কোন আছিল?

.....

.....

প্রশ্ন ২ ঃ অন্নংভট্টৰ পিতৃৰ নাম কি আছিল?

.....

প্রশ্ন ৩ ঃ অন্নংভট্টৰ আবির্ভাৰ কাল কি?

.....

প্রশ্ন ৪ ঃ অন্নংভট্টৰ লগত জড়িত ঠাইডোখৰৰ নাম লিখক।

.....

প্রশ্ন ৫ ঃ কি কি বিষয়ত অন্নংভট্টৰ অধ্যয়ন আছিল?

.....

.....

প্রশ্ন ৬ ঃ অন্নংভট্টই লিখা গ্রন্থবোৰ কি কি?

.....

.....

.....

প্রশ্ন ৭ ঃ অন্নংভট্টই ৰচনা কৰা প্রধান গ্রন্থখনৰ নাম কি?

.....

১৪.৪ তর্কসংগ্রহ শব্দৰ অর্থ

'তর্কসংগ্রহ' এই শব্দটোৱে গভীৰ অর্থ বহন কৰে। প্রকৃততে এই শব্দটোৰ আচল অর্থ জানিলে গ্রন্থখনত থকা বিষয়বস্তুৰ বিষয়ে এটি ধাৰণা সহজেই কৰিব পাৰি। তর্কসংগ্রহ শব্দটোত 'তর্ক' আৰু'সংগ্রহ' এই দুটা অংশ আছে। 'তর্ক' শব্দটোৱে সাধাৰণ অর্থত 'বাদানুবাদ'বা 'উদ্ধতভাৱে কোৱা কথা' বুজালেও বর্তমান প্রসঙ্গত 'তর্ক' শব্দটোৰ দ্বাৰা যুক্তি বা বিচাৰ বুজায় যিটোৰ দ্বাৰা সত্যত উপনীত হ'ব পাৰি। গৌতমৰ ন্যায়সূত্রত কোৱা হৈছে— 'অবিজ্ঞাততত্ত্বেৎর্থে কাৰণোপপত্তি তস্তত্ত্বজ্ঞানার্থসমূহস্তর্ক ঃ'। অর্থাৎ নজনা বিষয়ত কাৰণ আদিৰ সহায়ত সত্যজ্ঞান লাভৰ বাবে দেখুওৱা যুক্তি বা বিচাৰেই হ'ল **তর্ক**। বাৎস্যায়নে এই কথাৰেই প্রতিধ্বনি কৰি কৈছে যে যেতিয়া দুটা পৰস্পৰ বিৰোধী মতবাদৰ ভিতৰত প্রতিযোগিতা হয় আৰু দুটাকেই সত্য যেন লাগে, মনটোও দুটাৰ ভিতৰত ওলমি থাকে তেতিয়া 'তর্ক'ৰ সহায়তেই এটা পক্ষত সিদ্ধান্ত লব পাৰি। বাৎস্যায়নে স্পষ্টকৈ কৈছে যে 'তর্ক' প্রমাণ নহয় কিন্তু প্রমাণৰ সহায়কহে। বৈশেষিক দর্শনত 'তর্ক' শব্দটোৱে পদার্থক বুজায়। **তর্কভাষা**ৰ ওপৰত লিখা টোকাত তর্ক সম্বন্ধে কোৱা হৈছে যে "তর্ক্যন্তে তর্কসহকৃতপ্রমাণজন্যপ্রমিতিবিষয়ীক্রিয়ন্তে ইতি তর্কাঃ পদার্থাঃ..।" অর্থাৎ তর্ক সংযুক্ত প্রমাণৰ সহায়ত জ্ঞানৰ বিষয় হোৱা পদার্থবোৰেই হ'ল 'তর্ক'। তর্কসংগ্রহ দীপিকা গ্রন্থতো এই ব্যাখ্যা আগবঢ়োৱা হৈছে। অন্নংভট্টই ইয়াত কৈছে— 'তর্ক্যন্তে প্রতিপাদ্যন্তে ইতি তর্কা দ্রব্যাদিসপ্তপদার্থাঃ' অর্থাৎ দ্রব্য, গুণ, কর্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৱ এই সাতটা পদার্থকেই 'তর্ক' বুলি কোৱা হয়। 'তর্কসংগ্রহ' এই নামটোত থকা 'সংগ্রহ' পদটোৰ সাধাৰণ অর্থ হ'ল 'একত্রীকৰণ' বা 'সঙ্কলন'। কিন্তু 'তর্কসংগ্রহ' গ্রন্থত সংগ্রহ শব্দটো সংক্ষিপ্তভাৱে কোৱা অর্থত ব্যৱহাৰ কৰা হৈছে। অন্নংভট্টই তর্কসংগ্রহদীপিকাত কৈছে— 'তেষাং সংগ্রহঃ সংক্ষেপেণ স্বৰূপকথনং ক্রিয়তে ইত্যর্থঃ'। অর্থাৎ দ্রব্য আদি সাতটা পদার্থৰ বিষয়ে সংক্ষিপ্তৰূপত স্বৰূপবোৰ আলোচনা কৰাটোৱে 'সংগ্রহ' পদৰ অর্থ। গতিকে দেখা গ'ল যে তর্কসংগ্রহ গ্রন্থত এই 'সংগ্রহ' শব্দটোৱে সপ্তপদার্থৰ বিষয়ে সংক্ষিপ্তভাৱে কৰা আলোচনাক বুজাইছে। প্রকৃততে অন্নংভট্টই তর্কসংগ্রহ গ্রন্থত ন্যায় বৈশেষিক দর্শনে স্বীকাৰ কৰা সাতটা পদার্থৰ বিষয়ে সবিশেষ আলোচনা কৰিছে আৰু গ্রন্থৰ সমাপ্তিতো গ্রন্থকাৰে সাতটা পদার্থৰ অস্তিত্বকেই স্বীকৃতি দিছে। তেওঁ কৈছে— 'সর্বেষামপি পদার্থানাং যথাযথমুক্তেষ্বন্তর্ভাবাৎ সপ্তৈব পদার্থা ইতি **সিদ্ধম্**'। অর্থাৎ সকলো পদার্থ উক্ত সাতটা পদার্থৰ ভিতৰতে যিহেতু অন্তর্ভুক্ত হয় গতিকে সাতটা পদার্থকেই স্বীকাৰ কৰিব লাগে। এইদৰে আলোচনা কৰিলে দেখা যায় যে অন্নংভট্টই গ্রহণ কৰা 'তর্ক সংগ্রহ' নামটো সঁচাকৈয়ে সার্থক হৈছে।

তর্ক ঃ অন্নংভট্টই তর্ক শব্দটোৰ দ্বাৰা অযথার্থ জ্ঞানৰ এটা ভাগক বুজাইছে। তেওঁ কৈছে যে অযথার্থ জ্ঞান বা অযথার্থ অনুভৱ সংশয় বিপর্যয় আৰু তর্ক ভেদে তিনি প্রকাৰৰ হয়।
অযথার্থানুভবস্ত্রিবিধঃ সংশয় বিপর্যয়-তর্কভেদাৎ। তর্কৰ লক্ষণ সম্বন্ধে অন্নংভট্টই কৈছে 'ব্যাপ্যাৰোপেণ ব্যাপকাৰোপঃ তর্কঃ।' অর্থাৎ য'ত ব্যাপক পদার্থ নাথাকে তাত ব্যাপ্যৰ আৰোপ যুক্ত ব্যাপক পদার্থৰ আৰোপেই হ'ল তর্ক।

তর্কভাষা ঃ কেশৱমিশ্রই ন্যায় দর্শনৰ ভিত্তিত লিখা এখন গ্রন্থ। ন্যায় দর্শনৰ বহুতো জটিল বিষয় এই গ্রন্থত সহজভাৱে আলোচিত হৈছে।

সিদ্ধম্ ঃ কোনো এটা অভিমত ঠিৰাংকৈ বুজোৱাৰ বাবে সিদ্ধ বা সিদ্ধম্ পদ ব্যৱহাৰ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ তর্ক শব্দটোৰ সাধাৰণ অর্থ কি?

.....

প্রশ্ন ৯ ঃ গৌতমে তর্কৰ বিষয়ে কি কৈছে?

.....

.....

.....

প্রশ্ন ১০ ঃ তর্কভাষা প্রসঙ্গত তর্কৰ বিষয়ে কি কোৱা হৈছে?

.....

.....

.....

প্রশ্ন ১১ ঃ অন্নংভট্টৰ মতে তর্ক শব্দটোৰ দ্বাৰা কি বুজায়?

.....

প্রশ্ন ১২ ঃ সংগ্রহ পদটোৰ অর্থ কি?

.....

.....

প্রশ্ন ১৩ ঃ তর্কসংগ্রহত আলোচনা কৰা প্রধান বিষয়টো কি?

.....

১৪.৫ তর্কসংগ্রহৰ বিষয়বস্তু

তর্কসংগ্রহ গ্রন্থখন ন্যায়বৈশেষিক দর্শনৰ গ্রন্থ। আমি ইতিমধ্যে পাই আহিছো যে পদার্থৰ বিষয়ে সবিশেষ আলোচনা কৰাটোৱেই হ'ল ন্যায়বৈশেষিক দর্শনৰ মূল কথা। সেই অনুসৰি 'তর্কসংগ্রহ' গ্রন্থখনতো পদার্থৰ বিষয়ে বিশদ আলোচনা লিপিবদ্ধ কৰিছে গ্রন্থকাৰ অন্নংভট্টই। এই গ্রন্থখনত সন্নিবিষ্ট কৰা হৈছে পদার্থ সম্পর্কীয় বিভিন্ন বিষয়ক কথা। গতিকে বিষয়বস্তুৰ ফালৰপৰাএই গ্রন্থখন অতি উন্নত মানৰ।তদুপৰি এই গ্রন্থৰ সহজ-সৰল ৰচনাৰীতিয়ে ন্যায়বৈশেষিক দর্শনৰ প্রাথমিক শিক্ষার্থীৰ বাবে গ্রন্থখনক সহজবোধ্য কৰি তুলিছে। গ্রন্থৰ আৰম্ভণিতে অন্নংভট্টই পৰমেশ্বৰক স্মৰণ কৰি, গুৰুৰ প্রতি সন্মান জনাই প্রাথমিক শিক্ষার্থীসকলৰ বাবে তর্কসংগ্রহ ৰচনা কৰা বুলি ব্যক্ত কৰিছে। তেওঁ কৈছে—

নিধায় হৃদি বিশ্বেশং বিধায় গুৰুবন্দনম্।
বালানাং সুখবোধায় ক্রিয়তে তর্কসংগ্রহঃ।।

এই শ্লোকৰ অর্থ হ'ল হৃদয়ত ভগবানক স্থাপনা কৰি, গুৰুসকলৰ বন্দনা কৰি সৰু ল'ৰাসকলে সহজে বুজি পোৱাকৈ তর্কসংগ্রহ (গ্রন্থখন ৰচনা) কৰা হ'ল। এই শ্লোকৰ মাজেদি অন্নংভট্টই বিষয়-সম্বন্ধ-প্রয়োজন-অধিকাৰী এই চাৰিটা অনুবন্ধৰ বিষয়ে আলোকপাত কৰিছে। ন্যায় বৈশেষিক দর্শনত স্বীকাৰ কৰি লোৱা সাতটা পদার্থৰ বিষয়ে আলোচনা কৰাই হ'ল তর্কসংগ্রহৰ বিষয়। এই বিষয়টো 'তর্কসংগ্রহ' গ্রন্থৰ প্রতিপাদ্য হোৱা বাবে বিষয় আৰু গ্রন্থৰ মাজত প্রতিপাদ্য-প্রতিপাদক সম্বন্ধ আছে। অর্থাৎ তর্কসংগ্রহ গ্রন্থত সাতটা পদার্থৰ আলোচনা প্রতিপাদ্য আৰু এই

গ্ৰন্থখন সাতটা পদাৰ্থৰ প্ৰতিপাদক। সহজভাৱে বুজিপোৱাটোৱেই হ'ল উক্ত গ্ৰন্থৰ প্ৰয়োজন। ইয়াত থকা 'সুখবোধায়' পদটোৱে প্ৰয়োজন বুজাইছে। ন্যায়-বৈশেষিক দৰ্শনৰ প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ্থীয়ে হ'ল এই গ্ৰন্থৰ অধিকাৰী। শ্লোকত থকা 'বালানাম্' পদটোৱে অধিকাৰীৰ কথা ব্যক্ত কৰিছে। এনেদৰে মঙ্গলাচৰণৰ মাজেদি অনুবন্ধচতুষ্টয়ৰ কথা কৈ অন্নংভট্টই পোনপটীয়াকৈ বিষয়বস্তু বৰ্ণনাত সোমাই পৰিছে। প্ৰথমতেই তেওঁ ন্যায়-বৈশেষিক দৰ্শনে স্বীকাৰ কৰি লোৱা সাতটা পদাৰ্থৰ নাম উল্লেখ কৰিছে। পদাৰ্থৰ লক্ষণ তর্কসংগ্রহৰ মূলত নিদিলেও দীপিকাত এই বিষয়ে স্পষ্টকৈ কোৱা হৈছে 'পদস্য অর্থঃ পদার্থ ইতি ব্যুৎপত্ত্যা অভিধেয়ত্বং পদার্থসামান্যলক্ষণমিতি লভ্যতে।' অর্থাৎ এটা বিশেষ পদৰ দ্বাৰা যি বিশেষ বস্তুক বুজা যায় সেইটোৱে পদার্থ। তাৰ পিছত গ্ৰন্থকাৰে নটা (৯) দ্রব্যৰ বিষয়ে উল্লেখ কৰিছে। পৃথিৱী, আপঃ, তেজঃ, বায়ু, আকাশ, কাল, দিক্, আত্মা আৰু মন এয়াই হ'ল নবদ্রব্য। নবদ্রব্যৰ কথা উল্লেখ কৰি অন্নংভট্টই যথাক্রমে গুণ, কর্ম, সামান্য, বিশেষ, সমবায় আৰু অভাবৰ বিষয়ে আলোচনা আগবঢ়াইছে। তাৰ পিছত আমি তর্কসংগ্রহত পৃথিৱীকে আদি কৰি নটা দ্রব্য, ৰূপ আদি চৌবিশটা **গুণৰ** বিষয়ে বিশদ আলোচনা পাওঁ।এই চৌবিশটা গুণৰ ভিতৰত অন্তর্ভুক্ত হৈছে 'বুদ্ধি', যাক 'জ্ঞান' বুলি কব পাৰি। বুদ্ধিৰ প্রসঙ্গত তর্কসংগ্রহত কোৱা হৈছে সর্ব্যব্যৱহাৰহেতুর্গুণো বুদ্ধির্জ্ঞানম্। অর্থাৎ সকলো প্রকাৰৰ ব্যৱহাৰৰ হেতু যি জ্ঞান সেইটোৱেই হ'ল বুদ্ধি নামৰ গুণ। এই বুদ্ধি দুবিধ স্মৃতি আৰু অনুভৱ। অনুভৱৰ বিষয়ে তর্কসংগ্রহত বিস্তৃত আলোচনা পোৱা যায়। যথার্থ অনুভৱৰেই আন নাম হ'ল 'প্রমা' আৰু এই 'প্রমা' চাৰিপ্রকাৰৰ হয় বুলি তর্কসংগ্রহত কোৱা হৈছে। অন্নংভট্টই কৈছে— 'যথার্থানুভবশ্চতুর্বিধঃ প্রত্যক্ষানুমিতি-উপমিতি শাব্দভেদাৎ'। অর্থাৎ- যথার্থ জ্ঞান চাৰিবিধ প্রত্যক্ষ, অনুমিতি, উপমিতি আৰু শাব্দ। এইখিনিতেই তর্কসংগ্রহত কৰণ, কাৰণ আৰু প্রত্যক্ষ আদি চাৰি ধৰণৰ জ্ঞানৰ বিষয়ে বিশদ আলোচনা কৰি অন্নংভট্টই বাক্যার্থজ্ঞানৰ কাৰণবোৰৰ বিষয়ে কৈছে। তেওঁৰ মতে 'আকাঙ্ক্ষা-যোগ্যতা-সন্নিধিশ্চ **বাক্যার্থজ্ঞানেহেতুঃ**'। বৈদিক আৰু লৌকিক এয়া হ'ল বাক্যৰ দুটা ভেদ। বৈদিক বাক্যক ঈশ্বৰৰ পৰা অহা বুলি মানি সম্পূর্ণ প্রমাণ ৰূপে স্বীকৃতি দিয়া হৈছে। ইয়াৰ পিছত তর্কসংগ্রহত কর্ম-সামান্য-বিশেষ আৰু অভাৱৰ বিভাগসমূহ তথা সমবায়ৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা হৈছে আৰু শেষত অন্নংভট্টই স্পষ্টকৈ কৈছে যে প্রমাণ - প্রমেয় - সংশয় - প্রয়োজন - দৃষ্টান্ত - সিদ্ধান্ত - অবয়ব - তর্ক - নির্ণয় - বাদ - জল্প - বিতণ্ডা - হেত্বাভাস - ছল - জাতি - নিগ্রহস্থান - ন্যায়শাস্ত্রত কথিত এই ষোল্লটা পদার্থৰ আটাইকেইটাই সপ্তপদার্থৰ ভিতৰত অন্তর্ভুক্ত হ'ব পাৰে কাৰণে সাতটা পদার্থকেই স্বীকৃতি দিয়া হয়। 'সর্বেষাং পদার্থানাং যথাযথম্ উক্তেষু অন্তর্ভাবাৎ সপ্তেব পদার্থা ইতি সিদ্ধম্'।



গুণ ঃ 'গুণ' শব্দটো বিভিন্ন শাস্ত্রত বিভিন্ন অর্থত ব্যৱহাৰ হৈছে। সাংখ্য দর্শনত গুণ পদটোৱে সত্ত্ব, ৰজঃ আৰু তমঃ এই তিনিটা গুণক বুজাইছে। ব্যাকৰণ শাস্ত্রত গুণপদেৰে বর্ণৰ এক বিশেষ ধৰণৰ বিকাৰক বুজায়। অলঙ্কাৰ শাস্ত্রত গুণ শব্দেৰে কাব্যগুণক বুজায়।

বাক্যার্থজ্ঞানেহেতু ঃ বাক্য এটাৰ পৰা যি অর্থ পোৱা যায় সেইটোৱে হ'ল বাক্যার্থ। বাক্যার্থ জনাৰ ক্ষেত্রত কিছুমান বস্তু হেতু বা কাৰণ হিচাপে থাকে। যেনে আকাঙ্ক্ষা, যোগ্যতা আৰু সন্নিধি। এইবোৰক বাক্যার্থজ্ঞানৰ হেতু বুলি কোৱা হয়। এটা পদ শুনাৰ পিছত আন এটা পদ শুনাৰ ইচ্ছাই হ'ল আকাংক্ষা। এটা পদৰ বিশেষ অর্থ বুজাব পৰা ক্ষমতাই হ'ল যোগ্যতা। দুটা বা ততোধিক প্রয়োজনীয় পদৰ মাজত যদি বিৰাম নাথাকে তেতিয়া হলে তাক সুন্নিধি বুলি কোৱা হয়।



জানি থোৱা ভাল

● **অনুবন্ধচতুষ্টয় ঃ** অনুবন্ধ পদটো এটা পাৰিভাষিক শব্দ। যিবোৰৰ জ্ঞান হলে শাস্ত্র বা গ্রন্থ অধ্যয়নত শিক্ষাৰ্থীৰ সহজে প্রবৃত্তি হয় বা ইচ্ছা

জন্মে সেইবোৰকেই অনুবন্ধ বুলি কোৱা হয়। 'অনু' শব্দৰ অর্থ 'পশ্চাৎ' বা পিছত। 'অনু পশ্চাৎ স্বজ্ঞানোত্তৰং বধ্নাতি আসঞ্জয়ন্তি প্রবর্ত্তয়ন্তি ইতি অনুবন্ধাঃ'। অনুবন্ধৰ জ্ঞান নহ'লে শাস্ত্র জ্ঞানত সম্পূর্ণতা আহিব নোৱাৰে। অনুবন্ধ চাৰিটা— বিষয়, প্রয়োজন, সম্বন্ধ আৰু অধিকাৰী। 'বিষয়' পদেৰে শাস্ত্রৰ বা গ্রন্থৰ প্রতিপাদ্য বিষয়বস্তুক বুজোৱা হয়। 'প্রয়োজন'ৰ অর্থ হ'ল শাস্ত্র বা গ্রন্থ ৰচনাৰ উদ্দেশ্য। 'সম্বন্ধ' পদেৰে গ্রন্থ আৰু বিষয়ৰ মাজত থকা সম্পর্কক বুজায়। 'অধিকাৰী' পদেৰে শাস্ত্র বা গ্রন্থ অধ্যয়নত কাৰ অধিকাৰ আছে তাকেই বুজায়। প্রতিখন গ্রন্থৰ আৰম্ভণিতেই এই চাৰিটা অনুবন্ধৰ কথা স্পষ্টকৈ উল্লেখ কৰাটো গ্রন্থকাৰৰ বিশেষ কর্ত্তব্য।

- গ্রন্থকাৰ অন্নংভট্টই তর্কসংগ্রহ গ্রন্থত বহুতো কথা অতি সংক্ষেপে প্রকাশ কৰিছে। তদুপৰি কিছুমান গুৰুত্বপূর্ণ বিষয় তেওঁ মূল গ্রন্থত সন্নিবিষ্ট কৰা নাই। কিন্তু ইয়াৰ অভাৱ পূৰণ কৰিছে তেওঁ দীপিকাৰ মাধ্যমত। দীপিকাত বহুতো প্রয়োজনীয় কথা বহলাই ব্যক্ত কৰি অন্নংভট্টই এই টীকাগ্রন্থৰ মূল্য বিদ্বৎসমাজত বঢ়াই তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৪ ঃ তর্কসংগ্রহৰ মঙ্গলাচৰণটো মুখস্থ লিখক।

.....

.....

প্রশ্ন ১৫ ঃ তর্কসংগ্রহৰ মঙ্গলাচৰণৰ অর্থ লিখক।

.....

.....

প্রশ্ন ১৬ ঃ বুদ্ধিৰ ভাগ দুটা কি কি?

.....

প্রশ্ন ১৭ ঃ যথার্থ অনুভব কেইবিধ আৰু কি কি?

.....

প্রশ্ন ১৮ ঃ অনুবন্ধ চাৰিটা কি কি?

.....

প্রশ্ন ১৯ ঃ বাক্যার্থজ্ঞানৰ হেতু কি কি?

.....

প্রশ্ন ২০ ঃ ন্যায়শাস্ত্রই স্বীকাৰ কৰা ষোল্লটা পদার্থ কি কি?

.....

.....

.....

১৪.৬ তর্কসংগ্রহৰ বৈশিষ্ট্য

ভাৰতীয় দর্শনত অন্নংভট্টৰ তর্কসংগ্রহ এখন অতি গুৰুত্বপূর্ণ গ্রন্থ। ন্যায়-বৈশেষিক দর্শনৰ মূল কথাবোৰ অতি সহজ-সৰলভাৰে প্ৰকাশ কৰি সেইবোৰ প্ৰাথমিক বিদ্যার্থীৰ বাবে সহজবোধ্য কৰি তোলাৰ প্ৰচেষ্টাত এই গ্রন্থখন সম্পূর্ণ সফল হৈছে বুলি ক'ব পৰা যায়। এই গ্রন্থত বৈশেষিক দর্শনে স্বীকাৰ কৰা সাতটা পদার্থক স্বীকাৰ কৰা হৈছে। অন্নংভট্টৰ মতে আন সকলো পদার্থক এই সাতটা পদার্থৰ ভিতৰতেই অন্তর্ভুক্ত কৰিব পাৰি। গতিকে ন্যায় দর্শনৰ ষোল্লটা পদার্থৰ ধাৰণা তর্কসংগ্রহত গৃহীত হোৱা নাই। আকৌ ন্যায়দর্শনত চাৰিটা প্রমাণ স্বীকৃত হ'লেও বৈশেষিক দর্শনত মাত্র দুটা প্রমাণকহে স্বীকৃতি দিয়া হৈছে। এই ক্ষেত্রত দার্শনিক অন্নংভট্টই ন্যায়মতক স্বীকাৰ কৰি প্রত্যক্ষ-অনুমান-উপমান-শব্দ এই চাৰিবিধ প্রমাণক গ্রহণ কৰিছে। এনেদৰে ন্যায়-বৈশেষিকৰ অপূর্ব মেলবন্ধনেই তর্ক সংগ্রহৰ মূল বৈশিষ্ট্য আৰু এই বৈশিষ্ট্যৰ কাৰণেই এইখন গ্রন্থ ভাৰতীয় দর্শনৰ ক্ষেত্রত এটি সুকীয়া স্থান অধিকাৰ কৰিবলৈ সমর্থ হৈছে। তর্ক সংগ্রহত দ্রব্যৰ বিভাগৰ কথা কবলৈ গৈ অন্নংভট্টই স্পষ্টকৈ 'নব (ন)এব' শব্দ দুটা ব্যৱহাৰ কৰি মীমাংসক সকলে স্বীকাৰ কৰা অন্ধকাৰ নামৰ দশম দ্রব্যৰ অস্তিত্ব অস্বীকাৰ কৰিছে। 'নীলং তমঃ চলতি' অর্থাৎ 'নীলা অন্ধকাৰ চলমান' এই যুক্তিৰ ভিত্তিত 'নীলা' এই ৰূপযুক্ত আৰু 'চলমান' এই ক্রিয়াযুক্ত অন্ধকাৰক দশম দ্রব্য বুলি মীমাংসকসকলে মানি লৈছে। তেওঁলোকৰ মতে অন্ধকাৰ সকলোৰে বাবে **প্রত্যক্ষসিদ্ধ**। কিন্তু অন্নংভট্টই তেওঁৰ তর্কসংগ্রহত এই যুক্তি খণ্ডন কৰি কৈছে যে প্রত্যক্ষ প্রমাণৰ দ্বাৰা কেতিয়াও অন্ধকাৰ সিদ্ধ নহয়। সেই কাৰণে 'নীলং তমঃ চলতি' এই জ্ঞান এটা ভ্রম বা ভুল আৰু 'তেজস্' নামৰ দ্রব্যৰ অভাবেই হ'ল অন্ধকাৰ। এইখিনি কথা অন্নংভট্টই খুব সহজভাৰে অথচ দৃঢ়তাৰে সৈতে প্রতিপন্ন কৰিছে। তর্কসংগ্রহত অন্নংভট্টই পৃথিৰী, আপঃ, তেজস্ আৰু বায়ু এই চাৰিটা দ্রব্যৰ উৎপত্তি আৰু ধ্বংসৰ বিষয়ে কৈছে। এইখিনিতে তেওঁ এই চাৰিটা **পৰমাণুৰ** নিত্যত্ব সম্বন্ধে কৈছে। ন্যায়-বৈশেষিকমতে জ্ঞানৰ দ্বাৰা আত্মা প্রকাশিত হয়। তর্কসংগ্রহত অন্নংভট্টই জ্ঞানৰ অধিকৰণক অর্থাৎ জ্ঞান য'ত থাকে তাকেই আত্মা বুলি কৈছে আৰু পৰমাত্মাকেই ঈশ্বৰ বুলি কোৱা হৈছে। এই ঈশ্বৰ এক আৰু সর্বজ্ঞ। জীবাত্মাৰ বিষয়ে তর্কসংগ্রহত কোৱা হৈছে যে জীবাত্মা নিত্য আৰু বিভু হ'লেও প্রতিশৰীৰত বেলেগ বেলেগভাৰে থাকে। মনৰ বিষয়ে আলোচনা কৰিবলৈ গৈ অন্নংভট্টই মনৰ অসংখ্যত্ব স্বীকাৰ কৰিছে অর্থাৎ মন প্রতিটো আত্মাৰ **ভোগসাধক** ৰূপে থাকে কাৰণে অসংখ্য হয়। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে অন্নংভট্টই তর্কসংগ্রহত কিছুমান বিষয়ৰ আলোচনা সংক্ষিপ্তভাৰে আগবঢ়াইছে। তাৰ ভিতৰত এটা হ'ল **নির্বিকল্প প্রত্যক্ষ**। এই বিষয়টোৰ ওপৰত অন্নংভট্টই বিস্তৃত আলোচনা কৰা নাই যদিও বেলেগ বেলেগ দার্শনিকে 'নির্বিকল্প প্রত্যক্ষ'ৰ বিষয়ে বহুত কথা কৈছে। একেদৰে তর্কসংগ্রহ গ্রন্থত অন্নংভট্টই পদৰ লক্ষণৰ বাহিৰে বিশেষ একো কোৱা নাই। যদিও তর্ক সংগ্রহত প্রত্যক্ষভাৰে মোক্ষ বা মুক্তিৰ বিষয়ে কোৱা হোৱা নাই কিন্তু তর্কদীপিকাত স্পষ্টকৈ এই বিষয়ে পোৱা যায়— 'পদার্থজ্ঞানস্য পৰমপ্রয়োজনং মোক্ষঃ'। অর্থাৎ অন্নংভট্টৰ মতেৰে সপ্তপদার্থৰ জ্ঞানেৰেই মুক্তি



প্রত্যক্ষসিদ্ধ ঃ প্রত্যক্ষ প্রমাণৰ দ্বাৰা যিবোৰ বস্তুৰ জ্ঞান হয় সেইবোৰক প্রত্যক্ষসিদ্ধ বুলি কোৱা হয়।

পৰমাণু ঃ পদার্থৰ ক্ষুদ্রতম অংশক পৰমাণু বোলে।
পৰমাণু প্রসঙ্গত কোৱা হয়—
সালমধ্যগতে ভানৌ মৎসূক্ষ্মং দৃশ্যতে ৰজঃ।
তস্য ষষ্ঠতমো ভাগঃ পৰমাণুঃ প্রকীর্তিতঃ।।
অর্থাৎ খিৰিকীৰ ভিতৰেদি অহা সূর্য্যৰ পোহৰত যি ধূলিকণা দেখা যায় সেই ধূলিকণাৰ ষষ্ঠ (৬) ভাগক পৰমাণু বোলে। দুটা পৰমাণু সংযুক্ত হৈ দ্ব্যণুক বা অণুৰ সৃষ্টি কৰে। এনেদৰে তিনিটা পৰমাণু লগলাগি ত্রমৰেণু বা ত্র্যণুক সৃষ্টি কৰে।

ভোগসাধক ঃ যিটো ভোগ কৰে সেইটোক ভোগসাধক বুলি কোৱা হয় আৰু যিটোৰ দ্বাৰা ভোগ কৰা হয় সেইটোক ভোগৰ মাধ্যম বুলি কোৱা হয়।

নির্বিকল্প প্রত্যক্ষ ঃ যি প্রত্যক্ষই বিশেষণ নথকা বস্তুৰ কেৱল স্বৰূপক বিষয় হিচাপে লৈ জ্ঞান দিয়ে সেইটোৱে নির্বিকল্প প্রত্যক্ষ।

লাভ হয়। ভাৰতীয় দার্শনিকসকলে মোক্ষৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। সেই ফালৰ পৰা বিচাৰ কৰিলে দেখা যায় যে তর্ক সংগ্রহতো দীপিকাৰ মাধ্যমেৰে অন্নংভট্টই মোক্ষৰ কথা কৈ দার্শনিক চিন্তা সম্পূর্ণ কৰি প্রকাশ কৰিব পাৰিছে।



জানি থোৱা ভাল

- বিভু শব্দৰ সাধাৰণ অর্থ হ'ল বিস্তৃত। কিন্তু দর্শনত এই শব্দটোৰ অর্থ গ্রহণ কৰা হৈছে পৰমমহৎ পৰিমাণ বিশিষ্ট। অত্যন্ত বিশাল পৰিমাণ থকা দ্রব্যই হ'ল বিভু। উদাহৰণ হিচাপে আকাশৰ কথা কব পাৰি।
- তর্ক সংগ্রহত অন্নংভট্টই পৃথিৰী, আপঃ, তেজঃ আৰু বায়ু এই চাৰিটা দ্রব্যৰ নিত্য আৰু অনিত্য দুটা ৰূপৰ বিষয়হৈ আলোচনা কৰিছে। নিত্য শব্দৰ অর্থ হ'ল যাৰ ধ্বংস নহয়। দর্শনৰ ভাষাত ক'ব পাৰি যি বস্তু ধ্বংসৰ অপ্রতিযোগী (ধ্বংস নহয়) সেইটোৱে নিত্য। আনহাতে অনিত্যপদৰ অর্থ হ'ল যিটোৰ ধ্বংস হয়। পৰমাণুৰ দ্বাৰা উৎপন্ন পৃথিৰী, আপঃ, তেজঃ আৰু বায়ু অনিত্য। কিন্তু পৰমাণুৰূপ পৃথিৰী, আপঃ, তেজঃ, বায়ু নিত্য। দুটা পৰমাণুৰ সহযোগত উৎপন্ন হোৱা দ্ব্যণুক বা অণুৰূপী পৃথিৰী, আপঃ, তেজঃ আৰু বায়ু অনিত্য। এনেদৰে দ্ব্যণুকৰ পৰা আৰম্ভ কৰি সকলো পার্থিৰ (পৃথিৰীৰূপী), জলীয় (পানীৰূপী), তৈজস (তেজোৰূপী) আৰু বায়বীয় (বায়ুৰূপী) দ্রব্য অনিত্য।
- পদত শক্তি থাকে যিটোৱে পদৰ অর্থ বুজায়। এই শক্তিৰ ওপৰত ভিত্তি কৰি পদক চাৰিটা ভাগত ভগোৱা হৈছে। সেইবোৰ হ'ল যৌগিক, ৰূঢ়, যোগৰূঢ় আৰু যৌগিক-ৰূঢ়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২১ ঃ তর্কসংগ্রহত কি যুক্তিত সাতটা পদার্থ স্বীকাৰ কৰা হৈছে?

.....

.....

প্রশ্ন ২২ ঃ অন্নংভট্টই স্বীকাৰ কৰা প্রমাণবোৰ কি কি?

.....

প্রশ্ন ২৩ ঃ দ্রব্যৰ ক্ষেত্রত অন্নংভট্টই ব্যৱহাৰ কৰা নব (ন) পদটোৰ তাৎপর্য্য কি?

.....

প্রশ্ন ২৪ ঃ দশম দ্রব্যক কোনে স্বীকাৰ কৰে?

.....

প্রশ্ন ২৫ ঃ কিয় দশম দ্রব্যক স্বীকাৰ কৰা হয়?

.....

.....

.....

প্রশ্ন ২৬ ঃ কি ৰূপত পৃথিৱী নিত্য?

.....

প্রশ্ন ২৭ ঃ পৰমাণু কি?

.....

প্রশ্ন ২৮ ঃ অন্নংভট্টৰ মতে মুক্তি কি?

.....

.....



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'তর্কসংগ্রহ' গ্রন্থৰ বিষয়ে কিছু ধাৰণা লাভ কৰিলোঁ।
- ন্যায় বৈশেষিক দর্শনৰ বহুতো কঠিন বিষয়ক অতি সহজভাৱে এই গ্রন্থত যে ব্যাখ্যা কৰা হৈছে সেই বিষয়েও জানিলোঁ।
- তর্কসংগ্রহ গ্রন্থৰ ৰচয়িতা অন্নংভট্টৰ ব্যক্তিগত জীৱন তথা ৰচনাৰাজিৰ বিষয়ে অৱগত হ'লোঁ। যদিও তর্ক সংগ্রহৰ কোনো ঠাইতেই অন্নংভট্টই নিজৰ নামৰ বাহিৰে একো ব্যক্তিগত কথা উল্লেখ কৰা নাই তথাপিও মানুহৰ মুখে মুখে প্রচলিত হৈ থকা কিছুমান কাহিনীৰ ভিত্তিত অন্নংভট্টৰ বিষয়ে কিছু ধাৰণা কৰা হয়। এই ধাৰণাবোৰৰ বিষয়েও আমি এই অধ্যায়টিৰ পৰা জানিলোঁ।
- 'তর্কসংগ্রহ' এই শব্দটোৰ প্রকৃত অর্থ কি? - তর্ক পদটোৱে দর্শনত কি বুজায় ইত্যাদি বিষয়বোৰ আমি জানিব পাৰিলোঁ।
- তর্ক সংগ্রহৰ বিষয়বস্তুৰ লগতো পৰিচিত হ'লোঁ। তর্কসংগ্রহ গ্রন্থৰ কিছুমান বৈশিষ্ট্যৰ বিষয়েও ধাৰণা হ'ল। ইয়াৰ উপৰিও তর্কসংগ্রহ গ্রন্থখনৰ ৰচনাৰীতিৰ বিষয়েও জানিব পাৰিলোঁ।



১৪.৮ অধিক জানিবলৈ

১) *আয়াৰ*, এছ. আৰ.; *তর্কভাষা*; বাৰাণসী ঃ চৌখম্বা পাব্লিশ্যার্ছ।

২) *গোস্বামী*, শ্রীনাৰায়ণ চন্দ্র; *তর্ক সংগ্রহ*; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৩) *ভট্টাচার্য্য*, ড° জ্যোৎস্না; *দর্শনৰ পৰিচয়*; গুৱাহাটী ঃ জি. এছ্. ৰোড।



১৪.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্ট এজন দর্শন বিদ্যাৰ পণ্ডিত আছিল। তেওঁ তর্কসংগ্রহ গ্রন্থখন ৰচনা কৰিছিল।

২নং প্রশ্নৰ উত্তৰ ঃ তিৰুমলাচার্য্য।

৩নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্টৰ আবির্ভাৱকাল খ্রীষ্টীয় সপ্তদশ শতাব্দী বুলি ধৰা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ কাশী।

৫নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্টই দর্শন শাস্ত্রৰ বিভিন্ন শাখা তথা পাণিনীয় ব্যাকৰণত গভীৰ অধ্যয়ন কৰিছিল বুলি কিংবদন্তীৰ পৰা জনা যায়।

৬নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্টই লিখা গ্রন্থবোৰ হ'ল— ন্যায়পৰিশিষ্ট প্রকাশ, তত্ত্বচিন্তামণ্যালোক সিদ্ধাঞ্জন, ব্রহ্মসূত্রবৃত্তি, মিতাক্ষৰা, ভাষ্যপ্রদীপোদ্যোতন, সুবোধিনী সুধাসাৰ, তত্ত্ববোধিনী, তর্কসংগ্রহ আৰু তর্কদীপিকা।

৭নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্টই ৰচনা কৰা প্রধান গ্রন্থখনৰ নাম হ'ল তর্কসংগ্রহ।

৮নং প্রশ্নৰ উত্তৰ ঃ তর্ক শব্দটোৰ সাধাৰণ অর্থ হ'ল কাজিয়া বা বাক্-বিতণ্ডা।

৯নং প্রশ্নৰ উত্তৰ ঃ গৌতমে তর্কৰ বিষয়ে কৈছে— অবিজ্ঞাততত্ত্বেৎর্থে কাৰণোপপত্তিতঃ তত্ত্বজ্ঞানার্থম্ ঊহঃ তর্কঃ। অর্থাৎ নজনা-বিষয়ত কাৰণ আদিৰ সহায়ত সত্য জ্ঞান লাভৰ বাবে দেখুওৱা যুক্তি বা বিচাৰেই হ'ল তর্ক।

১০নং প্রশ্নৰ উত্তৰ ঃ তর্কভাষা প্রসঙ্গত তর্ক সম্বন্ধে কোৱা হৈছে— তর্ক্যন্তে তর্কসহকৃতপ্রমাণজন্য প্রমিতি বিষয়ী ক্রিয়ন্তে ইতি তর্কাঃ পদার্থাঃ। অর্থাৎ তর্কযুক্ত প্রমাণৰ সহায়ত জ্ঞানৰ বিষয় হোৱা পদার্থবোৰেই হ'ল তর্ক।

১১নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্টৰ মতে তর্ক পদটোৱে দ্রব্য আদি সাতটা পদার্থক বুজায়।

১২নং প্রশ্নৰ উত্তৰ ঃ সংগ্রহ পদটোৰ সাধাৰণ অর্থ হ'ল সঙ্কলন কিন্তু তর্ক সংগ্রহত সংগ্রহ পদটোৰ দ্বাৰা চমুকৈ কোৱাক বুজাইছে।

১৩নং প্রশ্নৰ উত্তৰ ঃ তর্কসংগ্রহত আলোচনা কৰা প্রধান বিষয় হ'ল সাতটা পদার্থ।

১৪নং প্রশ্নৰ উত্তৰ ঃ তর্কসংগ্রহ গ্রন্থৰ মঙ্গলাচৰণটো হ'ল—

নিধায় হৃদি বিশ্বেশং বিধায় গুৰুবন্দনম্।
বালানাং সুখবোধায় ক্রিয়তে তর্কসংগ্রহঃ।।

১৫নং প্রশ্নৰ উত্তৰ ঃ তর্ক সংগ্রহৰ মঙ্গলাচৰণৰ অর্থ হ'ল— হৃদয়ত ভগবানক স্থাপন কৰি গুৰুসকলৰ বন্দনা কৰি সৰু লৰাসকলে সহজে বুজি পোৱাকৈ তর্কসংগ্রহ ৰচনা কৰা হ'ল।

১৬নং প্রশ্নৰ উত্তৰ ঃ বুদ্ধিৰ ভাগ দুটা হ'ল স্মৃতি আৰু অনুভব।

১৭নং প্রশ্নৰ উত্তৰ ঃ যথার্থ অনুভৱ চাৰিবিধ— প্রত্যক্ষ, অনুমিতি, উপমিতি আৰু শব্দ।

১৮নং প্রশ্নৰ উত্তৰ ঃ অনুবন্ধ চাৰিটা হ'ল বিষয়, প্রয়োজন, সম্বন্ধ আৰু অধিকাৰী।

১৯নং প্রশ্নৰ উত্তৰ ঃ বাক্যার্থজ্ঞানৰ হেতু হ'ল আকাংক্ষা, যোগ্যতা আৰু সন্নিধি।

২০নং প্রশ্নৰ উত্তৰ ঃ ন্যায়শাস্ত্রই স্বীকাৰ কৰা ষোল্লটা পদার্থ হ'ল— প্রমাণ, প্রমেয়, সংশয়, প্রয়োজন, দৃষ্টান্ত, সিদ্ধান্ত, অবয়ব, তর্ক, নির্ণয়, বাদ, জল্প, বিতণ্ডা, হেত্বাভাস, ছল, জাতি আৰু নিগ্রহস্থান।

২১নং প্রশ্নৰ উত্তৰ ঃ তর্কসংগ্রহৰ শেষত কোৱা হৈছে যে যিহেতু ন্যায়শাস্ত্রত স্বীকাৰ কৰা ষোল্লটা পদার্থই সাতটা পদার্থৰ ভিতৰত পৰে গতিকে সাতটা পদার্থকে স্বীকাৰ কৰিব লাগে।

২২নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্টই স্বীকাৰ কৰা চাৰিটা প্রমাণ হ'ল— প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ।

২৩নং প্রশ্নৰ উত্তৰ ঃ দশম দ্রব্যক অস্বীকাৰ কৰাৰ কাৰণেহে নব পদটো ব্যৱহাৰ কৰা হৈছে।

২৪নং প্রশ্নৰ উত্তৰ ঃ মীমাংসকসকলে অন্ধকাৰক দশমদ্রব্যৰূপে স্বীকাৰ কৰিছে।

২৫নং প্রশ্নৰ উত্তৰ ঃ দশমদ্রব্যক স্বীকাৰ কৰাসকলে কয় যে নীলা অন্ধকাৰ চলমান। নীলা পদটোৱে গুণ বুজায় আৰু চলমান পদটোৱে ক্রিয়া বুজায়। গতিকে গুণ আৰু ক্রিয়া আছে কাৰণে অন্ধকাৰক দ্রব্য বুলি স্বীকাৰ কৰে কিছুমান দার্শনিকে।

২৬নং প্রশ্নৰ উত্তৰ ঃ পৰমাণু ৰূপত পৃথিৰী নিত্য।

২৭নং প্রশ্নৰ উত্তৰ ঃ পদার্থৰ ক্ষুদ্রতম অংশই হ'ল পৰমাণু।

২৮নং প্রশ্নৰ উত্তৰ ঃ অন্নংভট্টৰ মতে পদার্থজ্ঞানেৰেই মুক্তি লাভ হয়। অর্থাৎ পদার্থ জ্ঞানৰ প্রয়োজনেই হ'ল মুক্তি।



১৪.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক— পৰমাণু, বিভু, গুণ, অনুবন্ধচতুষ্ঠয়

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ তর্কসংগ্রহ গ্রন্থৰ বৈশিষ্টবোৰ কি কি?

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ অন্নংভট্টৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ তর্কসংগ্রহ এই নামকৰণৰ তাৎপর্য্য ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ তর্কসংগ্রহ গ্রন্থৰ বিষয়বস্তুৰ ওপৰত আলোচনা কৰক।

প্রশ্ন ৪ ঃ তর্কসংগ্রহ গ্রন্থৰ বৈশিষ্ট্যবোৰ কি কি?

*** ***** ***

অধ্যায় ১৫ ঃ তর্কসংগ্রহ (অনুমান খণ্ড)

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ তর্কসংগ্রহত থকা অনুমান খণ্ডৰ সংস্কৃত পাঠ্যাংশ
১৫.৪ তর্কসংগ্রহত থকা অনুমান খণ্ডৰ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ
১৫.৫ অনুমান প্রমাণৰ লগত জড়িত গুৰুত্বপূর্ণ শব্দৰ অর্থ
১৫.৬ তর্কসংগ্রহৰ অনুমান খণ্ডৰ এটি মূল্যায়ন
১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৮ অধিক জানিবলৈ
১৫.৯ অগ্রগতিৰ খতিয়ান
১৫.১০ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তর্কসংগ্রহ গ্রন্থত থকা অনুমান খণ্ডৰ সংস্কৃত পাঠখিনিৰ লগত পৰিচিত হ'ব
- এই পাঠখিনিৰ অসমীয়া অনুবাদ জানিব পাৰিব
- অনুমান জ্ঞানৰ লগত জড়িত গুৰুত্বপূর্ণ শব্দবোৰৰ অর্থৰ বিষয়ে অৱগত হ'ব
- তর্কসংগ্রহৰ অনুমান খণ্ডৰ গুৰুত্ব জানিব পাৰিব।

১৫.২ পৰিচয়

আপুনি ইতিমধ্যে অনুমান প্রমাণৰ লগত পৰিচিত হৈছে।অনুমান এটি শক্তিশালী প্রমাণ। এই প্রমাণক স্বীকাৰ নকৰিলে বহুতো বিষয়ত জ্ঞান নহয়। তর্কসংগ্রহ গ্রন্থত প্রত্যক্ষৰ পিছতেই অনুমানৰ বিষয়ে আলোচনা কৰা হৈছে। অন্নংভট্টই তর্কসংগ্রহ গ্রন্থৰ সৰু কলেবৰৰ ভিতৰতেই অনুমান প্রমাণৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। এই গ্রন্থত অনুমান প্রমাণৰ লক্ষণ, ইয়াৰ প্রকাৰভেদ তথা দুই ধৰণৰ অনুমানৰ বিষয়ে আলোচনা পোৱা যায়। তদুপৰি যিহেতু তর্কসংগ্রহ গ্রন্থখন ৰচনা কৰা হৈছে প্রাথমিক শিক্ষার্থীক সুবিধা দিয়াৰ বাবে সেই কাৰণে অন্নংভট্টই সহজভাৱে অনুমানৰ কথা ক'বলৈ যত্ন কৰিছে। এই অংশটো পঢ়িলে বহুতো জটিল কথা সহজে বুজি পোৱা যায়। এই অধ্যায়টি পঢ়ি আপুনি তর্কসংগ্রহৰ অনুমানখণ্ডৰ সংস্কৃত পাঠখিনি জানিব পাৰিব। লগতে এই পাঠ্যাংশৰ সহজ অসমীয়া ভাঙনিৰ বিষয়ে অবগত হ'ব।অনুমান প্রমাণৰ লগত জড়িত বহুতো পাৰিভাষিক শব্দ আৰু ইয়াৰ অর্থৰ বিষয়েও আপুনি জ্ঞানলাভ কৰিব।

১৫.৩ তর্কসংগ্রহত থকা অনুমানখণ্ডৰ সংস্কৃত পাঠ্যাংশ

অনুমিতি কৰণমনুমানম্। পৰামর্শজন্যং জ্ঞানমনুমিতিঃ (জ্ঞানম্ অনুমিতিঃ)। ব্যাপ্তিবিশিষ্ট পক্ষধর্মতাজ্ঞানং পৰামর্শঃ। যথা— 'বহ্নিব্যাপ্যধূমবানয়ং (বহ্নি ব্যাপ্যধূমবান্ অয়ম্), পর্বতঃ ইতি জ্ঞানং পৰামর্শঃ। **তজ্জন্যং** পর্বতো বহ্নিমান্ ইতি জ্ঞানম্ অনুমিতিঃ। যত্র যত্র ধূমস্তত্র (ধূমঃ তত্র) তত্র অগ্নিৰিতি (অগ্নিঃ ইতি) সাহচর্য্যনিয়মো ব্যাপ্তিঃ। ব্যাপ্যস্য পর্বতাদি বৃত্তিত্বং পক্ষধর্মতা। পক্ষ ধর্মতা স্বৰূপমাহ ব্যাপ্যস্যেতি। অনুমানং দ্বিবিধং স্বার্থং পৰার্থং চ। তত্র স্বার্থং স্বানুমান হেতুঃ। তথাহি স্বয়মেব **ভূয়োদর্শনেন** (ভূয়ঃদর্শনেন) 'যত্র যত্র ধূমস্তত্র তত্রাগ্নিৰিতি মহানসাদৌ ব্যাপ্তিং গৃহীত্বা পর্বতসমীপং গতঃ তদ্‌গতে চ **অগ্নৌ সন্দিহানঃ** পর্বতে ধূমং পশ্যন্ ব্যাপ্তিং স্মৰতি— 'যত্র যত্র ধূমস্তত্র তত্র অগ্নিঃ' ইতি। তদনন্তৰং বহ্নিব্যাপ্যধূমবান্ অয়ং পর্বত ইতি জ্ঞানমুৎপদ্যতে (জ্ঞানম্ উৎপদ্যতে)। অয়মেব (অয়ম্ এব) লিঙ্গ পৰামর্শ ইত্যুচ্যতে (ইতি উচ্যতে)। তস্মাৎ পর্বতো বহ্নিমান্ ইতি জ্ঞানম্ অনুমিতিৰুৎপদ্যতে (অনুমিতিঃ উৎপদ্যতে)। তৎ এতৎ স্বার্থানুমানম্। যত্তু স্বয়ং ধূমাৎ অগ্নিম্ অনুমায় পৰং **প্রতিবোধয়িতুং** পঞ্চাবয়ববাক্যং প্রযুজ্যতে তৎপৰার্থানুমানম্। যথা— পর্বতো বহ্নিমান্ ধূমবত্বাৎ, যো যো ধূমবান্ স স বহ্নিমান্ যথা মহানসম্, তথা চ অয়ম্, তস্মাৎ তথেতি, অনেন প্রতিপাদিতাৎ লিঙ্গাৎ পৰোঽপি (পৰঃ অপি) অগ্নিং প্রতিপদ্যতে। প্রতিজ্ঞা হেতু উদাহৰণ উপনয় নিগমনানি পঞ্চাবয়বাঃ। পর্বতো বহ্নিমান্ ইতি প্রতিজ্ঞা। ধূমবত্বাৎ ইতি হেতুঃ। যো যো ধূমবান্ স স বহ্নিমান্ ইতি প্রতিজ্ঞা। ধূমবত্বাৎ ইতি হেতুঃ। যো যো ধূমবান্ স স বহ্নিমান্ ইতি উদাহৰণম্। তথা চ অয়ম্ ইতি উপনয়ঃ। তস্মাৎ তথা ইতি নিগমনম। স্বার্থানুমিতি পৰার্থানুমিত্যোর্লিঙ্গপৰামর্শ (স্বার্থানুমিতি পৰার্থানানুমিত্যোঃ লিঙ্গং পৰামর্শঃ) এব **কাৰণম্**। তস্মাৎ লিঙ্গ পৰামর্শোঽনুমানম্ (লিঙ্গ পৰামর্শঃ অনুমানম্)। লিঙ্গং ত্রিবিধম্ অন্বয়ব্যতিৰেকি - কেবলান্বয়ি - কেবলব্যতিৰেকি চ ইতি। অন্বয়েন ব্যতিৰেকেণ চ **ব্যাপ্তিমৎ** অন্বয় ব্যতিৰেকি। যথা— বহ্নৌ সাধ্যে ধূমত্বম্। যত্র ধূমঃ তত্রাগ্নিঃ (তত্র অগ্নিঃ) যথা মহানসম্ ইত্যন্বয়ব্যাপ্তিঃ। যত্র বহ্নিঃ নাস্তি তত্র ধূমোঽপি (ধূমঃ অপি) নাস্তি যথা হ্রদ ইতি ব্যতিৰেকব্যাপ্তিঃ। অন্বয়মাত্র ব্যাপ্তিকং কেৱলান্বয়ি। যথা— ঘটোঽভিধেয়ঃ (ঘটঃ অভিধেয়ঃ) প্রমেয়ত্বাৎ পটবৎ। অত্র প্রমেয়ত্বাভিধেয়ত্বয়োঃ ব্যতিৰেক ব্যাপ্তিঃ নাস্তি, সর্বস্যাপি (সর্বস্য অপি) প্রমেয়ত্বাৎ অভিধেয়ত্বাৎ চ। **ব্যতিৰেক মাত্রব্যাপ্তিকং** কেৱল ব্যতিৰেকি। যথা— পৃথিৱী ইতৰেভ্যঃ ভিদ্যতে **গন্ধবত্ত্বাৎ**। যৎ **ইতৰেভ্য** ন ভিদ্যতে ন তৎ গন্ধবৎ, যথা— জলম্। ন চ ইয়ং তথা। তস্মাৎ ন তথা ইতি। যত্র যদ্ গন্ধবৎ তৎ ইতৰভিন্নম্ ইতি অন্বয়দৃষ্টান্তো (অন্বয় দৃষ্টান্তঃ) নাস্তি, পৃথিৱীমাত্রস্য পক্ষত্বাৎ। সন্দিগ্ধসাধ্যবান্ পক্ষঃ। যথা— ধূমবত্ত্বে হেতৌ পর্বতঃ, নিশ্চিত সাধ্যবান্ সপক্ষঃ। যথা— তত্রৈব (তত্র এব) মহানসম্। নিশ্চিত সাধ্যাভাববান্ বিপক্ষঃ। যথা— তত্রৈব মহাহ্রদঃ।

তজ্জন্যং ঃ সেইটোৰ পৰা উৎপন্ন হোৱা। জুই বিয়পি থকা ধোঁৱাযুক্ত এই পর্বত এনেকুৱা পৰামর্শজ্ঞানৰ পৰা উৎপন্ন হোৱা পর্বত জুইযুক্ত এই জ্ঞানেই হ'ল অনুমিতি।

ভূয়োদর্শনেন ঃ ভূয়ং পদটোৰ অর্থ হ'ল বাৰে বাৰে। দর্শন মানে হ'ল দেখা। গতিকে ভূয়ো-দর্শনেন পদটোৰ অর্থ হ'ল বাৰে বাৰে দেখা।

অগ্নৌ সন্দিহান ঃ জুইত সন্দেহযুক্ত। জুই আছে নে নাই এনেকুৱা সন্দেহ থকা।

প্রতিবোধয়িতুম্ ঃ জ্ঞান দিয়াৰ বাবে।

ব্যাপ্তিমৎ ঃ ব্যাপ্তিযুক্ত।

ব্যতিৰেক মাত্রব্যাপ্তিকম্ ঃ ব্যতিৰেক সম্বন্ধৰ ভিত্তিতহে ব্যাপ্তি বিশিষ্ট।

গন্ধবত্ত্বাৎ ঃ গন্ধযুক্ত হোৱা হেতুকে।

ইতৰেভ্য ঃ ইতৰ পদৰ অর্থ হ'ল বেলেগ। ইতৰেভ্যঃ মানে হ'ল বেলেগৰ পৰা।

পক্ষধর্মতা ঃ পক্ষত হেতু আছে এনেকুৱা জ্ঞানেই হ'ল পক্ষ ধর্মতা।

১৫.৪ তর্কসংগ্রহত থকা অনুমানখণ্ডৰ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

অনুমিতিৰ কৰণকে অনুমান বোলা হয়। পৰামর্শৰ পৰা যি জ্ঞান উৎপন্ন হয় তাৰ নাম অনুমিতি। ব্যাপ্তি বিশিষ্ট যি **পক্ষধর্মতা** জ্ঞান সেয়াই পৰামর্শ। যেনে 'জুই বিয়পি থকা ধোঁৱাযুক্ত

এইটো এটা পর্বত' —এই জ্ঞান হ'ল পৰামর্শ (জ্ঞান)। তাৰ পৰা উৎপন্ন হোৱা 'পর্বতত জুই আছে,' এই জ্ঞান হ'ল অনুমিতি। য'ত য'ত ধোঁৱা থাকে তাত তাত জুই থাকে এই **সাহচর্য্য**ৰ নিয়মেই হ'ল ব্যাপ্তি। **ব্যাপ্য**ৰ পর্বতাদিবৃত্তিত্বই হ'ল পক্ষধর্মতা। অনুমান দুই প্রকাৰৰ— স্বার্থ আৰু পৰার্থ। (যেতিয়া) নিজৰ স্বার্থৰ কাৰণে অনুমান ব্যৱহাৰ হয় (সেই অনুমানক স্বার্থানুমান বোলে) যেনেদৰে নিজেই বাৰে বাৰে দর্শন কৰি 'য'ত ধোঁৱা থাকে তাত জুই থাকে' —এইয়া ব্যাপ্তিজ্ঞান পাকঘৰ আদিত লাভ কৰি পর্বতৰ ওচৰলৈ গৈ পর্বতত জুইৰ বিষয়ে সন্দিহান হৈ পর্বতত ধোঁৱা দেখি, 'য'ত ধোঁৱা থাকে তাত জুই থাকে' এই ব্যাপ্তিৰ স্মৰণ হয়; তাৰ পিছত 'জুই বিয়পি থকা ধোঁৱাযুক্ত এইটো পর্বত' —এই জ্ঞান লাভ হয়; ইয়াকেই লিঙ্গ পৰামর্শ বোলে। এয়াই হ'ল স্বার্থানুমান। কিন্তু য'ত নিজে ধোঁৱাৰপৰা জুইৰ অনুমান কৰি (নিজে অনুমান কৰা জুইৰ অস্তিত্ব) অন্যক বুজাবৰ বাবে পাঁচটা অবয়বযুক্ত (ন্যায়) বাক্য প্রয়োগ কৰে তাকে পৰার্থানুমান বোলে। উদাহৰণ স্বৰূপে পর্বতত জুই আছে— ধোঁৱা থকা বাবে; যিটো যিটো ধোঁৱাযুক্ত সেইটো সেইটো জুই যুক্ত; যেনে— পাকঘৰ; তেনেকুৱা এইটো, সেই কাৰণে তেনেকুৱা, ইতি। ইয়াৰ দ্বাৰা সম্পাদিত হোৱা লিঙ্গৰ পৰা অন্য ব্যক্তিয়েও জুইৰ বিষয়ে জানিব পাৰে (অর্থাৎ য'ত ধোঁৱা থাকে তাত জুই থাকে)। প্রতিজ্ঞা, হেতু, উদাহৰণ, উপনয়, নিগমন— এয়া (ন্যায়ৰ) পঞ্চাবয়ব। পর্বতত জুই আছে— এয়া প্রতিজ্ঞা। (কাৰণ) তাত ধোঁৱা আছে— এয়া হেতু। য'ত য'ত ধোঁৱা থাকে তাত তাত জুই থাকে, যেনে পাগঘৰ— এয়া উদাহৰণ। তেনেকুৱাই এইটো (অর্থাৎ পর্বততো ধোঁৱা আছে)— উপনয়। সেই কাৰণে তেনেকুৱা এইটো (অর্থাৎ পর্বততো জুই আছে)- নিগমন। স্বার্থানুমিতি আৰু পৰার্থানুমিতিৰ লিঙ্গ পৰামর্শই হ'ল কৰণ। গতিকে লিঙ্গ পৰামর্শই হ'ল অনুমান। লিঙ্গ তিনি প্রকাৰৰ— অন্বয় ব্যতিৰেকী, কেৱলান্বয়ী আৰু কেৱল ব্যতিৰেকী। (যি লিঙ্গৰ লিঙ্গীৰ লগত) অন্বয় আৰু ব্যতিৰেকী দুয়ো প্রকাৰ ব্যাপ্তি থাকে সেইয়া অন্বয় ব্যতিৰেকী। যেনে— সাধ্য জুইত ধূম্র বান। য'ত ধোঁৱা থাকে তাত জুই থাকে— এয়া অন্বয়ব্যাপ্তি। য'ত জুই নাই তাত ধোঁৱাও নাই যেনে— মহাহ্রদ। এয়া ব্যতিৰেক ব্যাপ্তি। (যি লিঙ্গ লিঙ্গীৰ লগত) কেৱল অন্বয় ব্যাপ্তি হয় সেইয়া কেৱলান্বয়ী। যেনে— ঘট অভিধেয়, যিহেতু (ঘটত) পটৰ নিচিনাকৈ প্রমেয়ত্ব আছে। ইয়াত প্রমেয়ত্ব (জ্ঞেয়ত্ব) আৰু অভিধেয়ত্বৰ ব্যতিৰেক ব্যাপ্তি নহে— কাৰণ সকলোৰে (পদার্থৰে) প্রমেয়ত্ব আৰু অভিধেয়ত্ব আছে। কেৱল ব্যতিৰেক ব্যাপ্তি বিশিষ্টই হ'ল কেৱল ব্যতিৰেকী। যেনে— গন্ধ থকা হেতুকে পৃথিৱী অন্যৰ পৰা পৃথক। যিটো বেলেগৰ পৰা পৃথক নহয়, সেইটো গন্ধযুক্ত নহয়। যেনে— পানী। এইটো এনেকুৱা নহয়। সেই কাৰণে তেনেকুৱা নহয়। যিটো গন্ধযুক্ত (তথাপিও) সেইটো বেলেগৰপৰা পৃথক— ইয়াত অন্বয় দৃষ্টান্ত নাই, (কাৰণ) কেৱল পৃথিৱীখনেই পক্ষ হোৱা হেতুকে। সন্দিগ্ধ (সন্দেহ যুক্ত) সাধ্যৰ অধিকৰণ বা আশ্রয় হ'ল— পক্ষ। যেনে— ধুম্রবান হেতুত পর্বত (অর্থাৎ 'পর্বতত ধোঁৱা আছে গতিকে তাত জুই আছে' এই অনুমানত সন্দিগ্ধ জুইৰ আশ্রয় হ'ল পর্বত, গতিকে পক্ষ হ'ল পর্বত)। য'ত সাধ্যৰ নিশ্চয় থাকে সেই (সাধ্যৰ) অধিকৰণেই হ'ল সপক্ষ। যেনে— তাতেই পাকঘৰ। য'ত সাধ্যৰ অভাৱৰ নিশ্চয় থাকে সেই (অধিকৰণেই) হ'ল বিপক্ষ। যেনে— তাতেই মহাহ্রদ। (অর্থাৎ মহাহ্রদত কেতিয়াও জুই নাথাকে। মহাহ্রদৰ সাধ্যৰ অভাৱৰ নিশ্চয় আছে।



সাহচর্য্য ঃ একেটা অধিকৰণতে বা আশ্রয়তে থকা অর্থাৎ হেতুৰ লগত সাধ্য একেটা অধিকৰণতে থকা।

ব্যাপ্য ঃ এটা বিষয় বা বস্তু আন এটাৰ মাজত ব্যাপ্ত হৈ থাকিলে, যাৰ মাজত ব্যাপ্ত হয় তাক ব্যাপক আৰু যাৰ দ্বাৰা ব্যাপ্ত হয় তাক ব্যাপ্য বোলে। যেনে— ধোঁৱা আৰু জুইৰ মাজত ধোঁৱা হৈছে ব্যাপ্য। ধোঁৱা জুইৰ মাজত ব্যাপ্য হৈ থাকে।



জানি থোৱা ভাল

- স্বার্থানুমান সকলো সময়তে পৰার্থানুমানৰ পূর্বৱর্তী হিচাপে থাকে। পৰার্থানুমান স্বার্থানুমানৰ ওপৰত নির্ভৰশীল। স্বার্থানুমানত ন্যায়বাক্যৰ প্রয়োজন নহয়, কিন্তু পৰার্থানুমানত ন্যায়বাক্যৰ ব্যৱহাৰ অপৰিহার্য্য।
- মীমাংসা আৰু বেদান্তদর্শনে কেৱলব্যতিৰেকী ব্যাপ্তি স্বীকাৰ নকৰে।

১৫.৫ অনুমান প্রমাণৰ লগত জড়িত গুৰুত্বপূর্ণ শব্দৰ অর্থ

- **কৰণ ঃ** কৰণৰ লক্ষণ প্রসঙ্গত কোৱা হৈছে 'অসাধাৰণং কাৰণং কৰণম্'। এটি কার্য্যৰ বহুতো কাৰণ থাকে। এই কাৰণবোৰৰ ভিতৰত কিছুমান কাৰণ সাধাৰণ আৰু কিছুমান কাৰণ অসাধাৰণ। যি কাৰণসমূহ সকলো কার্য্যতে উপস্থিত থাকে সেইবোৰক সাধাৰণ কাৰণ বোলে। ঈশ্বৰ, ঈশ্বৰীয় জ্ঞান, ইচ্ছা, প্রযত্ন, কাল, দিক্, অদৃষ্ট আৰু প্রাগভাব হ'ল সকলো কার্য্যৰ সাধাৰণ কাৰণ। আনফালে কার্য্যৰ উৎপত্তিত যি কাৰণটো সাধকতম হয় তাকেই অসাধাৰণ কাৰণ বোলে। এই অসাধাৰণ কাৰণকেই কৰণ বোলা হয়। উদাহৰণ স্বৰূপে কব পাৰি যে কুম্ভকাৰ, কপাল, চক্র, দণ্ড, সলিল সূত্র —এইবোৰ ঘটৰ অসাধাৰণ কাৰণ। প্রকৃততে ব্যাপাৰবদ্ অসাধাৰণং কাৰণং কৰণম্ —এয়াই কৰণৰ সম্পূর্ণ লক্ষণ। অসাধাৰণ কাৰণবোৰৰ ভিতৰত যিটো ব্যাপাৰযুক্ত হৈ কার্য্যৰ উৎপত্তি ঘটায়, সিটোকেই কৰণ বোলে। যিটো কৰণৰ দ্বাৰা উৎপন্ন হয় আৰু সেই কাৰণৰ দ্বাৰা উৎপন্ন কার্য্যৰ জনক হয়, তাকেই ব্যাপাৰ বোলে। যেনে— দুটা কপালৰ সংযোগ দণ্ড, চক্র আদি কাৰণৰ দ্বাৰা উৎপন্ন হয় আৰু সেই কাৰণসমূহৰ দ্বাৰা উৎপন্ন ঘটৰ জনক হয়। সেই কাৰণে ঘটৰূপী কার্য্যৰ প্রতি দণ্ড; চক্র আদি কাৰণৰ ব্যাপাৰ হ'ল কপাল দুটাৰ সংযোগ। এনেকুৱা ব্যাপৰযুক্ত অসাধাৰণ কাৰণকেই কৰণ বোলা হয়।
- **পৰামর্শ ঃ** পৰামর্শ সম্বন্ধে অন্নংভট্টই কৈছে 'ব্যাপ্তি বিশিষ্ট পক্ষ ধর্মতা জ্ঞানং পৰামর্শঃ। যথা 'বহ্নি ব্যাপ্যধূমবান্ অয়ং পর্বতঃ' ইতি জ্ঞানং পৰামর্শঃ। অর্থাৎ ব্যাপ্তিবিশিষ্ট হেতুৰ পক্ষবৃত্তিত্বজ্ঞানেই হ'ল পৰামর্শ। প্রথমতে পক্ষধর্মতাজ্ঞান, তাৰ পিছত ব্যাপ্তিস্মৰণ তাৰ পিছত পৰামর্শ হ'লেহে অনুমিতি হয় —এয়াই হ'ল অনুমিতি প্রক্রিয়া। উদাহৰণ স্বৰূপে, ক'ব পাৰি 'পর্বত ধূমযুক্ত' এয়া পক্ষধর্মতাজ্ঞান, 'ধোৱা বহ্নিব্যাপ্য' —এয়া হ'ল ব্যাপ্তি স্মৰণ আৰু 'বহ্নিব্যাপ্যধূমবান্ পর্বতঃ'এনেকুৱা পৰামর্শ হ'লেহে 'পর্বত বহ্নিযুক্ত' এনেকুৱা অনুমিতি হয়।পৰামর্শ জ্ঞান আৰু পক্ষ ধর্মতা জ্ঞানৰ মাজত পার্থক্য হ'ল পৰামর্শ জ্ঞানত ধোঁৱা বহ্নিব্যাপ্য ৰূপত হৈছে, কিন্তু পক্ষ ধর্মতা জ্ঞানত সেইটো হোৱা নাই। আকৌ সহজভাৱে ক'ব পৰা যায় যে 'বহ্নিব্যাপ্যধূমবান্ পর্বতঃ' এই পৰামর্শ জ্ঞানত পর্বতক বিশেষ্য ৰূপত, ধূমক পর্বতৰ বিশেষণৰূপত আৰু বহ্নিৰ ব্যাপ্তি আৰু ধূমত্ব —এই দুটাকেই

ধোঁৱাৰ বিশেষণ ৰূপে পোৱা যায়। কিন্তু পক্ষধর্মতা জ্ঞানত পর্বত বিশেষ্য ৰূপত, ধূম পর্বতৰ বিশেষণ ৰূপত আৰু কেৱলমাত্র ধূমত্বই ধূমৰ বিশেষণ ৰূপে পোৱা যায়। যিহেতুকে পক্ষধর্মতা জ্ঞান যেতিয়া প্রথম উৎপন্ন হয়, তেতিয়া ব্যাপ্তিৰ স্মৃতি নহয়, এই কাৰণে বহ্নি ব্যাপ্তিক ধূমৰ বিশেষণ ৰূপত পোৱা নাযায়। ভাষা পৰিচ্ছেদত কোৱা হৈছে— 'ব্যাপাৱস্তু পৰামর্শঃ' (ব্যাপাৰেই হ'ল পৰামর্শঃ)। কিন্তু অন্নংভট্টৰ পৰামর্শ লক্ষণৰ পৰা বুজা যায় যে ব্যাপ্তি আৰু পক্ষধর্মতা এই দুটাই পৰামর্শজ্ঞানৰ বিষয় হয়। পৰামর্শ জ্ঞান প্রত্যক্ষাত্মক হয়।

- **ব্যাপ্তি ঃ** ব্যাপ্তিৰ লক্ষণ প্রসঙ্গত অন্নংভট্টই কৈছে— যত্র ধূমস্তত্রাগ্নিৰিতি সাহচর্য্য নিয়মো ব্যাপ্তিঃ। সাহচর্য্য শব্দৰ অর্থ হ'ল সমানাধিকৰণত্ব। যি দুটা পদার্থ একে অধিকৰণত থাকে সেই পদার্থ দুটাক 'সহচৰ' বুলি কোৱা হয়। সহচৰৰ ভাৱকেই সাহচর্য্য বোলে, এয়া একাধিকৰণত্বৰ সমার্থক। অর্থাৎ যত ধোঁৱা তাত অগ্নি —এই একাধিকৰণ নিয়ম (একে ঠাইতে থকাৰ নিয়ম) হ'ল ব্যাপ্তি। দীপিকাত ব্যাপ্তি লক্ষণৰ বিষয়ে বিস্তৃতভাৱে কোৱা হৈছে— 'হেতুসমানাধিকৰণ অত্যন্তাভাবপ্রতিযোগি সাধ্যসমানাধিকৰণ্যং ব্যাপ্তিৰিত্যর্থঃ'। অর্থাৎ হেতুৰ অধিকৰণত থাকে যি অত্যন্তাভাব, তাৰ অপ্রতিযোগী যি সাধ্য, সেই হেতুত সাধ্যটোৰ সমানাধিকৰণক (একে অধিকৰণ বা ঠাইত থকাৰ ভাব) ব্যাপ্তি বোলা হয়। ব্যাপ্তি প্রসঙ্গত সাধ্যটো হেতুসমানাধিকৰণ (হেতুৰ লগত একে ঠাইতে থকা) অত্যন্তা ভাবৰ **প্রতিযোগী** নহয়। উদাহৰণ হিচাপে কোৱা যায় যে 'পর্বতঃ বহ্নিমান্ ধূমাৎ' এই উক্তিত ধূম হেতু, বহ্নি সাধ্য আৰু পর্বত পক্ষ। ধূমৰূপহেতুৰ অধিকৰণ হ'ল পাকঘৰ, যজ্ঞবেদী আদি। যত ধোঁৱা থাকে, তাকেই ধূমাধিকৰণ, হেত্বধিকৰণ (হেতুৰ অধিকৰণ অর্থাৎ হেতু থকা ঠাই) বোলা হয়। ধূমাধিকৰণত 'ঘটো নাস্তি', 'পটো নাস্তি' এনেকুৱা ঘট, পটৰ অত্যন্তাভাব থাকে কিন্তু 'বহ্নিঃ নাস্তি' এনেকুৱা জুইৰ অত্যন্তাভাব ইয়াত থাকিব নোৱাৰে। গতিকে ইয়াত হেতুসমানাধিকৰণ অত্যন্তাভাবৰ প্রতিযোগী ঘট-পট আদিৰ পৰা সাধ্য ৰূপ বহ্নি বেলেগ হয়। ভাষা পৰিচ্ছেদত ব্যাপ্তি সম্পর্কত কোৱা হৈছে ব্যাপ্তিস্তু সাধ্যাভাববদবৃত্তিত্বং প্রকীর্ত্তিতম্।



প্রতিযোগী ঃ যিটোৰ অভাৰ সেইটোৱে প্রতিযোগী।

- **লিঙ্গ ঃ** লিঙ্গ শব্দৰ ব্যুৎপত্তি বিষয়ত কোৱা হৈছে লীনং গময়তি অর্থাৎ অপ্রত্যক্ষং চক্ষুৰাদি - ইন্দ্রিয়েন সহ অসন্নিকৃষ্টং বস্তু বা পদার্থং জ্ঞাপয়তি যদ্‌বস্তু তদেব লিঙ্গমুচ্যতে। ইয়াৰ অর্থ হ'ল যি বস্তু ইন্দ্রিয়ৰ লগত অসন্নিকৃষ্ট বা অপ্রত্যক্ষীভূত পদার্থক জ্ঞানৰ বিষয় ৰূপে অবগত কৰায় তাকেই লিঙ্গ বোলে। ব্যাপ্তি জ্ঞানৰ সহায়ত লীন বা প্রত্যক্ষৰ গোচৰীভূত নোহোৱা পদার্থৰ জ্ঞাপকেই হ'ল লিঙ্গ। উদাহৰণ হিচাপে ক'ব পাৰি— ধোঁৱা আদি হ'ল জুই আদি সাধ্যৰ লিঙ্গ। লিঙ্গ তিনিবিধ— অন্বয়ব্যতিৰেকী, কেৱলান্বয়ী আৰু কেৱলব্যতিৰেকী।
- **অবয়ব ঃ** অবয়ব পদটিৰ অর্থ হ'ল অংশ। কিন্তু ন্যায়দর্শনত এই শব্দটো এটি বিশেষ অর্থত ব্যৱহাৰ হয়। এই ক্ষেত্রত আৰম্ভক দ্রব্যকেই অবয়ব বোলা হয়। অর্থাৎ যিটোৰ

পৰা আন দ্রব্য উৎপন্ন হয় তাকেই অবয়ব বোলে। ন্যায়শাস্ত্রত পঞ্চাবয়ব বাক্যক পৰার্থানুমানৰ প্রয়োজক বুলি কোৱা হৈছে। এই পাঁচটা অবয়ব হ'ল— প্রতিজ্ঞা, হেতু উদাহৰণ, উপনয় আৰু নিগমন। উদাহৰণ হিচাপে কোৱা যায়—'পর্বত অগ্নিব্যাপ্যধূমবান্' —এই পৰার্থানুমানৰ বাক্যত পর্বতটো অগ্নিবিশিষ্ট —এয়া হ'ল প্রতিজ্ঞা; যিহেতুকে পর্বতটো ধূম বিশিষ্ট —এয়া হ'ল হেতু; যিটো যিটো ধূমবিশিষ্ট, সেইটো সেইটো অগ্নি বিশিষ্ট হয়, যেনে— পাগঘৰ —এয়া হ'ল উদাহৰণ; এই পর্বতটো এনেকুৱা এয়া হ'ল উপনয়; সেই কাৰণে পর্বতটো তেনেকুৱা অর্থাৎ অগ্নি বিশিষ্ট —এয়া হ'ল নিগমন। এনেকুৱা পঞ্চাবয়ব বাক্যৰ দ্বাৰা পৰার্থানুমান সিদ্ধ হয়।

- **প্রতিজ্ঞা ঃ** পঞ্চাবয়ব বাক্যৰ প্রথম বাক্য হ'ল প্রতিজ্ঞা। পক্ষত সাধ্যৰ উপস্থিতি কথনেই হ'ল প্রতিজ্ঞা। ইয়াত শ্রোতাৰ অনুমিতিৰ যিটো অভীষ্ট অর্থাৎ আকাংক্ষিত সেইটো কোৱা হয়। পুৰণি দৃষ্টিভঙ্গীত ইয়াকেই Problem অথবা সমস্যা Quertion বা অথবা প্রশ্ন কোৱা হয়। যেনে— পর্বত বহ্নিযুক্ত এই অংশটোক প্রতিজ্ঞা হিচাপে ধৰা হয়।
- **হেতু ঃ** পঞ্চাবয়ব বাক্যত প্রতিজ্ঞাৰ পিছতেই হেতু আছে। পৰার্থানুমানত ব্যৱহাৰ হোৱা হেতুটো সাধাৰণ ক্ষেত্রত পঞ্চমী বিভক্তিযুক্ত পদেৰে বুজোৱা হয়। হেতু পদৰ সাধাৰণ অর্থ হ'ল কাৰণ। পাবলগীয়া জ্ঞানৰ সাধক হ'লেহে হেতু হ'ব পাৰে। যেনে— 'ধূমাৎ' এই বাক্যটোক 'পর্বতো বহ্নিমান্' এই প্রতিজ্ঞাৰ হেতু ৰূপে কোৱা হয়। ধোঁৱা থকা হেতুকে পর্বতত জুই থকাৰ অনুমান কৰা হয়।
- **উদাহৰণ ঃ** পঞ্চাবয়ব বাক্যৰ তৃতীয় বাক্য হ'ল উদাহৰণ। হেতু আৰু সাধ্যৰ ভিতৰত থকা সম্বন্ধ প্রতিপাদিত হয় উদাহৰণৰ জৰিয়তে। অর্থাৎ উদাহৰণৰ দ্বাৰা হেতু আৰু সাধ্যৰ নিয়ত সম্বন্ধ প্রতিপাদিত হয় আৰু এই নিয়ত সম্বন্ধৰ (ব্যাপ্তি) আধাৰত হেতুটোৱে সাধ্যৰ সাধক হয়।
- **উপনয় ঃ** পঞ্চাবয়ব বাক্যৰ চতুর্থ বাক্য হ'ল উপনয়। উপনয়ৰ কাম হ'ল অনুমাতাক (যিয়ে অনুমান কৰে) অনুমিতিৰ ওচৰলৈ লৈ যোৱা। উপনয়ৰ দ্বাৰাহে বুজিব পাৰি যে ব্যাপ্তি যুক্ত হেতু পক্ষত বিদ্যমান আছে বুলি আৰু এই বোধৰ পিছতহে অনুমিতিৰ জন্ম হয়।
- **নিগমন ঃ** পঞ্চাবয়ব বাক্যৰ শেষ বা পঞ্চমবাক্য হ'ল নিগমন। গৌতমৰ মতে প্রতিজ্ঞাক আকৌ কোৱাটোৱেই হ'ল নিগমন। বাৎস্যায়নে কৈছে যে যি বাক্যত প্রতিজ্ঞা হেতু, উদাহৰণ আৰু উপনয়ৰ একেলগে সম্বন্ধ প্রতিপাদিত হয় আৰু তাৰ সমর্থন থাকে তাকেই নিগমন বোলে। নিগমন স্বীকাৰাত্মক আৰু নিষেধাত্মক —দুই ধৰণৰে হ'ব পাৰে।
- **অন্বয় ব্যতিৰেকী ঃ** অন্নংভট্টই স্বীকাৰ কৰা তিনিবিধ লিঙ্গৰ প্রথম প্রকাৰটোৱেই হ'ল অন্বয় ব্যতিৰেকী। তৎসত্ত্বে তৎসত্তা ইতি অন্বয়ঃ, তদসত্ত্বে তদসত্তা ইতি ব্যতিৰেকঃ। এটা থাকিলে আনটো থাকে —এয়াই হ'ল অন্বয়, এটা নাথাকিলে আনটো নাথাকে — এয়া হ'ল ব্যতিৰেক। যি হেতু বা লিঙ্গ অন্বয়ৰ দ্বাৰা ব্যাপ্তিবিশিষ্ট হয় আৰু ব্যতিৰেকৰ

দ্বাৰাও ব্যাপ্তি বিশিষ্ট হয় তাকেই অন্বয় ব্যতিৰেকী লিঙ্গ বোলে। যেনে— পর্বতত অগ্নি সাধ্য আৰু ধূমহেতু হ'লে —এয়া অন্বয় ব্যতিৰেকী হব। যত যত ধোঁৱা থাকে তাত তাত অগ্নি থাকে অথবা যত যত ধূমবত্ত্ব থাকে তাত তাত অগ্নিমত্ত্ব থাকে এনেকুৱা হেতুত অন্বয়ব্যাপ্তিৰ জ্ঞান হয়। আকৌ মহাহ্রদত অগ্নি আৰু ধূমৰ অভাব থকা হেতুকে যত যত অগ্নিৰ অভাৱ তাত তাত ধোঁৱাৰ অভাৱ —এনেদৰে ব্যতিৰেক ব্যাপ্তিৰ জ্ঞান হয়। এই দুই ধৰণৰ ব্যাপ্তিৰ সহায়তেই পর্বতত অগ্নিৰ অনুমিতি হয় কাৰণে এই লিঙ্গক অন্বয়ব্যতিৰেকী বুলি কোৱা হয়।



জানি থোৱা ভাল

- পক্ষক সাধ্য বিশিষ্ট ৰূপত প্রতিপাদনকাৰী বাক্যই হ'ল প্রতিজ্ঞা। হেতু বাক্য পঞ্চমী বিভক্তি যুক্ত বা তৃতীয়া বিভক্তি যুক্ত হয়। হেতুত সাধ্যৰ অথবা সাধ্যৰ অভাৱত হেতুৰ অভাৱৰ ব্যাপ্তিৰ প্রতিপাদক বাক্যক উদাহৰণ বোলে। ব্যাপ্তি বিশিষ্ট হেতুৰ প্রতিপাদক বাক্যক উপনয় বোলে। উপনয়ৰ সহায়ত পক্ষৰ সৈতে ব্যাপ্তিবিশিষ্ট হেতুৰ সম্বন্ধ প্রতিপাদিত হয়। যি বাক্য ব্যাপ্তিপক্ষ ধর্মতাবিশিষ্ট হেতুৰ সামর্থ্যত পক্ষৰ সাধ্যবত্তা প্রতিপন্ন কৰে তাক নিগমন বোলে। এই পাঁচটা হ'ল পৰার্থানুমানৰ জনক ন্যায়বাক্য। এই বাক্যকেইটাক 'ন্যায়াবয়ব' বুলিও কোৱা হয়।
- প্রাচীন পণ্ডিতসকলে লিঙ্গক অনুমিতিৰ কৰণ বুলি কয়। কিন্তু অন্নংভট্টই লিঙ্গ পৰামর্শক অনুমিতিৰ কৰণ বুলি কৈছে। কেৱল লিঙ্গক কৰণ বুলি স্বীকাৰ কৰিলে জ্ঞায়মান লিঙ্গই কৰণ হ'ব। আকৌ জ্ঞায়মান লিঙ্গ কৰণ হ'লে বর্তমানকালীন হেতুৰ সহায়তহে অনুমিতি হ'ব পাৰিব। কিন্তু অতীত আৰু ভবিষ্যতৰ হেতুৰ সহায়ত অনুমিতি হ'ব নোৱাৰিব। সেই কাৰণে লিঙ্গ পৰামর্শকেই কৰণ বুলি স্বীকাৰ কৰাটো যুক্তিযুক্ত।

১৫.৬ তর্কসংগ্রহৰ অনুমান খণ্ডৰ এটি মূল্যায়ন

তর্কসংগ্রহ গ্রন্থত অনুমানৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়োৱা হৈছে। অনুমান প্রমাণৰ সৈতে জড়িত সকলো বিষয়কেই অন্তর্ভুক্ত কৰা হৈছে অন্নংভট্টৰ আলোচনাত। পৰামর্শ, ব্যাপ্তি, পক্ষধর্মতা, লিঙ্গ, **পক্ষ**, আদি অনুমান জ্ঞান সম্বন্ধীয় সকলো কথাবোৰৰ সহজ আলোচনা পোৱা যায় তর্কসংগ্রহৰ অনুমানখণ্ডত। তদুপৰি অনুমান প্রমাণৰ ভাগ দুটাও সুন্দৰকৈ বুজাই দিছে অন্নংভট্টই। লিঙ্গৰ বিষয়ে অন্নংভট্টই আগবঢ়োৱা বিশদ ব্যাখ্যা অতি প্রশংসনীয়। প্রত্যেকটো ভাগৰেই উদাহৰণ দি বিষয়টো স্পষ্ট ভাষাত ব্যাখ্যা কৰা হৈছে। কিছুমান ক্ষেত্রত অন্নংভট্টই প্রাচীন পণ্ডিতৰ মত অনুসৰণ কৰা দেখা যায়। কিছুমান ক্ষেত্রত আকৌ প্রাচীন মতৰ পৰা ফালৰি



***পক্ষ* ঃ** যি অধিকৰণত সাধ্যাত্মক ধর্ম সন্দিগ্ধ হয় অর্থাৎ সন্দেহ যুক্ত হয় তাকেই পক্ষ বোলে। পর্বতত বহ্নি আছে নে নাই এনেকুৱা সন্দেহ থকাৰ বাবেই পর্বত পক্ষ হয়। অনুমানৰ আগত সেইটো অনুমানৰ সাধ্যৰ নিশ্চয় যত থাকে তাকেই সপক্ষ বোলে। অর্থাৎ যি অধিকৰণ নিশ্চিতভাৱে সাধ্যবান সেইটোৱে সপক্ষ। আনফালে অনুমানৰ আগত যত সাধ্যৰ অভাৱৰ নিশ্চয় জ্ঞান থাকে তাকেই বিপক্ষ বোলে।

কাটি আহি পৃথক অভিমত ব্যক্ত কৰা দেখা পোৱা যায় । যেনে— গঙ্গেশ উপাধ্যায়ক অনুসৰণ কৰি অন্নংভট্টই ব্যাপ্তিৰ ভেদৰ কাৰণেই হেতুৰ ভেদ স্বীকাৰ কৰিছে। আকৌ লিঙ্গক অনুমিতিকৰণ বুলি স্বীকাৰ কৰা প্ৰাচীন মতক গ্ৰহণ নকৰি অন্নংভট্টই লিঙ্গ পৰামৰ্শক অনুমিতিৰ কাৰণ বুলি কৈছে। পক্ষ-সম্বন্ধীয় আলোচনাৰ ক্ষেত্ৰতো অন্নংভট্টাই প্ৰাচীন মতৰ অপকৰ্ষ দেখুৱাইছে। তর্কসংগ্রহত থকা অনুমানখণ্ডৰ আৰু এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল হেত্বাভাস। হেত্বাভাস হ'ল অনুমিতি প্ৰতিবন্ধক যথাৰ্থজ্ঞানৰ বিষয়। হেত্বাভাসৰ বিভাগবোৰো বিস্তৃতভাৱে দেখুওৱা হৈছে এই অংশত। কিন্তু প্ৰাথমিক স্তৰৰ শিক্ষাৰ্থীৰ বাবে এই বিষয়টো সাধ্যাতীত হ'ব বুলি ভাবি এই অংশটো পাঠ্যাংশৰ পৰা বাদ দিয়া হৈছে।

তর্কসংগ্রহত অন্নংভট্টই প্ৰত্যক্ষ প্ৰমাণৰ পিছতেই অনুমানৰ বিষয়ে আলোচনা কৰিছে। ইয়াৰ কাৰণ হ'ল উপজীব্য-উপজীৱক ভাব। অনুমানৰ উপজীব্য বা ভিত্তি প্ৰত্যক্ষ হোৱা কাৰণে প্ৰত্যক্ষক প্ৰথমতে স্থান দিয়া হৈছে। প্ৰত্যক্ষৰ ভিত্তিতহে অনুমান প্ৰমাণ সিদ্ধ হয় কাৰণে প্ৰত্যক্ষৰ পিছতহে অনুমানক স্থান দিয়া হৈছে। সেই ফালৰ পৰা তর্কসংগ্রহৰ অনুমান খণ্ডৰ স্থান বিচাৰ সম্পূৰ্ণভাৱে সাৰ্থক হৈছে বুলি কব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ অনুমান কি?

.....

.....

প্ৰশ্ন ২ ঃ পৰামৰ্শ কি?

.....

.....

প্ৰশ্ন ৩ ঃ পৰামৰ্শৰ উদাহৰণ দিয়ক।

.....

প্ৰশ্ন ৪ ঃ অনুমানৰ বিভাগ দুটা কি কি?

.....

প্ৰশ্ন ৫ ঃ ব্যাপ্তিৰ উদাহৰণ এটি দিয়ক।

.....

প্ৰশ্ন ৬ ঃ পৰাৰ্থানুমানত কেইটা বাক্য থাকে?

.....

প্ৰশ্ন ৭ ঃ লিঙ্গৰ ভাগকেইটা কি কি?

.....

.....

প্রশ্ন ৮ ঃ অন্বয় ব্যাপ্তিৰ উদাহৰণ দিয়ক।

.....

প্রশ্ন ৯ ঃ ব্যতিৰেকি ব্যাপ্তিৰ উদাহৰণ দিয়ক।

.....

প্রশ্ন ১০ ঃ পক্ষ কাক বোলে?

.....

.....

প্রশ্ন ১১ ঃ কৰণৰ লক্ষণ কি?

.....

প্রশ্ন ১২ ঃ ন্যায়াবয়ব মানে কি বুজায়?

.....

.....

প্রশ্ন ১৩ ঃ অন্নংভট্টই প্রাচীন মত অনুসৰণ নকৰাৰ এটি উদাহৰণ দিয়ক।

.....

.....



১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তর্কসংগ্রহত থকা অনুমানখণ্ডৰ বিষয়ে বিস্তৃতভাৱে জানিলোঁ।
- অনুমানখণ্ডত থকা সংস্কৃত পাঠ্যাংশ আৰু এই পাঠ্যাংশৰ অসমীয়া ভাঙনিৰ বিষয়েও জানিব পাৰিলোঁ।
- তর্কসংগ্রহৰ অনুমান খণ্ডত অন্নংভট্টই ব্যৱহাৰ কৰা বিভিন্ন পাৰিভাষিক শব্দৰ অর্থৰ বিষয়েও আমি অৱগত হ'লোঁ।
- অনুমান খণ্ডটিৰ সামগ্রিক মূল্যায়নৰ বিষয়েও জানিব পাৰিলোঁ।



১৫.৮ অধিক জানিবলৈ

১) গোস্বামী, শ্রীনাৰায়ণ চন্দ্র; *তর্কসংগ্রহ*; কলিকাতা ঃ সংস্কৃতপুস্তক ভাণ্ডাৰ।



১৫.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ অনুমিতি জ্ঞানৰ কৰণকেই অনুমান বোলে। 'অনুমিতিকৰণম্ অনুমানম্'।

২নং প্রশ্নৰ উত্তৰ ঃ ব্যপ্তিবিশিষ্ট পক্ষধর্মত্ব জ্ঞানেই হ'ল পৰামর্শ। যেনে— বহ্নিব্যাপ্যধূমবান্ অয়ং পর্বতঃ এই জ্ঞানেই হ'ল পৰামর্শ।

৩নং প্রশ্নৰ উত্তৰ ঃ 'বহ্নিব্যাপ্যধূমবান্ অয়ং পর্বতঃ' —এয়া পৰামর্শৰ উদাহৰণ।

৪নং প্রশ্নৰ উত্তৰ ঃ অনুমানৰ ভাগ দুটা হ'ল স্বার্থানুমান আৰু পৰার্থানুমান।

৫নং প্রশ্নৰ উত্তৰ ঃ ব্যাপ্তিৰ উদাহৰণ হ'ল— 'যত্র যত্র ধূমস্তত্র তত্র অগ্নিঃ'।

৬নং প্রশ্নৰ উত্তৰ ঃ পৰার্থানুমানত পাঁচটা বাক্য থাকে।

৭নং প্রশ্নৰ উত্তৰ ঃ লিঙ্গৰ ভাগ তিনিটা হ'ল— অন্বয়ব্যতিৰেকী, কেৱলান্বয়ী আৰু কেবলব্যতিৰেকী।

৮নং প্রশ্নৰ উত্তৰ ঃ 'যত্র ধূমঃ তত্র অগ্নি, যথা মহানসম্' —এয়া হ'ল অন্বয়ব্যাপ্তি।

৯নং প্রশ্নৰ উত্তৰ ঃ 'যত্র বহ্নিঃ নাস্তি তত্র ধূমোঽপি নাস্তি যথা হ্রদ' —এয়া হ'ল ব্যতিৰেক ব্যাপ্তি।

১০নং প্রশ্নৰ উত্তৰ ঃ যি অধিকৰণত সাধ্যাত্মক ধর্ম সন্দেহযুক্ত হয় তাকেই পক্ষ বোলে। 'সন্দিগ্ধ সাধ্যবান্ পক্ষঃ'।

১১নং প্রশ্নৰ উত্তৰ ঃ অসাধাৰণ কাৰণেই হ'ল কৰণ। 'অসাধাৰণং কাৰণম্ কৰণম্'।

১২নং প্রশ্নৰ উত্তৰ ঃ ন্যায়াবয়ব মানে প্রতিজ্ঞা - হেতু - উদাহৰণ - উপনয় আৰু নিগমন এই পাঁচটা অবয়বক বুজায়।

১৩নং প্রশ্নৰ উত্তৰ ঃ লিঙ্গক অনুমিতিকৰণ বুলি স্বীকাৰ কৰা প্রাচীন মতক অন্নংভট্টই গ্রহণ কৰা নাই। তেওঁৰ মতে লিঙ্গ পৰামর্শ হ'ল অনুমিতিৰ কৰণ।



১৫.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ অন্নংভট্টৰ মতে অনুমানৰ স্বৰূপ কি?

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক— কৰণ, হেতু, পক্ষ, ব্যাপ্তি, পৰার্থানুমান, পৰামর্শ।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ অনুমানৰ বিভাগ কেইটা কি কি? প্রত্যেকটো বিভাগ উদাহৰণ দি ব্যাখ্যা কৰক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) অৱস্থী, ড° ব্ৰহ্মমিশ্ৰ; *ভাৰতীয় ন্যায়শাস্ত্ৰ এক অধ্যয়ন*; দিল্লী ঃ ইন্দু প্ৰকাশন।

২) আয়াৰ, শ্ৰী এস্. আৰ.; *তৰ্কভাষা*; বাৰাণসী ঃ চৌখম্বা পাব্লিশ্যাৰ্ছ।

৩) কৰ্ণাটক, ড° বিমলা; *সাংখ্য কাৰিকা*; বাৰাণসী ঃ চৌখম্বা ওৰিয়াণ্টালিয়া।

৪) কালে, এম. আৰ. (১৯৭৭); *বেণীসংহাৰ*; দিল্লী।

৫) গোস্বামী, শ্ৰীনাৰায়ণ চন্দ্ৰ; *তৰ্কসংগ্ৰহ*; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৬) চক্ৰবৰ্ত্তী, শ্ৰীসত্যজ্যোতি; *সৰ্বদৰ্শন সংগ্ৰহ*; কলিকতা ঃ সাহিত্যশ্ৰী।

৭) চেতিয়া, ড° বিপিন , শৰ্মা, ড° নীলিমা (১৯৭৪); *ভাৰতীয় দৰ্শন* (১ম খণ্ড); গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি।

৮) ত্ৰিপাঠী, ড° ৰমাশঙ্কৰ (২০১০); *বেণীসংহাৰ*, দিল্লী।

৯) দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

১০) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দৰ্শনত এভুমুকি*; গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।

১১) বৰুৱা, ড° গিৰীশ (১৯৯৬); *ভাৰতীয় দৰ্শনত এভুমুকি*; গুৱাহাটী ঃ ভগৱতী প্ৰকাশন।

১২) *ভট্টাচাৰ্য্য*, ড° জ্যোৎস্না; *দৰ্শনৰ পৰিচয়*; গুৱাহাটী ঃ জি. এছ্. ৰোড।

১৩) সেনগুপ্ত, প্ৰমোদ বন্ধু (১৯৮৩); *ভাৰতীয় দৰ্শন* (দ্বিতীয় খণ্ড); কলকাতা ঃ ব্যানার্জী পাব্লিশ্যাৰ্ছ।

১৪) শাস্ত্ৰী, চি. শঙ্কৰ ৰাম (১৯৪৩); *বেণীসংহাৰ*; মাদ্ৰাছ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচার্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকাতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.

2) Sharma, Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.

3) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.